## ২.০ দ্বিতীয় অধ্যায়

# লোকশিল্প আৰু অসমীয়া সংস্কৃতি

২.১ শিল্পৰ ধাৰণা

২.২ শিল্পৰ সংজ্ঞা

২.৩ ভিন্নজাত শিল্পসমূহৰ ধাৰণা

২.৪ লোকশিল্পৰ ধাৰণা

২.৫ সংস্কৃতিৰ ধাৰণা আৰু অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ

২.৬ লোকশিল্প আৰু অসমীয়া সংস্কৃতি

২.৭ সামগ্ৰিক আলোচনা

# ২.০ দ্বিতীয় অধ্যায়
# লোকশিল্প আৰু অসমীয়া সংস্কৃতি

### ২.১ শিল্পৰ ধাৰণা ঃ

সুন্দৰৰ সাধনা তথা সৌন্দৰ্যৰ অন্বেষণ মানৱ অভিজ্ঞতাৰ এক বিশ্বজনীন পৰিঘটনা। সৌন্দৰ্যৰ অন্বেষণৰ দ্বাৰা অনুপ্ৰাণিত হৈ মানুহে যুগে যুগে সামূহিক আনন্দ লাভৰ বাবে নাইবা জীৱনৰ বিভিন্ন উপলক্ষ্য বা প্ৰয়োজনত মানসিক, দৈহিক কৰ্ষণৰ সহায়ত বাস্তৱিক জীৱনৰ সৈতে সম্পৰ্কযুক্ত ভৌতিক তথা বস্তু-সংস্কৃতিৰ বিবিধ উপাদান নিৰ্মাণ কৰি আহিছে। দৰাচলতে ভৌতিক সংস্কৃতিক মৌখিক বা বাচিক তথা আনুষ্ঠানিক কলাৰ ধাৰক আৰু বাহক হিচাপে অভিহিত কৰা হয়। সমাজত যুগে যুগে প্ৰচলিত পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ পৰিসৰে সামৰি লোৱা মৌখিক বা লিখিত কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিৰ বহিঃপ্ৰকাশেই মূলতঃ ভৌতিক সংস্কৃতি।[১] সংস্কৃতিৰ এই দিশটোৱে যুগ-কাল অতিক্ৰমি সমাজত প্ৰচলিত পৰম্পৰা তথা বাচিক বা লিখিত কলাৰ অৰ্থ, তাৎপৰ্য, সৌন্দৰ্যবোধ তথা শৈল্পিক ৰূপৰ প্ৰকাশ ঘটায়। সেই দৃষ্টিৰে 'শিল্প'ক ভৌতিক সংস্কৃতিৰে এক উল্লেখযোগ্য উপাদান হিচাপে ধৰা হয়।

'শিল্প' মানৱ-জীৱন তথা সংস্কৃতিৰ সৈতে নিবিড়ভাৱে জড়িত। শিল্পৰ মাজেৰে মানুহৰ সৃজনীশীলতা, চিন্তা-চেতনা, বুদ্ধি আৰু দক্ষতাই প্ৰকাশ লাভ কৰে। আদিম কালৰে পৰা মানুহে দৈনন্দিন জীৱনত ব্যৱহৃত তথা মানসিক পৰিতৃপ্তি লাভৰ বাবে প্ৰয়োজনীয় বিভিন্ন সা-সঁজুলি, শিল্পবস্তু আদি নিজা প্ৰতিভা আৰু দক্ষতাৰে নিৰ্মাণ কৰি আহিছে। সাধাৰণতে চৌপাশৰ প্ৰাকৃতিক পৰিৱেশত উপলব্ধ বিভিন্ন উপকৰণ তথা সামাজিক অৱস্থিতিৰ ভিত্তিত মানুহে এনেবোৰ শিল্পবস্তু বা সা-সঁজুলি নিৰ্মাণ কৰে। সেয়েহে একোখন সমাজত উপলব্ধ তথা নিৰ্মিত শিল্পবস্তুসমূহৰ জৰিয়তে সেই সমাজৰ আবেগ-অনুভূতি, সৌন্দৰ্য-চেতনা, পৰিৱেশ-পৰিস্থিতিগত কাৰক, সাংস্কৃতিক মূল্যবোধ, আচাৰ-ব্যৱহাৰ আদিৰ উমান পোৱা যায়। দৰাচলতে শিল্পই নিৰ্দিষ্ট সমাজ তথা সংস্কৃতিৰ সমকালীন বাস্তৱতাৰ প্ৰকাশ ঘটায়। লগতে সমাজ-সংস্কৃতিৰ মান তথা স্তৰৰো ই পৰিচয় জ্ঞাপন কৰে।

শিল্পৰ জৰিয়তে শিল্পীগৰাকীৰ কলাসুলভ মনোভাৱ প্ৰকাশিত হয়। নীলমণি ফুকনৰ মতে,

“প্ৰকৃতিয়ে সজা সঁজুলি এৰি নিজাকৈ সঁজুলি সাজিবলৈ লোৱাৰ দিনাই নহ’লেও লাহে লাহে মানুহেই উন্মোচিত কৰিলে মানুহৰ ভাৱনাৰ কল্পনাৰ এখন অন্তহীন জগৎ; ৰূপ, ৰেখা, ছন্দ, বৰ্ণ, পোহৰ, বস্তুপুঞ্জ (Mass), বস্তুআয়তনৰ (Volume) সৌন্দৰ্যলোক — জীৱনবেদ। মানৱ অস্তিত্বৰ অন্তৰ্নিহিত ইন্দ্ৰজাল, প্ৰকৃতিৰ ছন্দ, বৰ্ণ, ৰূপ, পোহৰ আৰু কাম বাসনাই মানুহক শিল্পী ৰূপে গঢ়ি তুলিলে।”[২] শিল্পই বিভিন্ন ক্ষেত্ৰক সামৰি ল’ব পাৰে। সংগীত, নৃত্য, নাট্য, চিত্ৰ আদি সকলো এই ক্ষেত্ৰত ইয়াৰ পৰিসৰৰ অন্তৰ্ভুক্ত। প্ৰকাশ বা সৃষ্টিৰ মাধ্যম অনুসৰি সামগ্ৰিকভাৱে কলা দুই প্ৰকাৰৰ — চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলা (Visual Art) আৰু পৰিৱেশ্য কলা (Performing Art)। চিত্ৰ, স্থাপত্য, ভাস্কৰ্য, খোদনশিল্প আদি চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলা। অন্যহাতে সংগীত, নৃত্য, নাট্য আদিবোৰ পৰিৱেশ্য কলা। শিল্পৰ সৈতে চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলাৰ সমন্বয় ঘটিছে। অৰ্থাৎ যি কৰ্মত চাক্ষুষ কলাৰ সমন্বয় সাধন হৈছে, তাকে শিল্প হিচাপে অভিহিত কৰিব পাৰি। শিল্পৰ সৈতে সৌন্দৰ্যবোধ আৰু নান্দনিকতাৰ নিবিড় সম্পৰ্ক আছে। স্থাপত্যশিল্প, ভাস্কৰ্যশিল্প, চিত্ৰশিল্প, খোদনশিল্প ইত্যাদি শিল্পজাত সামগ্ৰীসমূহৰ লগতে লোক-সমাজত পৰম্পৰাগতভাৱে নিৰ্মাণ তথা ব্যৱহৃত হোৱা শিল্পবস্তু, যেনে — মৃৎশিল্প; ধাতুশিল্পসমূহৰ ভিতৰত তাম্ৰশিল্প, কাঁহ-পিতলশিল্প, অলংকাৰ শিল্প আদি; বয়নশিল্প, বাঁহ-বেতশিল্প আদিসমূহো শিল্পৰ বিশাল পৰিসৰে সামৰি লয়।

**২.২ শিল্পৰ সংজ্ঞা ঃ**

ইংৰাজী ‘আৰ্ট’ (Art) শব্দটোৰ সমাৰ্থক ৰূপত অসমীয়া ভাষাত ‘কলা’ শব্দটো ব্যৱহাৰ কৰা হয় যদিও ইয়াৰ বিশাল পৰিসৰে ‘ক্ৰাফ্‌ট’ (Craft) শব্দটোকো সামৰি লয়। মানসিক জগতত নিহিত হৈ থকা শিল্প-চেতনাৰ তাগিদাত মানুহে মানসিক পৰিতৃপ্তি লাভৰ বাবে সুসংবদ্ধভাৱে কোনো এটা বস্তু সৃজন কৰিলে, সিয়ে শিল্পকৰ্ম বা শিল্পকলা হিচাপে প্ৰতিভাত হয়। কলা (Art) সম্পৰ্কত অনলাইন Encyclopaedia Britannicaত এনেদৰে কোৱা হৈছে — “কলা যাক (ইয়াক আন কলাৰ পৰা পৃথক কৰিবলৈ) দৃশ্যকলা বুলিও কোৱা হয়; কৌশলগত দক্ষতা বা কল্পনাৰ জৰিয়তে সচেতনভাৱে সৃষ্টি কৰা ই এক দৃশ্যমান বস্তু নাইবা অভিজ্ঞতা। কলা শব্দটোত বিভিন্ন মাধ্যম, যেনে ঃ চিত্ৰাংকন, ভাস্কৰ্য, প্ৰিণ্টমেকিং, অংকন, আলংকাৰিক কলা, ফটোগ্ৰাফী আৰু পেলনীয়া সামগ্ৰীৰে প্ৰস্তুত কৰা কলাত্মক অভিব্যক্তি (installation) অন্তৰ্ভুক্ত হৈ থাকে।[৩]

অনলাইন Cambridge Dictionaryৰ মতে কলা হৈছে, “এনে কিবা এটা নিৰ্মাণ বা সৃষ্টি কৰা; যাৰ উদ্দেশ্য হৈছে সৌন্দৰ্য আৰু আকৰ্ষণীয়তা উপভোগৰ জৰিয়তে মানুহক আনন্দ প্ৰদান কৰা; বা প্ৰায়ে এই উদ্দেশ্যৰ বাবে তৈয়াৰ কৰা বস্তু, যেনে ঃ চিত্ৰ, অংকন বা ভাস্কৰ্য।”[৪] কলা সম্পৰ্কে সেই একে কথাকে অনলাইন Oxford Learner’s Dictionaryএও প্ৰকাশ কৰিছে এনেদৰে —কলা হৈছে “ধাৰণা

বা অনুভূতি প্ৰকাশ কৰিবলৈ কল্পনাৰ ব্যৱহাৰ, বিশেষকৈ চিত্ৰাংকন, অংকন বা ভাস্কৰ্যত। প্ৰশিক্ষণ বা অনুশীলনৰদ্বাৰা মানুহে বিকাশ কৰিব পৰা এক সামৰ্থ্য বা কৌশল।"[৫] এই সংজ্ঞাটোত সৃজন কৌশল বা দক্ষতাৰ লগতে প্ৰশিক্ষণ বা অনুশীলনৰ প্ৰসংগকো সামৰি লৈছে।

কলা সম্পৰ্কীয় উক্ত সংজ্ঞাসমূহত দৃশ্যমান কলা(Visual Art)ৰ উপাদানসমূহক শিল্পকলাৰ ধাৰণাৰ সৈতে সামৰা হৈছে। উদাহৰণস্বৰূপে — চিত্ৰাংকন, স্থাপত্য, ভাস্কৰ্য আদি। 'কলা'ৰ পৰিসৰ ইমান ব্যাপক যে মানুহে মানসিক আনন্দ বা পৰিতৃপ্তি লাভৰ বাবে তথা জীৱন-নিৰ্বাহৰ ভিন্ন উপলক্ষ্যত কল্পনা আৰু সৌন্দৰ্যৰ সহমিলনেৰে শিল্পসন্মত ৰূপত সৃষ্টি কৰা সকলো সম্পদকে ই সামৰি লয়। অৰ্থাৎ শিল্পসন্মত প্ৰতিটো কৰ্মত কলা নিহিত হৈ থাকে; আনহাতে কলাসুলভ প্ৰতিটো সৃষ্টিয়েই শৈল্পিক সৌন্দৰ্যৰে সমৃদ্ধ।

'হেমকোষ' অভিধানৰ মতে কলা হৈছে "বিদ্যা; শাস্ত্ৰত বৰ্ণিত ৬৪ বিধ বিদ্যা; যেনে, বিভিন্ন ভাষাৰ জ্ঞান, বিধিনুযায়ী গ্ৰন্থপাঠ, শাস্ত্ৰজ্ঞান, নাচ, গান, বাদ্য, নাট, শৰীৰ শৃংগাৰ, ৰন্ধন, সাজ-পোছাকেৰে সজোৱা, সূতা-বেজীৰ কাম, বাঢ়ৈৰ কাম, খননবিদ্যা, ধাতুবিদ্যা, অলংকাৰ বনোৱা, স্মৰণশক্তি বঢ়োৱাৰ কৌশল, ভৱিষ্যদ্বাণী কৰাৰ ক্ষমতা, ছলনাবিদ্যা, যাদু-বিদ্যা, ভূত-প্ৰেতাত্মা বশীকৰণ আদি, knowledge of the various branches of creative or practical activity ; *[ কলা বহলকৈ দুই শ্ৰেণীৰ— কাৰু কলা আৰু চাৰু, ললিত বা সুকুমাৰ কলা; কাৰু কলা (কাঠ, ধাতু, মাটি আদিৰ কাৰিকৰী শিল্প) হৈছে কোনো প্ৰায়োগিক কামত আয়ত্ত কৰা কৌশল বা নৈপুণ্য, practical and applied skills, the various crafts; চাৰু কলা (সংগীত, কবিতা, চিত্ৰবিদ্যা, ভাস্কৰ্য আৰু স্থাপত্য — এই পাঁচবিধ) মানুহৰ কল্পনা আৰু সৃজনীশক্তিৰ বহিঃপ্ৰকাশ বা প্ৰয়োগ, যি আনৰ মনত সৌন্দৰ্যবোধ আৰু নান্দনিক অনুভূতি জগায়, the fine art.]"*[৬] আনহাতে 'শিল্প' সম্পৰ্কত 'হেমকোষ'ত কৈছে —"যন্ত্ৰ বা হাতেৰে সজা বা গঢ়া কাম, বাঢ়ৈ, দৰ্জী, সোণাৰী আদিৰ কাম, any manual or mechanical art, চাৰু কলা, fine art."[৭] 'হেমকোষ'ৰ এই সংজ্ঞা দুটাই কেইবাটাও কথা স্পষ্ট কৰিছে। প্ৰথমতে, কলাৰ বিশাল পৰিসৰৰ অন্যতম প্ৰধান দিশ হিচাপে 'শিল্প'ৰ স্থান নিৰূপিত হৈছে। অৰ্থাৎ কলাৰ অন্তৰ্গতভাৱে শিল্পই ইয়াৰ কেইবাটাও দিশ সামৰি লয়। দ্বিতীয়তে, চাৰু কলা আৰু কাৰু কলা — উভয় কলাৰ বিভিন্ন দিশসমূহকে 'শিল্প' বুলি কোৱা হয়। অৰ্থাৎ কলা আৰু শিল্প— দুয়োটাৰে অৰ্থ ইমান অভিন্ন তথা সমাৰ্থক যে ইয়াৰ অন্তৰ্গত ভিন্ন দিশসমূহ দুয়োটা ধাৰণাৰ লগত জড়িত হৈ পৰে। শিল্প সম্পৰ্কে সেই একে কথাকে 'শৰাইঘাট অভিধান'এও এনেদৰে কৈছে — "কলা-কৌশলগত কাৰ্য; নিপুণতাৰ প্ৰয়োজন হোৱা কৰ্ম। art; craft"[৮] এই ক্ষেত্ৰত এটা কথা স্পষ্ট যে কলা (Art)ৰ আভিধানিক অৰ্থই দৃশ্যমান কলা বা চাৰুকলা (চিত্ৰ, স্থাপত্য, ভাস্কৰ্য আদি)ৰ লগতে কাৰুকলা বা কাৰিকৰী শিল্প (Craft)কো সামৰি লয়।

অৱশ্যে দুয়োবিধ কলাৰ মাজত লক্ষণীয় পাৰ্থক্য বিদ্যমান। কাৰুশিল্প বা কাৰুকলাৰ আভিধানিক অৰ্থ — "মাটি, শিল, কাঠ, বাঁহ-বেত, ধাতু আদিৰে সুন্দৰ বস্তু তৈয়াৰ কৰা শিল্প।"[৯] যাক হস্তশিল্প (Handicrafts) বুলিও অভিহিত কৰা হয়।

শিল্প সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। সেই মতসমূহে শিল্প সম্পৰ্কীয় সংশ্লিষ্টসকলৰ ধ্যান-ধাৰণা, দৃষ্টিভংগী প্ৰকাশ কৰাৰ লগতে শিল্পৰ তাত্ত্বিক ধাৰণাৰ প্ৰতিষ্ঠাত সহায় কৰিছে। কল্যাণ কুমাৰ গঙ্গোপাধ্যায়ৰ মতে, "লোকসমাজত মানুহে ৰূপসৃষ্টিৰ বাবে শব্দ, সুৰ, ৰেখা, ৰং ইত্যাদি অৱলম্বন কৰে। এই সকলো মাধ্যমৰ জৰিয়তে যি ৰূপ ফুটি উঠে, সি পাৰস্পৰিকভাৱে মানুহৰ মনঃসংযোগ গঢ়ি তোলে। ৰূপ তথা সৌন্দৰ্য ৰচনাৰ আবেগেই সকলো শিল্প প্ৰেৰণাৰ মূল কথা। শব্দ-ৰূপৰ বৈচিত্ৰ্য সম্পাদনৰ চেষ্টাতে গীত, বাদ্য, কাব্যৰ জন্ম হয়। আনহাতে ৰং আৰু আকাৰ গঢ়িবলৈ গৈয়ে সৃষ্টি হৈছে চিত্ৰ, ভাস্কৰ্য, স্থাপত্য আৰু কাৰুকৰ্ম। এই চেষ্টাৰ ফলশ্ৰুতিতে শিল্পৰ জন্ম হৈছে।"[১০] সংজ্ঞাটোত শিল্প সৃষ্টিৰ উৎস আৰু প্ৰেৰণা, প্ৰকাশৰ মাধ্যম আৰু সেই অনুসৰি শিল্পৰ ভিন্ন ৰূপসমূহৰ প্ৰসংগই প্ৰকাশ লাভ কৰিছে।

জীবেশ নায়কৰ মতে, "শিল্পিত ৰূপসৃষ্টি চিত্ৰানুকৰণৰ বাহিৰে আন একো নহয়। ছবি বা চিত্ৰ, বস্তু আৰু ভাৱৰ অনুকৃতি। এই অনুকৃত ৰূপেই মানৱ সমাজত শিল্পকলা নামে খ্যাত।"[১১] অৰ্থাৎ পৰম্পৰাগতভাৱে লোকসমাজত বস্তু আৰু ভাৱৰ অনুকৰণতেই যে শিল্প সৃষ্টি হৈ আহিছে, তাকে সংজ্ঞাটোত প্ৰকাশিত হৈছে।

শিল্প সম্পৰ্কত প্ৰকাশ কৰা নিৰ্মাল্য নাগৰ এটি মন্তব্য এনেধৰণৰ— "ব্যাপক অৰ্থত শিল্প হ'ল — আইডিয়া আৰু দক্ষতাৰ যুগ্ম সন্মিলন। শিল্পৰ লগত সমাজৰ ঘনিষ্ঠ সম্পৰ্ক আছে। সমাজ তথা পৰিৱেশ-পৰিস্থিতি যেনেকুৱা হয়; ঠিক সেইদৰে শিল্পও তেনেকুৱাই হয়। শিল্পই সময় আৰু সমাজৰ সমকালীন বাস্তৱতাৰ প্ৰতিফলন ঘটায়। শিল্পই অতীত আৰু বৰ্তমান অৱস্থাক নিয়ন্ত্ৰণ কৰি ৰাখে। শিল্পৰ ভাৱ আছে, অনুভূতি আৰু আবেগ আছে; আছে সূক্ষ্ম সহানুভূতি; যাক বুদ্ধিৰ জৰিয়তে বুজিব পাৰি। আবেগ-অনুভূতিৰ মাধ্যমেৰেহে শিল্পৰ ধাৰণা ল'ব পৰা যায়। ভাৱেই হ'ল শিল্পৰ মূল কথা।"[১২] সংজ্ঞাটোত শিল্পৰ স্বৰূপ আৰু ইয়াৰ বোধগম্যতাৰ প্ৰসংগ সুন্দৰকৈ প্ৰকাশিত হৈছে।

শিল্পৰ উৎপত্তি আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কত নীলমণি ফুকনে এনেদৰে প্ৰকাশ কৰিছে — "শিল্পকলাবোধ মানুহৰ দৈহিক প্ৰয়োজনৰ, সামাজিক, মানসিক অস্তিত্ব, প্ৰকৃতি আৰু মানুহৰ মাজত হোৱা সম্পৰ্ক আৰু মানৱীয় চেতনাৰপৰা উৎপত্তি হৈ বিকশিত হৈছে। কল্পনাশক্তি, সৃজনীশক্তি, বোধ-অনুভূতি, উপলব্ধি ক্ষমতা, মমত্ব আৰু মনুষ্যত্ববোধৰ অধিকাৰী হোৱাৰ নিমিত্তেই মানুহ শিল্পী।"[১৩] তেখেতে আকৌ কৈছে —"শিল্পকলা মানুহৰ জীয়াই থকাৰ এবিধ আহিলা বা সঁজুলি, মানৱ অস্তিত্বৰ অন্যতম অপৰিহাৰ্য প্ৰয়োজন; সি সামাজিক আৰু আধ্যাত্মিকো।"[১৪]

প্ৰদীপ নাথৰ মতে, “মানুহে যেতিয়া মানসিক পৰিতৃপ্তিৰ বাবেই মনৰ ভাৱ প্ৰকাশ কৰিবলৈ সু-সংযতভাৱে কিবা এটা স্ৰজন কৰে সিয়ে শিল্প। শিল্প মানেই যে চকুৰে দেখা বা হাতেৰে চুব পৰা বৈষয়িক বস্তু হ'ব লাগিব এনে কোনো কথা নাই, গান-নাচ-অভিনয় আদিৰ দৰে ভৌতিক বিষয়সমূহো শিল্পৰ ভিতৰত পৰে। মুঠতে নান্দনিকতা প্ৰকাশ কৰাকে শিল্প আখ্যা দিব পাৰি।”[১৫] নাথৰ এই সংজ্ঞাটোত শিল্প বিষয়ক তেখেতৰ মন্তব্যৰ লগতে শিল্পৰ বিশাল পৰিসৰ সম্পৰ্কীয় ধাৰণাও প্ৰকাশিত হৈছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে কলাৰ অন্তৰ্গত কাৰুকলা আৰু চাৰুকলাৰ বিভিন্ন দিশ তথা সম্পদক শিল্পই সামৰি লয়। মানুহৰ মন-মগজুত নিহিত হৈ থকা চিৰাচৰিত বুদ্ধি, কৰ্ষণশক্তি, সৌন্দৰ্যবোধ, কল্পনা আৰু সৃজনীপ্ৰতিভাৰ ফলশ্ৰুতিতে শিল্পই জন্ম লাভ কৰে আৰু সামাজিক প্ৰেক্ষাপটত সি অৱধাৰিত ৰূপত কৰ্ষিত আৰু বিকশিত হৈ সভ্যতা আৰু সংস্কৃতিৰ মান বৃদ্ধি আৰু সম্প্ৰসাৰিত কৰি তোলে। এই ক্ষেত্ৰত শিল্পৰ জৰিয়তে পাৰিপাৰ্শ্বিক অৱস্থা তথা সমকালীন বাস্তৱতাৰ প্ৰতিফলন ঘটাৰ লগতে সংশ্লিষ্ট সমাজৰ ৰুচিবোধ আৰু চিন্তা-নৈপুণ্যৰ আভাস পাব পাৰি।

## ২.৩ ভিন্নজাত শিল্পসমূহৰ ধাৰণা ঃ

শিল্পৰ প্ৰকাশ-কৌশল, শিল্প নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা উপাদান তথা মাধ্যম, শিল্পৰ প্ৰকৃতি বা বৈশিষ্ট্য, শিল্প সৃষ্টিৰ পদ্ধতি ইত্যাদি অনুসৰি ভিন্নজাত শিল্পৰ নিৰ্মাণ তথা সৃষ্টি দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত বিমূৰ্ত শিল্প, চাৰুশিল্প বা সুকুমাৰ কলা, কাৰুশিল্প বা কাৰুকলা আদি শিল্পসমূহৰ কথা উল্লেখ কৰিব পাৰি।

### ২.৩.১ বিমূৰ্ত শিল্প (Abstract Art) ঃ

যি শিল্পৰ জৰিয়তে শিল্পীগৰাকীয়ে নিজৰ মনৰ ভাৱ-অনুভূতিবোৰ প্ৰকাশ্য বা সাকাৰ ৰূপত অৱতাৰণা নকৰি বিভিন্ন ধাৰণা বা প্ৰতীকৰ সহায়ত অপ্ৰকটভাৱে উপস্থাপন কৰে, তেনে শিল্পকে বিমূৰ্ত শিল্প বুলি কোৱা হয়। এনে শিল্প সাধাৰণতে ভাৱমূলক হয়, য'ত দৃশ্যমান বাস্তৱতাক হুবহু বা সঠিকভাৱে ৰূপায়িত নকৰি আকৃতি, ৰং, ৰূপ, ভংগী, চিহ্ন আদিৰ জৰিয়তে একোটা অৰ্থ বা ধাৰণা জ্ঞাপন কৰিবলৈ প্ৰয়াস কৰা হয়। অনলাইন Encyclopedia Britannicaৰ মতে বিমূৰ্ত শিল্প হৈছে, “যাক অবস্তুনিষ্ঠ কলা বা অপ্ৰতিনিধিত্বমূলক কলা, চিত্ৰকলা, ভাস্কৰ্য বা গ্ৰাফিক কলা বুলিও অভিহিত কৰা হয়। এনে শিল্পত দৃশ্যমান পৃথিৱীৰ উপাদানবোৰৰ চিত্ৰায়নে সামান্য বা কোনো বিশেষ ভূমিকা পালন কৰিব নোৱাৰে। এনে শিল্পত মুখ্যতঃ বিমূৰ্ত বুলি ক'ব পৰা উপাদানৰে গঠিত, যেনে ঃ ৰূপ, ৰং, ৰেখা, সুৰ আৰু গঠন-বিন্যাস আদি।”[১৬] প্ৰদীপ নাথৰ মতে, “শিল্পীয়ে যেতিয়া নিজৰ মনৰ ভাব সহজ-সৰলভাৱে প্ৰকাশ কৰে, তাকে বিমূৰ্ত শিল্প বোলে। ৰূপৰ মাজত অৰূপৰ প্ৰকাশেই হ'ল বিমূৰ্ত শিল্পৰ প্ৰধান অৱলম্বন। শিল্পীয়ে

বিমূৰ্ত শিল্প সৃষ্টিৰ ক্ষেত্ৰত বিষয়টোৰ অনুৰূপহে প্ৰকাশ কৰিব খোজে। বিষয়টোৰ হুবহু ৰূপ ইয়াত পোৱা নাযায়। ইয়াত শিল্পীয়ে সুনিৰ্দিষ্ট বিষয় বা চৰিত্ৰবোৰ নিজা ধৰণে সৃষ্টি কৰে।"[১৭] অৰ্থাৎ এনে শিল্পত শিল্পীগৰাকীয়ে বৌদ্ধিক চাতুৰ্যৰে নিজৰ ধ্যান-ধাৰণা, চিন্তন, মননক একোটা নিৰ্দিষ্ট শৈলীৰে ৰূপ দান দিব বিচাৰে। কেতিয়াবা শিল্পীগৰাকীয়ে এনে শিল্পৰ জৰিয়তে আৰোপ কৰা বা প্ৰকাশ কৰা নিৰ্দিষ্ট ধাৰণা বা অৰ্থ পাঠক-দৰ্শক-শ্ৰোতাই গ্ৰহণ কৰা অৰ্থৰ সৈতে সাদৃশ্য নেথাকিবও পাৰে। পাঠক-দৰ্শক-শ্ৰোতাৰ গ্ৰহণ ক্ষমতা অনুসৰি এনে শিল্পৰ ধাৰণা বা অৰ্থ ভিন্ ভিন্ হ'ব পাৰে।

**২.৩.২ চাৰু শিল্প বা সুকুমাৰ কলা** (Fine Art) **ঃ**

চাৰুশিল্প বা সুকুমাৰ কলা হৈছে এক প্ৰকাৰৰ চাক্ষুষ বা দৃশ্যমান কলা, যাৰ জৰিয়তে শিল্পীয়ে নিজৰ বৌদ্ধিক উদ্দেশ্যক নান্দনিক আৰু অৰ্থপূৰ্ণ কৰি তুলিবলৈ প্ৰচেষ্টা কৰে। এই কলাৰ ভিতৰত বিশেষকৈ চিত্ৰাংকন, ভাস্কৰ্যশিল্প, গ্ৰাফিক্স আৰু স্থাপত্যশিল্পক অন্তৰ্ভুক্ত কৰা হয়। প্ৰদীপ নাথৰ মতে, "মানুহৰ উন্নত আৰু সুন্দৰ তথা সুকুমাৰ বৃত্তিসমূহ যি শিল্পৰ দ্বাৰা প্ৰভাৱিত হয়, সেই শিল্পই সুকুমাৰ কলা; যাক ইংৰাজীত Fine Art বোলা হয়।[১৮] ব্যাৱহাৰিক উপযোগিতাৰ পৰিৱৰ্তে এনে শিল্পৰ মূল বিশেষত্ব হৈছে সৌন্দৰ্য সৃষ্টি কৰা। দৰ্শক তথা মানুহক আনন্দ প্ৰদানৰ উদ্দেশ্যতে শিল্পীয়ে নিজৰ সৌন্দৰ্য-চেতনা এনে শিল্পৰ জৰিয়তে তীব্ৰতৰ ৰূপত প্ৰকাশ কৰে। সেই সম্পৰ্কে জীবেশ নায়কে কৈছে, "চারুশিল্প বস্তুসীমা অতিক্রম করে বিশুদ্ধ আবেগ ও আনন্দের মূর্তি রচনা করে, একে বিশুদ্ধ শিল্প বলা যায়। সৃষ্টির যে আনন্দ চারুকলার স্রষ্টা মশগুল সমাজও তার মর্যাদা বোঝে।"[১৯]

চাৰুশিল্পৰ আন এটা বৈশিষ্ট্য হ'ল ৰূপ আৰু অৰ্থৰ আন্তঃসম্পৰ্ক। ৰূপ অৰ্থৰ প্ৰতীক হিচাপে এনে শিল্পত প্ৰকাশ পায়। জ্যোতিষ কুমাৰ ডেকাৰ মতে, "নান্দনিকতাৰ দিশৰপৰা বৈশিষ্ট্যপূৰ্ণ চিত্ৰ ৰচনাকে চাৰু কলা বা সুকুমাৰ শিল্প বোলা হয়।"[২০] দৰাচলতে শিল্পী এজনে শিল্পকৰ্ম এটা সৃজনৰ সময়ত তেওঁ মানসিক স্তৰত লাভ কৰা সৃজনাত্মক আনন্দ, উত্তেজনা, সৃষ্টিৰ মৌলিকত্বৰ আধাৰত চাৰুশিল্পক কাৰুশিল্পৰ পৰা পৃথক কৰি দেখুৱাব পাৰি। মানৱ সভ্যতাৰ বিকাশৰ প্ৰথমাৱস্থাত মানুহৰ হাতত কাৰুশিল্পৰ সৃষ্টি হৈছিল বুলি কোৱা হয়। পৰৱৰ্তী সময়ত কাৰুৰ মাজতেই চাৰুশিল্পই বিকাশ লাভ কৰে। শিল্পকলাৰ ক্ৰমবিকাশৰ ইতিহাসত চাৰুশিল্পই কাৰুশিল্পৰ অংগাংগীভাৱে আৰু পৰৱৰ্তী সময়ত কাৰুৰ পৰা আঁতৰি আহি সম্পূৰ্ণ স্বতন্ত্ৰভাৱে বিকাশ লাভ কৰিবলৈ সক্ষম হয়। আধুনিক কালত চাৰুশিল্পই স্বমহিমাৰে নিজৰ অস্তিত্ব প্ৰকাশ কৰি শিল্পৰ জগতত নতুন নতুন ভাৱ-ৰীতিৰে বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে।

**২.৩.৩ কাৰু শিল্প বা কাৰুকলা** (Craft) **ঃ**

কায়িক পৰিশ্ৰমৰ জৰিয়তে আৰু ব্যাৱহাৰিক প্ৰয়োজনৰ উদ্দেশ্যে যিবোৰ শিল্পকৰ্ম তৈয়াৰ কৰা হয়, সেয়াই কাৰুশিল্প। লোকসমাজত নাৰী-পুৰুষসকলে জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন হৈ

পৰম্পৰাগতভাৱে হাতেৰে কিছুমান শিল্পবস্তু সৃষ্টি কৰে। এই শিল্পবস্তুৰ নামেই কাৰুশিল্প বা হস্তশিল্প।[২১] জ্যোতিষ কুমাৰ ডেকাৰ মতে, "যি শিল্প মূলতঃ মানুহৰ বিভিন্ন প্ৰয়োজনৰ পিনে লক্ষ্য ৰাখি কৰা হয়, তাকেই কাৰুশিল্প বোলা হয়।"[২২] সেই একে কথাকে প্ৰদীপ নাথেও ব্যক্ত কৰিছে এনেদৰে —"যি শিল্প মানুহে দৈনন্দিন জীৱনৰ মানসিক আৰু বৈষয়িক প্ৰয়োজনৰ বাবে সৃষ্টি কৰে, তাকে কাৰুকলা বা কাৰুশিল্প বোলে।[২৩] এই সম্পৰ্কত জীবেশ নায়কৰ মন্তব্য এনেধৰণৰ —"কারুশিল্প পুরাতন এবং তার বিকাশ ঘটেছে ব্যাপকভাবে। কারুশিল্প কারিগরের দক্ষ হাতে তৈরি দ্রব্যসামগ্রী। তাই কারুশিল্পের কাজ হল বস্তুগত উপকরণ তৈরি। তবে এরা মানুষের সুন্দর ভাবে মেটায়।"[২৪] অৱশ্যে সকলো কাৰুশিল্পজাত সামগ্ৰীৰ দৈনন্দিন জীৱনত বাস্তৱসন্মত ব্যাৱহাৰিক প্ৰয়োজন নাথাকে; তাৰে কেতবোৰ উৎপাদিত সামগ্ৰীয়ে মানুহৰ মানসিক স্তৰকো পৰিতৃপ্ত কৰে। আন কথাত ক'বলৈ গ'লে, যিবোৰ শিল্পজাত সামগ্ৰী যান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰস্তুত নকৰি হাতৰ কলাত্মক দক্ষতাৰ দ্বাৰা উৎপাদিত কৰা হয়, নান্দনিক তথা সৃষ্টিশীল বস্তু হিচাপে যিয়ে মানুহৰ মনক আকৰ্ষণ কৰিব পাৰে; জাতিগত তথা সাংস্কৃতিক-সামাজিক প্ৰতীক হিচাপে যিয়ে কেতিয়াবা কোনো এখন সমাজৰ পৰম্পৰা বা সমসাময়িক শিল্প-চেতনাৰ প্ৰকাশ ঘটায়; তদুপৰি যিবোৰ সাংস্কৃতিক উপাদানৰ বাস্তৱিক জীৱনত ব্যাৱহাৰিক উপযোগিতা থাকিবও পাৰে বা নাথাকিবও পাৰে, হ'লেও সৌন্দৰ্যবৰ্দ্ধক উপকৰণ হিচাপে সি মানুহৰ মনক সদায় আনন্দ প্ৰদান কৰে, তেনে শিল্পকে কাৰুশিল্প বুলি ক'ব পাৰি। সহজ অৰ্থত মাটি, শিল, কাঠ, বাঁহ-বেঁত, ধাতু আদিৰে তৈয়াৰ কৰা নান্দনিক শিল্পবস্তুকে কাৰুশিল্প বোলা হয়।[২৫] উদাহৰণস্বৰূপে, হাতৰ সহায়ত বাঁহ-বেঁতেৰে তৈয়াৰী বিভিন্ন সা-সঁজুলি, কাঁহ-পিতলৰ বাচন-বৰ্তন, কাঠৰ মূৰ্তি, পোৰা মাটিৰ পুতলা-মূৰ্তি, মাটিৰ পাত্ৰ, শিলৰ পৰা কাটি উলিওৱা মূৰ্তি, পাত্ৰ আদি।

কাৰুশিল্পই যেতিয়া ক্ৰমান্বয়ে অধিক লোকৰ মাজত প্ৰসাৰ লাভ কৰি সংশ্লিষ্ট সমাজৰ পৰম্পৰালৈ উন্নীত হয়, তেতিয়াই তাক লোকশিল্পৰ অন্তৰ্গত বুলি গণ্য কৰা হয়।

কাৰুশিল্প আৰু কাৰুকলাৰ মাজত পাৰ্থক্য আছে। কাৰুশিল্পজাত সামগ্ৰীবোৰক দৃষ্টিনন্দন কৰি তোলাৰ উদ্দেশ্যে কায়িক পৰিশ্ৰমেৰে যিবোৰ নক্সা অংকন কৰা হয়, সেইবোৰকে কাৰুকলা বোলে। অৰ্থাৎ ব্যাৱহাৰিক বস্তুবোৰকে সৌন্দৰ্য দান কৰাৰ স্বাৰ্থত জটিলতাবৰ্জিতভাৱে সহজ উপকৰণ বা হাতিয়াৰৰ দ্বাৰা হাতৰ কৌশলৰ অৱলম্বনেৰে যিবোৰ অলংকৰণ কৰা হয়, সেইবোৰকে কাৰুকলা বোলা হয়। 'বাংলাদেশের লোকশিল্প' গ্ৰন্থখনত 'কাৰুকলা'ৰ উল্লিখিত ধাৰণাকে ব্যক্ত কৰিছে এনেদৰে —"ব্যাবহারিক বস্তুকে সুষমা বা সৌন্দর্য্য দান করার উদ্দেশ্যে কায়িক কৌশলে তার যে অলংকরণ তার নাম কারুকলা।"[২৬] এই কাৰুকলা লোকশিল্প, হস্তশিল্প, ক্ষুদ্ৰ শিল্প, কুটিৰ শিল্প প্ৰভৃতি কাৰুশিল্পৰ মাজতে পৰিলক্ষিত হয়। সহজ ভাষাত, কাৰুশিল্পৰ বাহ্যিক অংশ বা ওপৰতহে কাৰুকলা প্ৰয়োগ কৰা হয়। কাৰুকলাত কৌশল

আৰু বুদ্ধি-বৃত্তিৰ অধিক প্ৰয়োগ হয়। কাৰুশিল্পক আৰু অধিক সমাদৃত, দৃষ্টিনন্দন আৰু সেই অনুসৰি ব্যাৱহাৰিক প্ৰসাৰ বৃদ্ধি কৰাৰ স্বাৰ্থত কাৰুকলাৰ প্ৰয়োজন অনস্বীকাৰ্য। তদুপৰি ইয়াৰ গুণগত মান আৰু চাহিদা বৃদ্ধি কৰাতো কাৰুকলাৰ অপৰিসীম ভূমিকা থাকে।

**২.৪ লোকশিল্পৰ ধাৰণা ঃ**

লোকশিল্প লোকজীৱনৰ আধাৰতে সৃষ্টি আৰু বিকাশ হয়। গ্ৰাম্য সমাজৰ মাজত গ্ৰাম্য জনজীৱনক কেন্দ্ৰ কৰি যিবোৰ শিল্পকলাৰ সৃষ্টি হয়, তাকেই লোকশিল্প বুলি কোৱা হয়। অৰ্থাৎ লোকশিল্প হ'ল কোনো এক ভৌগোলিক প্ৰাকৃতিক পৰিৱেশত অনাখৰী বা অল্পশিক্ষিত, গাঁৱলীয়া লোকৰ জীৱন, ধৰ্ম, বিশ্বাস, পূজা-পাৰ্বণ; মূলতঃ গ্ৰাম্য জীৱন দৰ্শনৰ ভিত্তিত চহা লোকৰ দ্বাৰা সৃষ্ট শিল্পকলা।[২৭] লোকশিল্পৰ মাজেৰে সমাজ-জীৱনৰ পৰম্পৰা আৰু ঐতিহ্যৰ আভাস পাব পাৰি।

'লোক' বুলিলে সাধাৰণতে গাঁৱৰ পৰিৱেশত বসবাস কৰা অনাখৰী, চহা বা সামান্যভাৱে লিখা-পঢ়া জনা কৃষিজীৱী মানুহখিনিকে বুজা যায়। গাঁৱৰ মাটি-পানীৰ লগত শাৰীৰিক আৰু আবেগিকভাৱে সম্পৰ্কিত গাঁও এখনৰ প্ৰতিজনৰে প্ৰতিটো কৰ্মৰে সমান অংশীদাৰিত্ব থাকে। সামাজিক-সাংস্কৃতিক বান্ধোনেৰে বান্ধ খাই থকা তেওঁলোকৰ প্ৰতিজন সদস্যৰে সামূহিক ঐক্য, পৰম্পৰা আৰু গোষ্ঠীবোধৰ প্ৰতি সহজাত আনুগত্য থাকে। তেওঁলোক ভিন্ন বংশ তথা ধৰ্ম-বিশ্বাসৰ অধিকাৰী হ'লেও একেধৰণৰ সামাজিক বিশ্বাস, আচাৰ-নীতি, একে অৰ্থনীতি আদিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ মনোভাৱ তথা মানসিকতা অভিন্ন; সহযোগী আৰু সমভাগী। তেওঁলোক স্থিৰ আৰু থিতাপি লোৱা সীমাবদ্ধ আকাংক্ষা আৰু উপাৰ্জনৰ মানুহ, উমৈহতীয়া নিৰ্দিষ্ট এক জীৱন-দৰ্শনৰো অধিকাৰী।[২৮] 'লোক' শব্দৰ অৰ্থ সম্পৰ্কত ধ্ৰুৱকুমাৰ তালুকদাৰে কিছু বিস্তৃতভাৱে কৈছে— "এক সুনিৰ্দিষ্ট অঞ্চলত বসবাস কৰা গ্ৰাম্য মানৱ গোষ্ঠী, যিয়ে সুদীৰ্ঘ কাল জুৰি তেওঁলোকৰ জাতিগত একোটা প্ৰাচীন ঐতিহ্যক বহন কৰি জীৱন নিৰ্বাহ কৰে, সেই মানৱ গোষ্ঠীয়েই হ'ল 'লোক' গোষ্ঠী। এই লোক-সম্প্ৰদায় নাগৰিক পৰিৱেশ আৰু নাগৰিক প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত। যিটো অঞ্চলত তেওঁলোক বসবাস কৰে, তাৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশৰ দ্বাৰা তেওঁলোক বিশেষভাৱে প্ৰভাৱিত হয়। তেওঁলোকৰ চিন্তা-ভাৱনা, আশা-বিশ্বাস-সংস্কাৰ, প্ৰথা, ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত একোটা বিশেষ বৈশিষ্ট্য থাকে। তেওঁলোকৰ মাজত কোনো কৃত্ৰিমতা নাথাকে, স্বভাৱত সৰল আৰু একোটা পৰম্পৰা ৰক্ষা কৰি তেওঁলোকে জীৱন নিৰ্বাহ কৰে।"[২৯] আনহাতে 'শিল্প' শব্দৰ সাধাৰণ অৰ্থ হৈছে — কলা-কৌশলগত বা কাৰিকৰী কাৰ্য; নিপুণতাৰ প্ৰয়োজন হোৱা কৰ্ম, যেনে ঃ চাৰুশিল্প আৰু কাৰুশিল্প। সেই অনুসৰি অনাখৰী বা চহা লোকৰ হাতৰ পৰশত সৃষ্ট শিল্পকৰ্মসমূহেই হ'ল 'লোকশিল্প'। কোনো এক শিল্পকৰ্ম লোকশিল্প হিচাপে পৰিগণিত হ'বলৈ হ'লে সি নিৰ্দিষ্ট এক জনসমষ্টিৰ মাজত বংশানুক্ৰমিক বা পৰম্পৰাগতভাৱে একেধৰণৰ ৰূপাঙ্গ (motif)

বা নক্সাৰ প্ৰয়োগেৰে তৈয়াৰী হ'ব লাগিব। অৰ্থাৎ একাধিক লোকৰ দ্বাৰা সৃষ্ট কাৰুশিল্পৰ মাজত একেই লৌকিক ফৰ্ম (Form) বা ৰূপাঙ্গৰ প্ৰয়োগ হ'লে, সিয়ে লোকশিল্প হিচাপে স্বীকৃতি লাভ কৰে। আন কথাত, একাধিক লোকৰ মিলিত প্ৰচেষ্টাত নিৰ্দিষ্ট শৈলী বা ৰূপাঙ্গসমৃদ্ধ যিবোৰ কাৰুশিল্পৰ সৃষ্টি হয়, তাকে লোকশিল্প বোলে। লোকশিল্পই যেতিয়া দেশীয় সংস্কৃতিৰ পৰিচয় বহন কৰে, তেতিয়াই সি ঐতিহ্যবাহী লোকশিল্প হিচাপে পৰিচিতি লাভ কৰে।

মানুহে সমাজ পাতি বাস কৰাৰে পৰা পৃথিৱী কৰ্ষণ কৰি শস্য উৎপাদন কৰিবলৈ শিকিলে। কৃষিক কেন্দ্ৰ কৰি মানুহৰ মাজত যিদৰে লৌকিক আচাৰ-অনুষ্ঠান, গীত-মাত-নৃত্যৰ সৃষ্টি আৰু বিকাশ হ'ল, ঠিক সেইদৰে জৈৱিক প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত মানুহে বস্তুগত সৃষ্টিৰ প্ৰেৰণা বিচাৰি পালে। আনহাতে মানুহৰ চিৰন্তন সৃজনীশীলতা আৰু সৌন্দৰ্যান্বেষণ-অনুভূতিৰ পৰিপ্ৰেক্ষিতত নিজে সৃষ্টি কৰি লোৱা বস্তুগত উপাদানসমূহত সৌন্দৰ্য-চেতনাৰ বহিঃপ্ৰকাশ ঘটিল। মানুহ নিজেই শিল্পীলৈ পৰ্যবসিত হ'ল। নিত্য ব্যৱহাৰ্য সা-সঁজুলি, বাসোপযোগী ঘৰ-দুৱাৰ তথা সকলোধৰণৰ আচবাব নিৰ্মাণৰ ক্ষেত্ৰত মানুহৰ অন্তৰত পুঞ্জীভূত হৈ থকা শিল্পীসুলভ চিন্তা-চেতনাৰ অংকুৰণ ঘটিল। তদুপৰি মানুহে মানসিক পৰিতৃপ্তি লাভৰ বাবেও প্ৰকৃতিৰ ৰং-ৰূপ, ৰেখা-ছন্দ-বৰ্ণ আৰু বস্তুপুঞ্জৰ অনুকৰণত নিজৰ সৃষ্টিশীল চেতনাৰে, হৃদয়ৰ ভাৱানুভূতিৰে পৰম্পৰাগতভাৱে বিবিধ শিল্পবস্তু নিৰ্মাণত ব্ৰতী হ'ল। কাজেই লোক-জীৱনৰ আধাৰত লোকশিল্পৰ বিবিধ উপাদান, সা-সঁজুলি আদিৰ সৃষ্টি আৰু বিকাশ হ'বলৈ ধৰে। লোকশিল্পৰ উপাদানসমূহে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিক অৱস্থা, লোকবিশ্বাস, আচাৰ-আচৰণ আদি দিশসমূহৰ প্ৰকাশ ঘটায়। ইয়াৰ দ্বাৰা সভ্যতা আৰু সংস্কৃতিৰ স্তৰ বা মানো প্ৰকাশিত হয়।

**২.৪.১ লোকশিল্পৰ সংজ্ঞা ঃ**

'লোকশিল্প' ভৌতিক সংস্কৃতিৰ এক অন্যতম অধ্যয়নীয় দিশ। অনাখৰী চহা লোকৰ হাতৰ পৰশতে লোকশিল্পৰ উৎপত্তি হয় আৰু গ্ৰাম্য সমাজ-জীৱনৰ পটভূমিতে সি বৰ্তি থাকে। অৱশ্যে 'লোক' আৰু 'শিল্প' — এই দুয়োটা শব্দৰ সংযোগত সৃষ্ট 'লোকশিল্প'ৰ অৰ্থগত তাৎপৰ্য তথা পৰিধি উপলব্ধি কৰা সিমান সহজ নহয়। August Panyellaই 'Folk Art of the Americas' গ্ৰন্থত সেয়ে কৈছে, "'লোকশিল্প'ৰ অভিব্যক্তিত কেৱল 'শিল্প' শব্দটোৰেই বুজি পোৱা কঠিন নহয় ঃ 'লোক' শব্দটোও সমানে সমস্যাজনক।"[৩০] তাত্ত্বিক দৃষ্টিভংগীৰে লোকশিল্পৰ বিষয়ে বিভিন্নজনে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। সেইসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

অনলাইন Encyclopedia Britannicaত লোকশিল্পৰ বিষয়ে এনেদৰে সন্নিবিষ্ট আছে — "লোকশিল্প মূলতঃ কাৰ্যকৰী বা উপযোগী দৃশ্য কলা, যি হাতৰ সহায়ত (বা সীমিত যান্ত্ৰিক সুবিধাৰে) সৰু

এটা পৰিসীমাবদ্ধ গোটৰ ব্যৱহাৰৰ উদ্দেশ্যে সৃষ্টি কৰা হয়; য'ত দীৰ্ঘদিনীয়া পৰম্পৰাৰে ই বৰ্তি থাকে। লোকশিল্প উপযোগী অথচ নান্দনিক নিৰ্মাণ আৰু সামগ্ৰী উৎপাদনৰ জৰিয়তে এক নিৰ্দিষ্ট পৰিৱেশৰ ভিতৰত সভ্যতাৰ অভিমুখে মানৱ সংগ্ৰামৰ সৃষ্টিশীল অভিব্যক্তি।... লোকশিল্পই জনসাধাৰণৰ শিল্পক বুজায়। যিটো উচ্চ, উন্নত সমাজত শিল্পৰ মূলসুঁতি গঠন কৰা অভিজাত বা পেছাদাৰী উৎপাদনৰ পৰা পৃথক।"[৩১] সংজ্ঞাটোত লোকশিল্প বিষয়ক কেইবাটিও বিশেষত্ব প্ৰতীয়মান হৈছে —

(ক) লোকশিল্প হস্ত নিৰ্মিত বা সীমিত যান্ত্ৰিক প্ৰক্ৰিয়াৰে ব্যাৱহাৰিক প্ৰয়োজনৰ উদ্দেশ্যে ইয়াক নিৰ্মাণ কৰা হয়।

(খ) নিৰ্দিষ্ট এক জনসমষ্টিৰ মাজত দীৰ্ঘদিনীয়া পৰম্পৰাৰে লোকশিল্প জীয়াই থাকে।

(গ) লোকশিল্প মানৱ সভ্যতাৰ সৃষ্টিশীল চেতনাৰ প্ৰকাশ।

(ঘ) লোকশিল্প সৰ্বসাধাৰণ লোকৰ শিল্প। অভিজাত বা পেছাদাৰী শিল্পৰ পৰা ই সম্পূৰ্ণ পৃথক।

Warren E. Robertsএ 'Folklore and Folklife' শীৰ্ষক গ্ৰন্থত সন্নিবিষ্ট 'Folk Crafts' শীৰ্ষক প্ৰবন্ধত কৈছে, "লোকশিল্পসমূহ কি কি? ইয়াত পৰম্পৰাগত উপাদানসমূহৰ প্ৰাথমিক গুৰুত্ব আছে আৰু সেয়ে লোকশিল্পক পৰম্পৰাগত শিল্প বুলি সাধাৰণভাৱে ক'ব পাৰি। প্ৰকৃততে, এনেবোৰ শিল্পকৰ্মত পৰম্পৰাৰ কাৰ্যকলাপ বিশেষ স্পষ্টতাৰে দেখা পোৱা যায়। তুলনামূলকভাৱে কিছু কাল আগলৈকে এটা পৰিয়ালৰ ভিতৰতে বহু প্ৰজন্ম ধৰি শিল্পকৰ্মৰ নিৰ্মাণ-কৌশল আৰু চানেকিবোৰ প্ৰচলিত হৈ আছিল।"[৩২] লোকশিল্পৰ নিৰ্মাণ তথা ইয়াৰ প্ৰচলন যে মূলতঃ পৰম্পৰা আধাৰিত, তাকে সংজ্ঞাটোৰ জৰিয়তে বিশেষভাৱে প্ৰকাশিত হৈছে।

লোকশিল্পত শিল্পীৰ মৰ্যাদা তথা গুৰুত্ব বিশেষ আলোচিত নহয়। কাৰণ এই শিল্প ব্যক্তিবিশেষৰ শিল্প নহৈ সম্প্ৰদায়গত বা জাতিগত শিল্প হিচাপেহে পৰিচিতি লাভ কৰি সংশ্লিষ্ট সমাজৰ শৈল্পিক-চেতনাৰ পৰিচয় জ্ঞাপন কৰে। অৰ্থাৎ লোকশিল্প হৈছে একক আত্মপ্ৰকাশৰ সমান্তৰালভাৱে বিশেষ সমাজৰ সমূহীয়া অভিব্যক্তি। এজন শিল্পীয়ে ঐতিহ্য আধাৰিত স্মৃতিৰ সহায়ত ৰূপ সৃষ্টি কৰে। সেই ৰূপৰ সৈতে সমাজ তথা জাতিৰ ধ্যান-ধাৰণা আৰু শিল্পীজনৰ সৃজনীশীলতাৰ মিশ্ৰণ ঘটে। প্ৰবাহমান সামাজিক, সাংস্কৃতিক ঐতিহ্যৰ ধাৰাত নতুন জীৱনৰ নতুন তাৎপৰ্য নতুন অভিব্যক্তিৰে লোকশিল্পত প্ৰতীত হয়। লোকশিল্পৰ প্ৰবাহমান চৰিত্ৰ সম্পৰ্কে সৈয়দ মাহবুব আলমে কৈছে, লোকশিল্পৰ "বহমান ঐতিহ্যৰ ধাৰাতেই সৃষ্টি হয় নৱতৰ ঐতিহ্য। তাৰ প্ৰকাশ কেতিয়াবা বাস্তৱ, কেতিয়াবা প্ৰতীকধৰ্মী বা কেতিয়াবা সি ৰীতিসিদ্ধ। বিশ্বব্যাপি এই শিল্পৰ একক কোনো শৈলী বা ষ্টাইল নাথাকিলেও এটা সাদৃশ্য সৰ্বত্ৰতে পৰিলক্ষিত হয় — সেয়া হ'ল সৰলতা।"[৩৩] অৰ্থাৎ লোকশিল্প লোকসমাজৰ প্ৰবাহমান ঐতিহ্যৰ

ধাৰাত সৃষ্টি আৰু বিকাশ হ'লেও সমাজ অনুসৰি তাৰ শৈলীৰ পাৰ্থক্য থাকিব পাৰে। অৱশ্যে লোকশিল্প মাত্ৰকে তাত সৰলতা বিদ্যমান। আন এঠাইত তেখেতে স্পষ্টভাৱে আকৌ কৈছে —"আৱহমান কাল ধৰি লোকসমাজৰ সাধাৰণ মানুহৰ দৈনন্দিন জীৱন, ধৰ্ম-বিশ্বাস, লৌকিক আচাৰ-আচৰণ আৰু উৎসৱক কেন্দ্ৰ কৰি যি চাৰু আৰু কাৰুশিল্পৰ সৃষ্টি হৈছে, সিয়ে লোকশিল্প।"[৩৪] এই মতটোত সংস্কৃতিৰ অন্যান্য দিশ, যেনে ঃ ধৰ্ম, লোকবিশ্বাস, লোক আচাৰ-আচৰণ, লোক-উৎসৱ আদিৰ সৈতে যে লোকশিল্পৰ পাৰম্পৰিক নিবিড় সম্পৰ্ক আছে, সেই কথাকে সুন্দৰকৈ প্ৰতীয়মান হৈছে।

তুষাৰ চট্টোপাধ্যায়ৰ মতে, "অনভিজাত লোক-সমাজৰ শাস্ত্ৰানুযায়ী শিক্ষা নিৰপেক্ষ আৰু মূলতঃ ঐতিহ্যানুসৰি সমষ্টিগত চেতনাৰ প্ৰথাগত শৈল্পিক অভিব্যক্তিয়েই লোকশিল্প।[৩৫] এই সংজ্ঞাটোতো লোকশিল্পৰ কেইবাটাও বৈশিষ্ট্য প্ৰকাশিত হৈছে। সেয়া হৈছে —

(ক) লোকশিল্প অনভিজাত লোক-সমাজৰ সৃষ্টি;

(খ) লোকশিল্প শাস্ত্ৰ অনুগত তথা ই আনুষ্ঠানিক কলাৰ ধাৰক নহয়;

(গ) লোকশিল্প সমষ্টিগত চেতনাৰ ঐতিহ্যগত আৰু পৰম্পৰাগত শৈল্পিক অভিব্যক্তি।

মালেকা খানৰ মতে, "লোকশিল্পত এটা শান্ত স্নিগ্ধ চেহেৰাৰ চাপ থাকে। লোকশিল্পত পৰিৱেশৰ এটা পবিত্ৰতাৰ চাপো বিদ্যমান।... মানৰ-মনৰ মাধুৰী সনা নিজ হাতৰ দ্বাৰা সৃষ্ট শিল্পই লোকশিল্প।"[৩৬] এই সংজ্ঞাটোত লোকমনৰ নিভাঁত সৌন্দৰ্য-চেতনাৰ লগতে লোকশিল্পৰ সৈতে ওতপ্ৰোত সম্পৰ্ক থকা প্ৰকৃতি তথা পৰিৱেশৰ প্ৰসংগও উত্থাপিত হৈছে।

লোকশিল্প সম্পৰ্কে অজিৎ কুমাৰ মুখাৰ্জীয়ে কিছু বিস্তৃতভাৱে এনেদৰে ব্যাখ্যা কৰিছে— লোকশিল্প "লোক-ঐতিহ্যৰ ৰীতি আৰু তাৰ সকলো সৃষ্টি সেই বিশেষ সমাজৰ সম্পদ। সেই সমাজত তাৰ কোনো 'কপি ৰাইট' নাথাকে। সেই সুসংহত গ্ৰামীণ সমাজখন তাৰ ধাৰক আৰু বাহক, লোক-স্মৃতিত সি সংৰক্ষিত, লোক-কণ্ঠত সি গীত হিচাপেও নন্দিত।... ইয়াৰ সৃষ্টি-প্ৰক্ৰিয়াৰ মূল ৰূপ কেতিয়াবা কিছু ৰূপান্তৰিত হৈ তাৰ আবেদনৰ দিগন্ত অধিক প্ৰসাৰিত হয়। ... লোকশিল্পৰ ৰূপাঙ্গসমূহো সেইদৰে বিভিন্নজনৰ স্পৰ্শত নৱৰূপ ধাৰণ কৰি সহজ-সৰল আকৃতি গ্ৰহণ কৰে; বিশেষ সমাজৰ ৰূপৰ ধ্যান-ধাৰণা তাত প্ৰতিফলিত হৈ সি সৰল আৰু প্ৰতীকধৰ্মী হৈ উঠে। লোক-স্মৃতিত ৰক্ষিত এই শিল্পৰ অভিজ্ঞান প্ৰশিক্ষণ পৰম্পৰা হস্তান্তৰিত হৈ বিকশিত হয়।"[৩৭] অৰ্থাৎ সামাজিক পটভূমিত পৰম্পৰাগতভাৱে ৰক্ষিত তথা বিকশিত লোকশিল্প সাৰ্বজনীন; কোনো বিশেষ সমাজে লোকশিল্পক কেৱল নিজৰ বুলি কেতিয়াও দাবী কৰিব নোৱাৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে লোকশিল্পই বিৱৰ্তিত-পৰিৱৰ্তিত হৈ নৱৰূপেৰে আত্মপ্ৰকাশ কৰিব পাৰে।

নীলমণি ফুকনে কৈছে, "লোকশিল্পকলা সমাজ সত্যৰ গভীৰৰ পৰা, জনজীৱনৰ অন্তঃস্থলীৰপৰা

উৎসাৰিত হোৱা বস্তু আৰু সেইবাবেই ই জনজীৱনৰ পৰা অভিন্ন।" তেখেতে আকৌ কৈছে, লোকশিল্প "স্বপ্ন, স্মৃতি, ৰাগ-অনুৰাগ, হাঁহি-কান্দোন, আবেগ-অনুভূতি, সংস্কাৰ-কুসংস্কাৰ, বিশ্বাস-আচাৰ, ভয়-ভীতি, অৱসৰ-আলস্যেৰে ভৰা সহজ-সৰল, ইন্দ্ৰিয়বোধগত, ধৰ্মবোধগত, চিৰায়ত প্ৰাত্যহিক যৌথ লোক জীৱন আৰু প্ৰজ্ঞাৰ ই প্ৰাঞ্জল অভিব্যক্তি।"[৩৮] সংজ্ঞাটোৰ জৰিয়তে লোকশিল্প আৰু লোকজীৱনৰ প্ৰতিটো দিশৰ মাজৰ প্ৰগাঢ় সম্বন্ধ আৰু অভিন্নতাৰ কথাকে প্ৰকাশিত হৈছে।

লোকশিল্প সম্পৰ্কত প্ৰদীপ নাথৰ বক্তব্য এনেধৰণৰ —"সৰ্বসাধাৰণ লোকৰ মাজত প্ৰচলিত কলাই লোকশিল্প। ইয়াক সমাজৰ সকলো স্তৰতে প্ৰত্যক্ষ কৰা যায়।"[৩৯] অৰ্থাৎ লোকশিল্প যে অনভিজাত আৰু অনাখৰী লোকৰ শিল্প, সেই কথাকে তেখেতে ক'ব বিচাৰিছে।

এনেদৰে লোকশিল্প সম্পৰ্কত বিভিন্নজনে বিভিন্নধৰণে নিজা নিজা অভিমত প্ৰকাশ কৰিছে। সংজ্ঞা অনুসৰি প্ৰত্যেকটোতে লোকশিল্পৰ বিভিন্ন দিশৰ প্ৰসংগ উত্থাপিত হৈছে। লোকশিল্পৰ চাৰিত্ৰিক বৈশিষ্ট্য, ৰূপ, আকাৰ-প্ৰকাৰ ইমান বিচিত্ৰ আৰু বিশাল যে এটা মাত্ৰ সংজ্ঞাতে তাৰ সকলো দিশৰ প্ৰকাশ সম্ভৱ নহয়। একেটা সংজ্ঞাতে লোকশিল্পৰ সামগ্ৰিক ধাৰণা প্ৰতিফলিত নহ'লেও লোকশিল্পৰ স্বৰূপ আৰু প্ৰকৃতি তথা ইয়াৰ তাত্ত্বিক আলোচনাৰ অগ্ৰগতিত ইবোৰে ভূমিকা পালন কৰিছে। উল্লিখিত সংজ্ঞাসমূহৰ ভিত্তিত ক'ব পাৰি যে লোকশিল্পজাত প্ৰতিটো সামগ্ৰী গ্ৰাম্য অনাখৰী বা অল্পশিক্ষিত লোকৰ জীৱন, কৰ্ম, ধৰ্ম, পূজা-পাতল, বিশ্বাস আদিৰ আধাৰত সম্পূৰ্ণ ভৌগোলিক-প্ৰাকৃতিক পৰিৱেশত সৃষ্টি আৰু বিকাশ হয়। লোকশিল্পই নিৰ্দিষ্ট এক সমাজৰ ঐতিহ্যগত তথা পৰম্পৰাগত শৈল্পিক চেতনাৰ প্ৰকাশ ঘটায়। লোকশিল্পক এক চলমান শিল্প হিচাপেও অভিহিত কৰিব পাৰি। কাৰণ ঐতিহ্যবাহী আৰু প্ৰবাহমান শিল্প হিচাপে ইয়াৰ কোনো স্থায়ী ৰূপাঙ্গ, প্ৰতীক তথা অলংকৰণ চিৰস্থায়ী ৰূপত চিৰকালৰ বাবে লোকসমাজত ৰক্ষিত হৈ নাথাকে। লোকশিল্পৰ বিকাশমান যাত্ৰাত ই সদ্য নৱতৰ ঐতিহ্যৰ সৃষ্টি কৰে। কোনো ৰক্ষণশীল মতবাদৰ দ্বাৰা সুশৃংখলিত নহৈ এই শিল্পই লোকায়ত ঐতিহ্যৰ ভেটিতে পুনঃপ্ৰৱৰ্তিত হৈ বিকাশৰ পথত অগ্ৰসৰ হয়।

**২.৪.২ লোকশিল্পৰ বৈশিষ্ট্য ঃ**

লোকশিল্প স্বতঃস্ফূৰ্ত আৰু অকৃত্ৰিম। গ্ৰাম্য চহা শিল্পীপ্ৰাণ লোকসমাজে চৌপাশত অৱস্থান কৰি থকা প্ৰাকৃতিক পৰিৱেশৰ সৈতে একাত্ম হৈ জীৱন যাপনৰ অবিচ্ছেদ্য অংগ হিচাপে প্ৰাকৃতিক উপকৰণৰ সহায়ত বা প্ৰভাৱত বৈচিত্ৰ্য-বৈবিধ্য লোকশিল্পজাত সামগ্ৰীসমূহ সৃষ্টি কৰে — নানা গঢ়েৰে, আকাৰে বা নক্সাৰে। লোকশিল্পৰ বিচিত্ৰ ৰূপ, ইয়াৰ শৈলী তথা নক্সা, চিত্ৰকল্প আদি প্ৰাকৃতিক পৰিৱেশৰ পৰাই লোকশিল্পীসকলে আহৰণ কৰে। এনে কাৰণতে লোকশিল্পক প্ৰকৃতি তথা পৰিৱেশৰ প্ৰত্যক্ষ অৱদান বুলিও অভিহিত কৰিব পাৰি। প্ৰকৃতিৰ সকলো উপকৰণ লোকশিল্পত বিদ্যমান। কাৰণ প্ৰকৃতি তথা

পৰিৱেশৰ জীৱন যাপনকাৰী হিচাপে মানুহে লোকশিল্পৰ সৃষ্টিত প্ৰকৃতি আৰু পৰিৱেশৰ সকলো উপকৰণৰ স্বাভাৱিক বৈশিষ্ট্য, গুণ, নমনীয়তা, বৰ্ণাঢ্যতা, সৃজনাত্মক কাৰুকাৰ্য, স্বচ্ছতা, ঔজ্জ্বল্য, দ্যুতিগুণ ইত্যাদিৰ সৈতে ঘনিষ্ঠ হৈ লোকশিল্পৰ সৃষ্টি-প্ৰক্ৰিয়াত সেই গুণ তথা বৈশিষ্ট্যবোৰকে আৰোপ কৰে। সেয়ে ইয়াৰ আবেদন সৰল, অকৃত্ৰিম, নিভাঁজ, পোনপটীয়া আৰু অনাড়ম্বৰ।

গাঁৱৰ সাধাৰণ মানুহৰ অন্যতম এক সাংস্কৃতিক ফচল হ'ল লোকশিল্প। গাঁৱলীয়া সাধাৰণ মানুহৰ সহজ-সৰল জীৱন-প্ৰণালীৰ পৰিপ্ৰেক্ষিতত লোকশিল্পও সেইবাবে সচল, প্ৰবহমান আৰু ক্ৰমপুঞ্জিত ধাৰাৰে ধাৰাবাহিক। প্ৰতিনিয়ত সাংস্কৃতিক সমাহৰণ (Acculturation) আৰু পৰিব্যাপ্তিকৰণ (Diffusion) প্ৰক্ৰিয়াৰ ধাৰাত ই সৃষ্টিৰ নতুন নতুন পথ পায়, ৰূপান্তৰিত হয়।...মূল বৈশিষ্ট্যৰ ৰূপৰেখা, কাঠামো আৰু আবহমান কালৰ ঐতিহ্যক ই যিদৰে ধাৰণ কৰে, সেইদৰে সময়সাপেক্ষে ব্যৱহাৰিক উপযোগিতাৰে বৰ্তি থকাৰ সম্ভাৱনীয় গুণসমূহকো সি গ্ৰহণ কৰি ৰূপান্তৰিত হৈ আহিছে। ...ৰূপান্তৰৰ প্ৰক্ৰিয়াৰ মাজেৰে বিৱৰ্তিত লোকশিল্পৰ প্ৰবহমানতা, চিৰায়ত গুণৰাজিয়ে সকলো কালৰ মানুহকে মোহিত, অনুপ্ৰাণিত তথা একাত্ম কৰি ৰাখিছে।[৪০] কাৰণ লোকশিল্পৰ মূল আধাৰেই হ'ল লোক-জীৱনৰ প্ৰাণ-প্ৰাচুৰ্য আৰু প্ৰবাহ, প্ৰকৃতি আৰু জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা, প্ৰকৃতিৰ বিভিন্ন ৰূপ, গুণ, বৰ্ণ, ছন্দ আৰু লীলাৰ সৈতে লোকমনৰ আত্মিক সম্পৰ্ক, কৃষিৰ লগত জড়িত শ্ৰম আৰু বিশ্বাসৰ জৰিয়তে লাভ কৰা ঐতিহ্য আৰু প্ৰবাহমানতা। নিৰ্মাণৰ ক্ষেত্ৰতো আছে প্ৰাচীন পদ্ধতি, পৰম্পৰা আৰু সৰলতা। লোকজীৱনৰ সৰল, নিৰ্মল ৰূপ আৰু জীৱন-দৰ্শনৰ ই দাপোনস্বৰূপ। এনেবোৰ কাৰ্যকাৰণেৰে সমৃদ্ধ লোকশিল্পৰ মাজত সেয়ে স্বকীয় বৈশিষ্ট্য বিদ্যমান। তলত লোকশিল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হৈছে—

**২.৪.২.১ লোকশিল্প সাৰ্বজনীন ঃ**

সাৰ্বজনীনতা লোকশিল্পৰ এক বিশেষ বৈশিষ্ট্য। ইয়াৰ সৃষ্টিৰ উৎস একক হৈও সময়ত সি সাৰ্বজনীন ৰূপ লাভ কৰে। এই প্ৰসংগত নীলমণি ফুকনে কৈছে, "লোকশিল্পকলা সাৰ্বজনীন। সৰ্বত্ৰই লোকশিল্পকলাৰ আবেদন পোনপটীয়া, সহজ, প্ৰত্যক্ষ আৰু অনাড়ম্বৰ; ই সৰল আৰু অকৃত্ৰিম। এই সৰলতাৰ, অকৃত্ৰিমতাৰ মূল হ'ল জীৱনক সৰলভাৱে গ্ৰহণ কৰাৰ উল্লাস আৰু গৌৰৱ।"[৪১]

**২.৪.২.২ লোকশিল্প ৰূপান্তৰধৰ্মী ঃ**

লোকশিল্পই ৰূপান্তৰৰ মাজেৰে নৱ-নতুন ৰূপ লাভ কৰে। এই ৰূপান্তৰ সামাজিক-সাংস্কৃতিক কাৰণৰ পৰিপ্ৰেক্ষিতত সম্পন্ন হয়। ইয়াৰ ফলত লোকশিল্পৰ ৰূপ, গঢ়, আকাৰ-প্ৰকাৰ, বৈশিষ্ট্য আদি বিচিত্ৰধৰ্মী হৈ উঠে। এই ৰূপান্তৰ কম সময়ৰ ব্যৱধানতে সম্পন্ন নহয়। সময় অনুসৰি লোকমন তথা সমাজ-পৰিৱেশৰ প্ৰয়োজন, দৃষ্টিভংগী তথা চাহিদা অনুসৰি লোকশিল্পীসকলে পূৰ্বপুৰুষৰ পৰা আহৰণ কৰা নিৰ্মাণ-কৌশল আৰু ঐতিহ্যৰ আধাৰতে নিজস্ব উদ্ভাৱনী শক্তিৰ সংযোগত চিৰায়ত প্ৰাকৃতিক

সমলৰ প্ৰয়োগেৰে নৱ নৱ সাজেৰে, ৰং-ৰূপেৰে লোকশিল্পক বিচিত্ৰতা, বিবিধতা দান কৰে। এই প্ৰসংগত সৈয়দ মাহমুদূল হাসানে কৈছে, "লোক আৰু কাৰুশিল্প সাংস্কৃতিক ঐতিহ্যৰ ধাৰাত লোকমনৰ চাহিদা, ৰুচিৰ সৈতে তাল মিলাই তথা আধুনিক বিশ্ববজাৰৰ চাহিদাৰ নিৰিখ অনুসৰি সময়, কালৰ ব্যৱধানত ক্ৰমাগত ৰূপান্তৰ প্ৰক্ৰিয়াৰে প্ৰবাহমান, সক্ৰিয় হৈ থকাৰ শক্তি আৰু সম্ভাৱনাক ধাৰণ কৰি থাকে।"[৪২]

**২.৪.২.৩ লোকশিল্প পৰিৱেশকেন্দ্ৰিক ঃ**

লোকশিল্পই নিৰ্দিষ্ট সমাজৰ চৌপাশে অৱস্থান কৰি থকা প্ৰকৃতি আৰু পৰিৱেশ অনুসৰি ৰূপ লাভ কৰে। নিৰ্দিষ্ট একোখন সমাজৰ প্ৰকৃতি তথা পৰিৱেশত উপলব্ধ তথা অন্তৰ্ভুক্ত সমল, যেনে ঃ মাটি, গছ-গছনি, ফল, ফুল, গছপাত, বীজ ইত্যাদিৰ স্বাভাৱিক গুণ, বৈশিষ্ট্য, নমনীয়তা, বিবিধতা, সৌন্দৰ্য আদিয়ে সংশ্লিষ্ট সমাজৰ লোকশিল্পক বৰ্ণাঢ্য, স্বতন্ত্ৰ আৰু বিশেষ বৈশিষ্ট্যযুক্ত কৰি তোলে।

**২.৪.২.৪ লোকশিল্প সমাজকেন্দ্ৰিক ঃ**

লোকশিল্প গ্ৰাম্য সমাজৰ সৃষ্টি। সেই সমাজখনেই ইয়াৰ ধাৰক আৰু বাহক। গ্ৰাম্য সমাজৰ সামাজিক আচাৰ-অনুষ্ঠান, ধৰ্মীয় বিশ্বাস, সৌন্দৰ্য-চেতনা, আবেগ-অনুভূতি, ব্যাৱহাৰিক উপযোগিতা, সমাজ-বাস্তৱতা, সামাজিক আদৰ্শ, নিৰ্মল জীৱন-দৰ্শন, মূল্যবোধ আদি লোক-জীৱনৰ সকলো দিশ লোকশিল্পৰ মাজেৰে বিভিন্ন শৈলী, ৰং, ৰূপ, আকাৰ-প্ৰকাৰ আৰু মাধ্যমৰ জৰিয়তে বিশেষ ৰূপত মূৰ্ত হৈ উঠে।

**২.৪.২.৫ লোকশিল্প লোকজীৱনৰ অভিন্ন অংগ ঃ**

লোকশিল্প লোকজীৱনৰ নিত্য প্ৰয়োজনীয় আৰু নিত্য ব্যৱহাৰ্য উপাদান। ইয়াৰ অবিহনে লোকজীৱনৰ অস্তিত্ব নাথাকে। সমাজৰ গভীৰৰ পৰা, জনজীৱনৰ অন্তঃস্থলীৰ পৰা ই নিৰ্গত আৰু বিকশিত হয়। ইয়াৰ উৎস কোনো এক ভৌগোলিক, প্ৰাকৃতিক পৰিৱেশৰ লোকজীৱন, লোকধৰ্ম, লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, উছৱ-পাৰ্বণ।[৪৩] সেইবাবে ই জনজীৱনৰ অভিন্ন অংগ।

**২.৪.২.৬ লোকশিল্প অনামী ঃ**

লোকশিল্পৰ সৃজনকৰ্তাৰ নাম জনা নাযায়। অনন্য সৌন্দৰ্য, শৈলী আৰু ৰূপেৰে কোনে, কেতিয়া ইয়াৰ বিবিধ উপাদানসমূহ সৃষ্টি কৰিলে, সেই বিষয়ে ইতিহাস নিমাত। অৱশ্যে মধ্যযুগ তথা তাৰ পৰৱৰ্তী সময়ৰ পৰা সামাজিক তথা ধাৰ্মিক ক্ষেত্ৰত ব্যৱহৃত তথা প্ৰযোজ্য কেতবোৰ শিল্পৰ উৎপত্তি তথা সেইবোৰৰ ৰূপ প্ৰদান কৰোঁতাসকলৰ বিষয়ে কিছু কথা জানিব পৰা যায়। এই সম্পৰ্কে নীলমণি ফুকনে উল্লেখ কৰিছে, "মোগল ৰাজত্বৰ আগলৈকে সমগ্ৰ ভাৰতীয় শিল্পকলায়েই আছিল অনামী; ক'ৰবাত দুই-এজন শিল্পীৰ নামহে পোৱা যায়। ডি. ডি. কোসাম্বীয়ে এই নামবিহীনতা উন্নত সামন্তবাদী যুগৰ লক্ষণ বুলি কৈছে।... বজাৰ অৰ্থনীতিৰ উত্থানৰ লগে লগে ব্যক্তি শিল্পীৰ ধাৰণাটো বিকশিত হয় বুলি বহুজনেই মত প্ৰকাশ কৰিছে। আৰু

এই ব্যক্তিশিল্পীৰ ধাৰণাটোৰ বিকাশৰ লগে লগেই শিল্পীৰ কামত নাম দিয়াটো বা থকাটো অপৰিহাৰ্য হৈ পৰে।"[৪৪] অৱশ্যে প্ৰায়বোৰ লোকশিল্পৰ সৃষ্টিকৰ্তাৰ নাম এই ক্ষেত্ৰত পাবলৈ নাই।

**২.৪.২.৭ লোকশিল্প পৰম্পৰাগত ঃ**

লোকজীৱনৰ আধাৰত লোকশিল্পৰ পৰম্পৰাগতভাৱে বিকাশ সাধন হয়। ই পুত্ৰপৌত্ৰাদিক্ৰমে হাত বাগৰা বিদ্যা। ইয়াৰ ঠাঁচ প্ৰায় একেটা, ইয়াৰ প্ৰকাশভংগী সৰল, ৰেখাবোৰ বলিষ্ঠ আৰু ৰং-ৰহণ চকু চাট মাৰি ধৰা।[৪৫] অৱশ্যে মূল ঐতিহ্য বা ৰূপৰ গাত পৰিৱৰ্তনৰ প্ৰলেপ লাগিলেও ই কেতিয়াও বিকৃত হৈ নুঠে। সমাজত প্ৰচলিত পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান অনুসৰি ইয়াৰ সৃষ্টি আৰু ব্যৱহাৰো সেইদৰে পৰম্পৰা অনুসৰিয়েই হয়।

**২.৪.২.৮ লোকশিল্প স্থিতিশীল ঃ**

লোকশিল্পৰ আন এটা বৈশিষ্ট্য হ'ল ই স্থিতিশীল। ইয়াৰ কাৰিকৰী কৌশলগত উন্নতি বুলিবলৈ বিশেষ থল নাথাকে। সেয়ে সময় অনুসৰি নানান আদান-প্ৰদানৰ মাজেৰে তথা ভিন্ন শিল্পীৰ হাতত পৰি ইয়াৰ বাহ্যিক ৰেহ-ৰূপৰ কিছু পৰিৱৰ্তন হ'লেও ইয়াৰ মূল ৰূপে বৰ বিশেষ পৰিৱৰ্তন বা বিস্তৃতি লাভ কৰিব নোৱাৰে বা নকৰে। অন্যথা সি লোকশিল্পৰ স্বাভাৱিক ঐতিহ্য আৰু গৰিমাৰে সমৃদ্ধ হৈ নাথাকিব।

**২.৪.২.৯ লোকশিল্প অপ্ৰতিনিধিত্বমূলক ঃ**

লোকশিল্প মূলতঃ অপ্ৰতিনিধিমূলক। অৰ্থাৎ লোকশিল্পীজনে কোনো এটা শিল্পবস্তু সৃষ্টি কৰোঁতে মূলৰ অবিকল ৰূপটো গ্ৰহণ নকৰে। বস্তু এটা দেখি হোৱা তেওঁৰ কাল্পনিক বোধ বা ধাৰণাৰ পৰাহে তেওঁ ৰূপ দান কৰে। প্ৰয়োগ-কুশলতা, প্ৰকাশ দক্ষতা আৰু উপকৰণৰ চৰিত্ৰ অনুসৰি বস্তু এটাৰ মূল আৱয়বিক বৈশিষ্ট্যখিনি যিমান সম্ভৱ সিমান সৰলীকৃত ৰূপত তেওঁ প্ৰকাশ কৰিব পাৰে। বিষয়টোৰ বা বস্তুটোৰ লগত তেওঁ এনে এটা গভীৰ সম্পৰ্ক গঢ়ি তোলে আৰু দৃশ্যগত ৰূপক এনেকৈ আয়ত্ত বা আত্মসাৎ কৰে যে আৱয়বিক বিকৃতিয়ে তাৰ বক্তব্যক দুৰ্বোধ্য আৰু অভিব্যক্তিক অস্পষ্ট নকৰি অধিক প্ৰাঞ্জল আৰু ব্যঞ্জনাময় কৰিহে তোলে।[৪৬]

**২.৪.২.১০ লোকশিল্প শাস্ত্ৰ অনুগত নহয় ঃ**

লোকশিল্পৰ সৃষ্টি আৰু প্ৰকাশ স্বতঃস্ফূৰ্ত। শিল্পীসকলে পূৰ্বাপৰ চলি অহা পৰম্পৰা আৰু লোকস্মৃতিৰ আধাৰতহে ইয়াক পুনৰ সৃষ্টি আৰু নিৰ্মাণ কৰে। সেইবাবে লোকশিল্পক শিল্পৰ পুনঃসৃষ্টি বুলিও ক'ব পাৰি। লোকশিল্পীসকলে শিল্পশাস্ত্ৰ নাজানে। কমাৰ, কুমাৰ, বাঢ়ৈ, তাঁতী আৰু হালোৱাই শাস্ত্ৰৰ পৰা তেওঁলোকৰ কৰ্মজ্ঞান আয়ত্ত নকৰে। গঠন বিশুদ্ধতা তেওঁলোকৰ লক্ষ্য নহয়, তেওঁলোকৰ লক্ষ্য প্ৰতীতি জন্মোৱা; প্ৰতীকী ৰূপ এটাৰ সৃষ্টি কৰা।

**২.৪.২.১১ লোকশিল্পৰ অস্তিত্ব সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰশীল ঃ**

সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজনীয়তাই লোকশিল্পক জীয়াই ৰাখিছে। ইয়াৰ প্ৰতিটো সৃষ্টি কিবা নহয় কিবা সামাজিক কামত ব্যৱহাৰ হয়। প্ৰতিটো শিল্পকৰ্মই সমূহীয়া ভাৱৰ চহা প্ৰকাশ আৰু প্ৰায়োগিক মূল্যৰে ই সমূহীয়া সম্পত্তি। লোকশিল্পৰ স্ৰষ্টাজন এক ব্যক্তিসত্তাৰ প্ৰতিনিধি যদিও তেওঁৰ সেই চিন্তা-চেতনা, কল্পনা-অনুভূতি, অভিজ্ঞতা আদি তেওঁ বসবাস কৰি থকা অঞ্চল আৰু সমাজখনৰ পৰাহে আহৰিত। সেয়েহে তেওঁৰ শিল্পকৰ্মত ব্যক্তিসত্তাৰ কোনো স্বাক্ষৰ দিব নোখোজে। তেওঁ আপোন প্ৰাণস্পন্দনেৰে সৃষ্টি কৰা সেই শিল্পকলাই সমাজত কিবা নহয় কিবা এটা দিয়ে। তাৰ বিনিময়ত তেওঁ কোনো শৈল্পিক মৰ্যাদা নিবিচাৰে। বৰঞ্চ ইয়াৰ দ্বাৰা তেওঁ জীৱিকাহে আহৰণ কৰে।[৪৭] অৰ্থাৎ শিল্প সৃষ্টিৰ জৰিয়তে লোকশিল্পীজনে অৰ্থনৈতিক চাহিদা পূৰণ কৰে।

**২.৪.২.১২ লোকশিল্প সৰল আৰু অকৃত্ৰিম ঃ**

লোকশিল্প নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা প্ৰায়বোৰ উপকৰণ যিদৰে প্ৰকৃতি আৰু পৰিৱেশৰ পৰা আহৰণ কৰা, সেইদৰে ইয়াৰ আকাৰ, গঢ়, নক্সা, আৰ্হি আদিও প্ৰকৃতিৰ অফুৰন্ত সৌন্দৰ্য আৰু বৈশিষ্ট্যৰ পৰাই শিল্পীসকলে আহৰণ কৰে। প্ৰকৃতি আৰু পৰিৱেশ হৈছে মৌলিক গঢ় আৰু নক্সাৰ ৰূপকাৰ, সৃষ্টিকলাৰ ভাণ্ডাৰ। প্ৰকৃতিৰ মাজত উপলব্ধ গঢ়, নক্সা আদিকে চয়ন কৰি লোকশিল্পীয়ে নিজস্ব উদ্ভাৱনী প্ৰতিভাৰে ভিন্ন কৌশল আৰু দক্ষতাৰে বিচিত্ৰ গঢ়, আকাৰ, ৰং-ৰূপেৰে ভিন্ন শিল্পবস্তু তৈয়াৰ কৰে। অৰ্থাৎ প্ৰকৃতিৰ উপাদানৰ মাজতে নিহিত আৰ্হি আৰু গুণকে লোকশিল্পীসকলে আত্মসাৎ কৰি শিল্প সৃষ্টি প্ৰক্ৰিয়াত তাক ব্যৱহাৰ কৰে। সেইবাবে লোকশিল্পৰ মাজত শৈল্পিক নমনীয়তা বিদ্যমান। তদুপৰি ই সৰল, অকৃত্ৰিম, স্থূল আৰু অনাড়ম্বৰপূৰ্ণ।

**২.৪.২.১৩ লোকশিল্প ঐতিহ্য নিৰ্ভৰ ঃ**

লোকশিল্পই ঐতিহ্যৰ আধাৰতে বিকাশ লাভ কৰে। নিৰ্দিষ্ট সময় আৰু যুগৰ সামাজিক-পাৰিপাৰ্শ্বিক অৱস্থা তথা পৰিস্থিতি অনুসৰি ইয়াৰ বাহ্যিক ৰূপত ৰূপান্তৰৰ চাপ পৰিলেও ইয়াৰ মূল ঐতিহ্যৰ কোনো হানি-বিঘিনি নঘটে। সেইবাবে ই পৰিৱৰ্তনশীল হৈও স্থিতিশীল; সজীৱ আৰু স্বতঃপ্ৰবৃত্ত।

**২.৪.২.১৪ লোকশিল্পত গ্ৰাম্য সমাজ-ভাৱনাৰ প্ৰতিফলন ঘটে ঃ**

লোকশিল্প গ্ৰাম্য সমাজ-জীৱনৰ সহজ-সৰল ভাৱ তথা জীৱন-দৰ্শনৰ প্ৰতিৰূপস্বৰূপ। গ্ৰাম্য সৰল, শাশ্বত শিল্প-চেতনা আৰু আকাংক্ষাৰ ই মূৰ্ত অভিব্যক্তি। গাঁৱৰ সাধাৰণ মানুহৰ চিন্তা-চেতনাৰ আধাৰত লোকশিল্পৰ সৃষ্টি আৰু নিৰ্মাণ হয়।

**২.৪.২.১৫ লোকশিল্প সৃষ্টিৰ উৎস লোক-জীৱন ঃ**

কোনো এক ভৌগোলিক, প্ৰাকৃতিক পৰিৱেশত বসবাস কৰি থকা সৰল লোক-জীৱনৰ মাজত

প্ৰতিপালিত হৈ থকা আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, লোক-ধৰ্ম, লোকবিশ্বাস আদিয়েই লোকশিল্পৰ প্ৰধান উৎস। নিৰ্দিষ্ট এক সমাজৰ এনেধৰণৰ কৰ্ম-কাণ্ডসমূহৰ লগত লোকশিল্প প্ৰত্যক্ষভাৱে ব্যৱহৃত হয়। গতিকে সমাজৰ সাংস্কৃতিক বিভিন্ন দিশসমূহৰ ভেটিত লোকশিল্পই প্ৰাণ পাই উঠে।

**২.৪.২.১৬ লোকশিল্পত লোক-প্ৰযুক্তিৰ প্ৰয়োগ হয় ঃ**

লোক-প্ৰযুক্তিৰ জৰিয়তে লোকশিল্পৰ নিৰ্মাণ তথা উৎপাদন হয়। ইয়াত উন্নত কাৰিকৰী কৌশল বা প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ নঘটে। যি পদ্ধতি বা কাৰিকৰী কৌশলৰ সহায়ত লোকশিল্প নিৰ্মাণ কৰা হয়, সেই পদ্ধতি পৰম্পৰাগত তথা প্ৰথানুগত। আধুনিক কৌশলৰ প্ৰৱেশ ঘটিলে, লোকশিল্পই স্বমৰ্যাদা হেৰুৱাব।

**২.৪.২.১৭ লোকশিল্প জাতিগত তথা পাৰিবাৰিক শিল্প ঃ**

বহু ক্ষেত্ৰত লোকশিল্পই একোটা বিশেষ জাতিৰ বৃত্তিগত পৰিচয় বহন কৰে। অৰ্থাৎ লোকশিল্প বিশেষ এক শ্ৰেণী লোকৰ জাতিগত বৃত্তিৰ ফচল। অসমীয়া লোকসমাজত সেইবাবে লোকশিল্প অনুসৰি বিভিন্ন জাতিগোষ্ঠীৰ নাম সততে উচ্চাৰিত হয়। যেনে — কঁহাৰ, কমাৰ, কুমাৰ, সোণাৰী, তাঁতী, খনিকৰ, হীৰা আদি। তদুপৰি লোকশিল্প মূলতঃ পৰিয়ালকেন্দ্ৰিক। পৰিয়াল সূত্ৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মই লোকশিল্পৰ নিৰ্মাণ-কৌশলৰ জ্ঞান আয়ত্ত কৰে আৰু তেওঁলোকৰ মাজতে লোকশিল্পই বিকাশ লাভ কৰে।

**২.৪.২.১৮ লোকশিল্প বিশেষ সমাজৰ সমূহীয়া সম্পত্তি ঃ**

লোকশিল্পৰ প্ৰতিটো উপাদান ভিন্ন সামাজিক কাম-কাজত ব্যৱহাৰৰ উদ্দেশ্যে নিৰ্মাণ হয়। ইয়াৰ প্ৰতিটো শিল্পকৰ্মই সমূহীয়া ভাৱৰ চহা প্ৰকাশ আৰু প্ৰায়োগিকভাৱে মূল্যৰে ই সমূহীয়া সম্পত্তি। চহা গীতসমূহ যিদৰে 'দহৰ কথা, এজনৰ ভাষা'; ঠিক সেইদৰে দহৰ ভাৱ, এজনৰ কাম — এয়ে লোকশিল্পৰো মৰ্ম।

**২.৪.২.১৯ লোকশিল্পৰ আবেদন আৰু বক্তব্য নিৰ্দিষ্ট সীমাৰে বন্ধা ঃ**

লোকশিল্পৰ প্ৰকৰণ কৌশল, উপকৰণ, ধ্যান-ধাৰণা আদি পৰম্পৰাগত তথা বংশানুক্ৰমিক হোৱাৰ বাবে নিৰ্দিষ্ট পৰিধিৰ ভিতৰত থাকিয়ে লোকশিল্পীজনে নিজ শিল্পীসত্তাক প্ৰকাশ কৰিব লগা হয়। লোকশিল্পৰ পৰিৱৰ্তনহীন বিষয়বস্তু, আংগিক, শৈলী, নিৰ্মাণ-কৌশল, উপকৰণ, পুনৰাবৃত্তিমূলক চৰিত্ৰ, উদ্ভাৱন আৰু আৱিস্কাৰ-বিমুখতা, ভাৱব্যঞ্জনা শূন্যতা আদি বিশিষ্টতাৰ বাবে ইয়াৰ আবেদন আৰু বক্তব্য বহু ক্ষেত্ৰত নিৰ্দিষ্ট পৰিধিৰ মাজতে আৱদ্ধ। অৱশ্যে নিজ সৃজনশীল শক্তিৰ বলত কেতিয়াবা লোকশিল্পীয়ে সমাজ আৰু পৰম্পৰাৰ চাৰিসীমা ভাঙি ওলাই যায়। কিন্তু সেই ক্ষমতা আৰু দক্ষতা সকলো শিল্পীৰ নাথাকে।

### ২.৪.৩ লোকশিল্পত ৰূপাঙ্গ (Motif) ঃ

মানুহ প্ৰকৃতিৰ সন্তান। সেই অনুসৰি প্ৰকৃতিৰ সৈতে মানুহে আদিম কালৰে পৰা সহাৱস্থান কৰি প্ৰকৃতিৰ সকলো বৈশিষ্ট্য, গুণ, নমনীয়তা, বিবিধতা আদি গুণৰাজিৰ সৈতে ঘনিষ্ঠতা ৰাখিবলৈ মানুহ সক্ষম হৈছে। প্ৰকৃতিৰ সৃষ্টিসমূহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সম্পৰ্কীয় সম্যক অভিজ্ঞতা আহৰণ কৰিছে। প্ৰকৃতিৰ লগত থকা অবিচ্ছিন্ন সম্পৰ্কৰ পৰিপ্ৰেক্ষিততে লোকশিল্পত প্ৰকৃতি-জগতৰ পৰাই আহৰিত নানা ৰূপাঙ্গ (Motif) ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে সকলো লোকশিল্পত যে ৰূপাঙ্গৰ প্ৰয়োগ থাকিবই লাগিব, তাৰ কোনো বাধ্যবাধকতা নাই। লোকশিল্পৰ ৰূপাঙ্গ সম্পৰ্কত নীলমণি ফুকনৰ বক্তব্য এনেধৰণৰ — "কিছুমান অসমীয়া মৃৎপাত্ৰ, কাঠৰ পাত্ৰ, পাচি-খৰাহি, জপা, কাপোৰৰ ফুলত থকা চৰাই, পখিলা, গছ, ভোমোৰা, লতা, জোন, তৰা, কপৌ চৰাইৰ চকু, হাতী, চোৰাবীৰ সৈতে ঘোঁৰা; অলংকাৰত থকা জেঠী, শেন, মগৰ, মকৰা, পখিলা, শিলিখা, পাৰ পাণ আদি বাস্তৱ, প্ৰাকৃতিক ৰূপ একোটাই বিমূৰ্ত, অৰ্ধ-বিমূৰ্ত জ্যামিতিক, অলংকৃত, ৰূপাৰোপিত (stylised) ৰূপ একোটালৈ ৰূপান্তৰিত হোৱা দেখা যায়— অৰ্থাৎ বস্তুগত ৰূপ একোটাই ভাবগত (abstract) ৰূপ লয়। অৱশ্যে শৰাই, দুণৰি, ধূনাদানি, গছা, মুটকী, চাকুলি পাচি, বেৰাকাঁহী, মাইহাং, জাতিকাঁহী আৰু কাপোৰৰ ফুলত থকা কোণাকাৰ, হীৰক খণ্ডকাৰ আদি জ্যামিতিক নক্সাবোৰতেই নহয়, লোকশিল্পকলাত আৰু এনে কিছুমান বস্তুও আছে, যিবোৰ সম্পূৰ্ণৰূপে বিমূৰ্তধৰ্মী বা ভাবধৰ্মী চৰিত্ৰৰ।"[৪৮] অৰ্থাৎ প্ৰকৃতিজগত তথা জীৱজগতৰ বিবিধ উপকৰণক প্ৰতীক বা ৰূপক হিচাপে লোকশিল্পত ৰূপ দিয়াৰ লগতে লোকশিল্পত বিমূৰ্ত কেতবোৰ ৰূপাঙ্গয়ো স্থান লাভ কৰে। সুজয়কুমাৰ মণ্ডলে লোকশিল্পত প্ৰয়োগ হোৱা ৰূপাঙ্গসমূহক প্ৰকৃতি জগতকেন্দ্ৰিক, জীৱজগতকেন্দ্ৰিক, ব্যাৱহাৰিক জগতকেন্দ্ৰিক, সৌৰজগত কেন্দ্ৰিক আৰু জ্যামিতিক নক্সাকেন্দ্ৰিক — এই পাঁচটা ভাগত ভাগ কৰি দেখুৱাইছে।[৪৯] আনহাতে নীলমণি ফুকনে উক্ত পাঁচোটা ৰূপাঙ্গৰ উপৰিও বিমূৰ্তধৰ্মী বা ভাৱধৰ্মী ৰূপাঙ্গৰ কথাও উল্লেখ কৰিছে। সেই দৃষ্টিৰে লোকশিল্পত প্ৰয়োগ হোৱা ৰূপাঙ্গসমূহক নিম্নলিখিত ধৰণে ছয় ভাগত ভাগ কৰি দেখুৱাব পাৰি —

(ক) প্ৰকৃতি জগতকেন্দ্ৰিক (গছ, লতা, ফুল, পাত, ফল আদি);

(খ) জীৱ জগতকেন্দ্ৰিক (চৰাই, জীৱ-জন্তু, মাছ, কীট-পতংগ, মানুহ আদি);

(গ) বস্তু জগতকেন্দ্ৰিক (পাচি, খৰাহি, জপা, শৰাই, গছা, বিচনী, নাঙল আদি)

(ঘ) সৌৰজগতকেন্দ্ৰিক ( জোন, তৰা, বেলি)

(ঙ) জ্যামিতিক নক্সা (কৌণিক, বৃত্তাকাৰ, হীকৰ খণ্ডাকাৰ, ভিন্ন ৰৈখিক আদি)

(চ) বিমূৰ্ত ভাবধৰ্মী (প্ৰতীকী, নৈৰ্ব্যক্তিক, যাদুভিত্তিক, লোকাচাৰমূলক, লোক-পুৰাণভিত্তিক আদি)।

প্ৰকৃতি, জীৱজগত, বস্তুজগত আদি ৰূপাঙ্গসমূহৰ উৎস বাস্তৱ আৰু লোক-জীৱনভিত্তিক হ'লেও লোকশিল্পত সেইবোৰ বাস্তৱসন্মত ৰূপত পুনৰাবৃত্ত বা অনুকৃত নহয়; সি জীৱনৰ, বাস্তৱৰ সৃজনশীল প্ৰতিৰূপহে।

**২.৪.৪ লোকশিল্পৰ বিপণন ব্যৱস্থা ঃ**

লোকশিল্পই গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। ইয়াৰ নিৰ্মাণ আৰু বিপণন ব্যৱস্থাৰ উন্নয়নৰ জৰিয়তে সংশ্লিষ্টসকল অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে ইয়াৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত বজাৰ-ব্যৱস্থাৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। গতিকে লোকশিল্পৰ নিৰ্মাণ আৰু ইয়াৰ বিপণন সাম্প্ৰতিক পৰিপ্ৰেক্ষিতত অতি গুৰুত্বপূৰ্ণ। সম্প্ৰতি আমাৰ সমাজত লোকশিল্পৰ বিপণন পৰম্পৰাগত পদ্ধতি অনুসৰিয়েই হোৱা দেখা যায়। লোকশিল্পৰ বিপণনৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰা প্ৰধান কেন্দ্ৰ বা অনুষ্ঠানসমূহ হ'ল —মেলা, চৰকাৰী প্ৰতিষ্ঠান, বেচৰকাৰী প্ৰতিষ্ঠান, শিল্পীৰ নিজা ঘৰ (পাইকাৰী আৰু খুচুৰা), দোকান, ফেৰি আদি। এনে ব্যৱস্থাসমূহৰ জৰিয়তেই ঐতিহ্যগতভাৱে লোকশিল্পই গ্ৰাম্য অৰ্থনৈতিক ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি আহিছে।

সম্প্ৰতি লোকশিল্পৰ বিপণন ব্যৱস্থাটো প্ৰত্যক্ষ আৰু পৰোক্ষ— দুয়োটা ব্যৱস্থাৰ জৰিয়তে চালিত হৈ থকা দেখা যায়। প্ৰত্যক্ষ বিপণন ব্যৱস্থাৰ জৰিয়তে উপভোক্তাই উৎপাদনকাৰী শিল্পীৰ পৰা পোনপটীয়াকৈ শিল্পসামগ্ৰীসমূহ ক্ৰয় কৰে। এইক্ষেত্ৰত পাইকাৰী আৰু খুচুৰা —দুয়োটা দৰত শিল্পীসকলে উৎপাদিত শিল্পসামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ সক্ষম হয়। এই ব্যৱস্থাত শিল্পীসকলে উপভোক্তাৰ লগত পোনপটীয়াভাৱে সম্পৰ্ক স্থাপিত কৰাৰ সুবিধা লাভ কৰে বাবে ইয়াত তেওঁলোকে আকাংক্ষিত মূল্য লাভ কৰিবলৈ সক্ষম হয়। আনহাতে পৰোক্ষ পদ্ধতিত মধ্যভোগী এচাম ব্যৱসায়ীয়ে শিল্পীসকলৰ পৰা উৎপাদিত শিল্পসামগ্ৰীসমূহ ক্ৰয় কৰি মেলা, দোকান, ফেৰি, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আদি বিপণন-কেন্দ্ৰত বিক্ৰী কৰি মুনাফা আদায় কৰে। এই ব্যৱস্থাত শিল্পীসকলে সমুচিত শিল্প-মূল্য লাভ কৰাৰ পৰা বঞ্চিত হয়। কেতিয়াবা চৰকাৰী, অৰ্ধ-চৰকাৰী বা বেচৰকাৰী বিভিন্ন সংগঠন তথা সংস্থাই এটা নিৰ্দিষ্ট মূল্যত লোকশিল্পীসকলৰ পৰা বস্তু ক্ৰয় কৰি দেশৰ ভিন্ন ঠাইত প্ৰদৰ্শন কৰে বা বিক্ৰী কৰে। আকৌ চৰকাৰী বা ভিন্ন স্বেচ্ছাসেৱী সংস্থাই লোকশিল্পীসকলক কেঁচা সামগ্ৰী যোগান ধৰিও শিল্পসামগ্ৰী উৎপাদনৰ ব্যৱস্থা কৰা দেখা যায়। তেনেদৰে উৎপাদন কৰা শিল্পবস্তুসমূহো সংশ্লিষ্ট সংস্থাসমূহৰ অধীনস্থভাৱে ভিন্ন বিপণন-কেন্দ্ৰত প্ৰদৰ্শিত হোৱাৰ লগতে উপভোক্তাৰ বাবে মুকলি কৰি দিয়া হয়। তদুপৰি কেতবোৰ শিল্পজাত সামগ্ৰীৰ চাহিদা তথা উপযোগিতাৰ প্ৰতি দৃষ্টি ৰাখি লোকশিল্পীসকলক চৰকাৰী বা বেচৰকাৰীভাৱে একোটা নিৰ্দিষ্ট পৰিমাণৰ মজুৰি প্ৰদান কৰিও লোকশিল্পজাত সামগ্ৰীৰ উৎপাদনৰ ব্যৱস্থা কৰা দেখা যায়। সেই

উৎপাদিত সামগ্ৰীসমূহৰ মালিকীস্বত্বও লোকশিল্পীসকলৰ হাতত নাথাকে। বৰঞ্চ মজুৰি প্ৰদান কৰা সংশ্লিষ্ট সংস্থাই তেনে শিল্পবস্তুসমূহৰ বিপণনৰ ব্যৱস্থা গ্ৰহণ কৰে বা তাৰ মুনাফা ভোগ কৰে।

**২.৪.৫ লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্পৰ সম্পৰ্ক আৰু পাৰ্থক্য ঃ**

বাহ্যিক দৃষ্টিৰে চালে লোকশিল্প, কাৰুকলা আৰু চাৰুকলাৰ মাজত পাৰ্থক্য নাই যেন লাগিলেও ইয়াৰ নিৰ্মাণ-শৈলী, ব্যাৱহাৰিক উপযোগিতা, সামাজিক-সাংস্কৃতিক মূল্য আদি দৃষ্টিভংগীৰে তিনিওটাৰ মাজত পাৰ্থক্য বিদ্যমান। সেইদৰে তিনিওটা শিল্পৰ মাজত সম্পৰ্কও নথকা নহয়। তলত এই সম্পৰ্কে চমুকৈ উল্লেখ কৰা হৈছে —

**২.৪.৫.১ লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্পৰ সম্পৰ্ক ঃ**

লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্প — এই তিনিওবিধ শিল্প মানুহৰ সৃজনীশীলতা আৰু উদ্ভাৱনী শক্তিৰে পৰিণতি। চাক্ষুষ অভিব্যক্তিযুক্ত বাবে আটাইকেইবিধ শিল্পকে দৃশ্যমান, দৃষ্টিগ্ৰাহ্য বা চাক্ষুষ কলা বুলি কোৱা হয়। মানুহে জীৱন-ধাৰণৰ প্ৰয়োজনত প্ৰকৃতিৰ বিভিন্ন সমলৰ ব্যৱহাৰেৰে বস্তু-সংস্কৃতিৰ জন্ম দিলে। তাৰপৰাই কাৰুশিল্পৰ সৃষ্টি হ'ল। কাৰুশিল্পই যেতিয়া ব্যাপক জনসমাজৰ মাজত সমাদৃত হৈ পুৰুষ অনুসৰি প্ৰবাহমান ৰূপত পৰম্পৰালৈ ৰূপান্তৰিত হয়, তেতিয়া সি লোকশিল্প অভিধাৰে অভিহিত হয়। একেদৰে মানৱ সভ্যতা-সংস্কৃতিৰ বিৱৰ্তিত ধাৰাত মানুহে প্ৰাকৃতিক বস্তুসমূহৰ অনুকৰণেৰে তাৰ প্ৰতিৰূপ চিত্ৰ, ভাস্কৰ্য আদি ভিন্ন মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিবলৈ শিকিলে বা মানসিক জগতত উদয় হোৱা উন্নত মানৱ বিচিত্ৰ ভাৱৰাশিক প্ৰতীকাত্মক ৰূপত প্ৰকাশ কৰি সৌন্দৰ্যৰ মায়াজাল ৰচনা কৰিবলৈ প্ৰেৰণা লাভ কৰিলে। এনেদৰে মানুহৰ চিন্তা-চেতনা আৰু বোধ-ক্ষমতাক ৰহস্যময় সৌন্দৰ্যৰে আলোড়িত কৰিব পৰা শিল্পসমূহকে চাৰুশিল্প বা সুকুমাৰ কলা হিচাপে মানুহৰ মাজত আদৃত হ'বলৈ ধৰিলে। শিল্পৰ উৎপত্তি-সূত্ৰ তথা ক্ৰমবিকশিত ধাৰাৰ ভিত্তিত আটাইকেইবিধ শিল্পৰ মাজতে এটা আন্তঃসম্পৰ্ক বিদ্যমান। সেই ফালৰ পৰা লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্প — কোনোটো শিল্পই স্বতন্ত্ৰভাৱে বিকশিত হৈছে বুলি দাবী কৰিব নোৱাৰে। আনকথাত ক'বলৈ গ'লে কাৰুশিল্পৰ পৰাই ক্ৰমে ক্ৰমে লোকশিল্পই তথা সমান্তৰাল ৰূপত চাৰুশিল্পই বিকাশ লাভ কৰি শিল্পৰ জগতত স্বকীয় মৰ্যাদাৰে নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে। শিল্পৰ ক্ৰমবিকশিত ইতিহাসত প্ৰতিবিধ শিল্পই এই প্ৰসংগত এটা আনটোৰ পৰিপূৰক হিচাপে স্বতন্ত্ৰ পৰিচয় লাভ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে।

কাৰুশিল্প, লোকশিল্প আৰু চাৰুশিল্প — এই আটাইকেইবিধ শিল্প মানুহে জীৱনৰ প্ৰয়োজনীয়তাৰ খাতিৰত সৃষ্টি কৰি লৈছে। এই ক্ষেত্ৰত কাৰুশিল্প আৰু লোকশিল্পই মানুহৰ দৈনন্দিন জীৱনত সামাজিক, সাংস্কৃতিক তথা ধৰ্মীয় চাহিদা পূৰণ কৰাৰ লগতে চাৰুশিল্পই মানুহৰ মনৰ জগতত নান্দনিক চেতনাক পৰিতৃপ্ত কৰি আহিছে। মানুহৰ বাস্তৱিক জীৱনৰ প্ৰয়োজনীয়তাৰ খতিৰতে হওক বা মানসিক সন্তুষ্টি

লাভৰ বাবেই উল্লিখিত প্ৰতিবিধ শিল্পৰ প্ৰয়োজন মানৱ জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত। সেই দৃষ্টিৰেও আটাইকেইবিধ শিল্পৰ মাজত এক নিবিড় সম্পৰ্ক তথা সাদৃশ্য নিহিত হৈ আছে।

**২.৪.৫.২ লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্পৰ পাৰ্থক্য ঃ**

লোকশিল্প, কাৰুশিল্প আৰু চাৰুশিল্পৰ মাজত থকা পাৰ্থক্যসমূহ নিম্নলিখিত ধৰণৰ —

- লোকশিল্প লোক-সমাজৰ আধাৰত বৰ্তি থাকে। ই একক হৈয়ো সাৰ্বজনীন গুণেৰে প্ৰোজ্জ্বল। অৰ্থাৎ লোকশিল্পীসকলে লোকশিল্পক একেধৰণৰ কৌশলেৰে, একে বৈশিষ্ট্যযুক্তভাৱে, একে শৈলীৰে ৰূপ দান কৰে। সেইবাবে লোকশিল্পৰ কোনো 'কপিৰাইট' নাথাকে। কিন্তু কাৰুশিল্প ব্যক্তিবিশেষৰ সৃষ্টি হ'ব পাৰে। ই সমাজ আধাৰিত নহয়। সেইবাবে কাৰুশিল্পৰ সাৰ্বজনীন ৰূপ নাথাকে। শিল্পীমনৰ অধিকাৰী যিকোনো এজনে প্ৰাকৃতিক সমলৰ সহায়ত হস্তকলা-কৌশলৰ অৱলম্বনেৰে কাৰুশিল্প সৃষ্টি কৰি ল'ব পাৰে। একেদৰে চাৰুশিল্পও ব্যক্তিবিশেষৰ সৃষ্টি। অৱশ্যে ইয়াৰ সৃষ্টিৰ অন্তৰালত শিল্পশাস্ত্ৰৰ প্ৰচলিত নিৰ্দিষ্ট নীতি-নিয়ম, সৰ্বোৎকৃষ্ট কৌশল আদি জড়িত হৈ থাকে, যাৰ অৱলম্বনেৰে শিল্পীজনে সৰ্বোৎকৃষ্ট ৰূপত নিজৰ সৃষ্টিক দৰ্শকৰ সন্মুখত উপস্থাপন কৰিবলৈ বিচাৰে।
- লোকশিল্প পৰম্পৰাগতভাৱে বিকাশ সাধন হয়। ই পুৰুষানুক্ৰমে হাত বাগৰি অহা বিদ্যা। মূল ঐতিহ্য বা ৰূপৰ গাত পৰিৱৰ্তনৰ প্ৰলেপ লাগিলেও লোকশিল্পই অবিকৃত আৰু স্থিতিশীল ৰূপতে সমাজত বৰ্তি থাকে। সেইদৰে ইয়াৰ ব্যৱহাৰো পৰম্পৰা অনুসৰিয়ে হয়। কিন্তু কাৰুশিল্পৰ সৃষ্টি তথা ব্যৱহাৰৰ সৈতে কোনো পৰম্পৰা জড়িত হৈ নাথাকে। সেইবাবে ইয়াৰ কোনো নিৰ্দিষ্ট শৈলী (form) বা ৰূপ নাথাকে। শিল্পীৰ নিজা দক্ষতা, প্ৰতিভা আৰু বুদ্ধি অনুসৰি ই ভিন্ ভিন্ ৰূপ লাভ কৰিব পাৰে। আনহাতে চাৰুশিল্পৰ আকৌ বাস্তৱিক বা প্ৰাত্যহিক জীৱনৰ লগতেই সম্পৃক্ত নহয়; মানসিক সৌন্দৰ্য সৃষ্টি কৰাই ইয়াৰ উদ্দেশ্য। পৰম্পৰাৰ প্ৰসংগ চাৰুশিল্পৰ সৈতে প্ৰযোজ্যই নহয়।
- লোকশিল্প সাধাৰণতে গ্ৰাম্য সমাজৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। গ্ৰাম্য সমাজতে ইয়াৰ প্ৰয়োজন সৰ্বাধিক। গ্ৰাম্য সমাজৰ সামাজিক আচাৰ-অনুষ্ঠান, ধৰ্মীয় বিশ্বাস, আবেগ-অনুভূতি, সামাজিক আদৰ্শ, গ্ৰাম্য জীৱন-দৰ্শন আদি লোক-জীৱনৰ সকলো দিশ লোকশিল্পৰ সৈতে সম্পৰ্কিত। আনহাতে কাৰুশিল্পৰ নিৰ্মাণ তথা ইয়াৰ প্ৰয়োজনৰ প্ৰসংগত গ্ৰাম্য সমাজ বিশেষৰ সামাজিক-সাংস্কৃতিক মূল্যবোধৰ কথা জড়িত হৈ নাথাকে। সেইদৰে চাৰুশিল্পৰ চৰ্চা আৰু ইয়াৰ প্ৰচলনো যিকোনো সমাজত থাকিব পাৰে। অৱশ্যে চহৰ অঞ্চলতহে ইয়াৰ চৰ্চা আৰু অধ্যয়ন অধিক হোৱাৰ বিপৰীতে সমাজ-জীৱন যিমানে আধুনিক হৈছে, লোকশিল্পৰ ব্যৱহাৰো যেন সিমানে কমি অহা পৰিলক্ষিত হৈছে।

➢ লোকশিল্পই নিৰ্দিষ্ট লোকসমাজৰ চৌপাশে অৱস্থান কৰি থকা পাৰিপাৰ্শ্বিক অৱস্থা অনুসৰি ৰূপ লাভ কৰে। অৰ্থাৎ নিৰ্দিষ্ট সমাজৰ মাটি, পানী, গছ-গছনি, জলবায়ু আদি অনুসৰি লোকশিল্পীসকলে শিল্পজাত সামগ্ৰীসমূহ সৃষ্টি কৰি লয়। সেইবাবে ইয়াৰ প্ৰকাশভংগী ইমান নিভাঁজ আৰু সৰল। আনহাতে কাৰুশিল্পৰ সৈতে পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগ কিছু ক্ষেত্ৰত সম্পৰ্কিত হৈ থাকিলেও ইয়াৰ প্ৰতিটো সৃষ্টিত লোকমনৰ যি সৰলতা আৰু নমনীয়তা— সেয়া নাথাকিবও পাৰে। চাৰুশিল্পৰ ক্ষেত্ৰত পৰিৱেশ তথা পাৰিপাৰ্শ্বিকতাৰ বিষয়টো সম্পৰ্কযুক্ত হৈ নাথাকে। সময় আৰু শিল্পীৰ ভাৱ-চিন্তাহে ইয়াৰ মুখ্য বিষয়।

➢ লোকশিল্প পৰম্পৰাগত হৈও ই নিৰ্দিষ্ট ৰূপ-শৈলীৰে স্থিতিশীল। অপৰিৱৰ্তনশীল ঐতিহ্যৰ আধাৰতে লোকশিল্পীসকলে পূৰ্বাপৰ প্ৰচলিত নিৰ্দিষ্ট কাৰিকৰী কৌশলৰ সহায়ত লোকশিল্পক চাক্ষুষ ৰূপ প্ৰদান কৰে। সেয়ে ইয়াৰ আবেদন আৰু শৈল্পিক বক্তব্য নিৰ্দিষ্ট পৰিধিৰ মাজত আৱদ্ধ। আনহাতে কাৰুশিল্পৰ সৈতে পৰম্পৰাৰ প্ৰসংগ সম্পৰ্কজড়িত নহয় বাবে ইয়াৰ ৰূপ-শৈলীৰ ক্ষেত্ৰতো ধৰাবন্ধা নিয়ম নাথাকে। শিল্পীৰ প্ৰতিভা, দক্ষতা আৰু নিজস্ব উদ্ভাৱনী শক্তিয়েই কাৰুশিল্পৰ সৃষ্টিৰ প্ৰধান উৎস। সুকুমাৰ শিল্পৰ ক্ষেত্ৰত সৃষ্টিশীলতাৰ অংগাংগীভাৱে পৰিৱৰ্তন এক স্বাভাৱিক ধৰ্ম। সময়ৰ লগে লগে সুকুমাৰ শিল্পৰ ৰূপ-কৌশল পৰিৱৰ্তনৰ গতিশীলতাৰে আগবাঢ়ে।

➢ লোকশিল্প জাতিগত তথা পাৰিবাৰিক শিল্প। পৰিয়াল সূত্ৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মই লোকশিল্পৰ নিৰ্মাণ-কৌশলৰ জ্ঞান আয়ত্ত কৰে আৰু তেওঁলোকৰ সমাজতে লোকশিল্পই বিকাশ লাভ কৰে। কাৰুশিল্প আৰু চাৰুশিল্পৰ লগত জাতি তথা পৰিয়াল জড়িত হৈ নাথাকে। সৃষ্টিশীল তথা প্ৰতিভাশালী যিকোনো ব্যক্তিৰ হাতৰ পৰশত কাৰুশিল্প বা চাৰুশিল্পই মূৰ্ত ৰূপ লাভ কৰিব পাৰে। অৱশ্যে কাৰু আৰু চাৰু — দুয়োবিধ শিল্পৰ প্ৰয়োজন তথা উপযোগিতা ভিন্ন। কাৰুৰ সৈতে অৰ্থ লাভৰ উদ্দেশ্য জড়িত থকাৰ বিপৰীতে চাৰুশিল্পৰ ক্ষেত্ৰত শিল্পী তথা দৰ্শকৰ মানসিক তৃপ্তিহে মূল কথা।

**২.৪.৬ লোকশিল্প আৰু লোককলাৰ সম্পৰ্ক আৰু পাৰ্থক্য ঃ**

লোকশিল্প আৰু লোককলাৰ ধাৰণা একে যেন লাগিলেও দুয়োটাৰে মাজত যিদৰে পাৰ্থক্য আছে, সেইদৰে নান্দনিকতাৰ প্ৰসংগত লোকশিল্পৰ লগতে লোককলা সম্পৰ্কিত হৈ থাকে। তলত সেই সম্পৰ্কে আলোচনা কৰা হৈছে —

**২.৪.৬.১ লোকশিল্প আৰু লোককলাৰ সম্পৰ্ক ঃ**

➢ লোকশিল্পৰ পৰাই লোককলাই বিকাশ লাভ কৰে। লোকসমাজত সামূহিক তথা ব্যক্তিগত জীৱনৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে পৰম্পৰাগতভাৱে চহা শিল্পীসকলে কেতবোৰ শিল্পবস্তু তৈয়াৰ কৰি

লয়। সেই শিল্পবস্তুৰ নামেই লোকশিল্প। অৰ্থাৎ লোকশিল্পৰ সৃষ্টিৰ মূলতে আছে জীৱনৰ প্ৰয়োজনীয়তা তথা ব্যৱহাৰযোগ্যতা। কিন্তু লোকশিল্পই প্ৰায় ক্ষেত্ৰতে ব্যাৱহাৰিক প্ৰয়োজন পূৰণ কৰাৰ লগতে নান্দনিক সৌন্দৰ্যও প্ৰদান কৰে। তেতিয়াই লোকশিল্পই লোককলালৈ ৰূপান্তৰ ঘটে। অন্য কথাৰে ক'বলৈ গ'লে লোককলাৰ সুসমন্বয়ত লোকশিল্প সৌন্দৰ্যশালী তথা সুষমামণ্ডিত হৈ উঠে। সাধাৰণতে লোকশিল্পক অলংকৃত তথা দৃষ্টিনন্দন কৰাৰ উদ্দেশ্যে পৰম্পৰাগতভাৱে হাতৰ কৌশলৰ সহায়ত বিশেষ কিছুমান নক্সা অংকন তথা খোদন কৰা হয়। সেইবোৰকে লোককলা বোলে। উদাহৰণস্বৰূপে, 'গুৰু আসন' অসমীয়া সমাজত ধৰ্মীয় ক্ষেত্ৰত ব্যৱহৃত এক প্ৰকাৰৰ লোকশিল্প। এই লোকশিল্পবিধৰে বাহিৰৰ অংশত বিভিন্ন ফুলৰ আকৃতিৰ কেতবোৰ নক্সা অংকন কৰি বা খোদন কৰি শিল্পবিধক আৰু অধিক মনোমোহা ৰূপত তৈয়াৰ কৰা হয়। সেইবোৰেই লোককলা। অৰ্থাৎ লোককলাই লোকশিল্পক সৌন্দৰ্যশালী কৰি তোলাৰ লগতে তাৰ শিল্পমূল্য আৰু অৰ্থনৈতিক চাহিদা বৃদ্ধি কৰে। গতিকে লোককলাৰ অবিহনে লোকশিল্পৰ যিদৰে শৈল্পিক মান নাথাকে, ঠিক সেইদৰে লোকশিল্পৰ অবিহনেও লোককলা অস্তিত্বহীন।

- লোকশিল্প আৰু লোককলাৰ স্থিতি প্ৰায় একেটা শিল্পবস্তুতেই লক্ষ্য কৰা যায়। সেই দিশৰ পৰাও লোকশিল্পৰ লগত লোককলাৰ এক নিবিড় সম্পৰ্ক বিদ্যমান। যেনেঃ এখন মেখেলা আৰু মেখেলাত বিভিন্ন ফুল আৰু অভিকল্পবোৰক লোককলা বুলিব পাৰি, নিত্য-নৈমিত্তিক প্ৰয়োজনৰ সৈতে ফুল বা অভিকল্পৰ কোনো সম্পৰ্ক নাই। তেনেদৰে বাঁহৰ বিচনী আৰু বিচনীত অংকিত বহুৰঙী বিভিন্ন চিত্ৰবোৰক ক্ৰমে লোকশিল্প আৰু লোককলা আখ্যা দিব পাৰি । অয়-অলংকাৰবোৰ যদিও লোকশিল্পৰ নিদৰ্শন, তথাপি প্ৰকাৰ্যাত্মক দিশৰপৰা এই বোৰ লোককলাৰ অংগীভূত, যিহেতু সৌন্দৰ্যবৰ্ধনৰ বাবেহে এইবোৰ পৰিধান কৰা হয়।[৫০]

**২.৪.৬.২ লোকশিল্প আৰু লোককলাৰ পাৰ্থক্য ঃ**

- লোকশিল্প জীৱনৰ বাস্তৱিক বা প্ৰাত্যহিক দিশৰ সৈতে সম্পৃক্ত; কিন্তু লোককলা জীৱনৰ বাস্তৱিক বা প্ৰাত্যহিক দিশৰ সৈতে জড়িত বুলি ক'ব নোৱাৰি। উদাহৰণস্বৰূপে, গামোছা অসমীয়া সমাজৰ দৈনন্দিন ব্যৱহাৰযোগ্য এপদ লোকশিল্প। কিন্তু গামোছাত তোলা মনোমোহা ফুল বা চানেকিবোৰৰ নিত্য-নৈমিত্তিক ব্যাৱহাৰিক প্ৰয়োজনৰ লগত কোনো সম্পৰ্ক নাই।
- লোকশিল্প অৰ্থনৈতিক দিশৰ সৈতে বিশেষভাৱে সম্পৰ্কযুক্ত; কিন্তু লোককলা প্ৰায়ে অৰ্থনৈতিক দিশৰ সৈতে জড়িত নহয়। অৱশ্যে দুই-এপদ লোকশিল্পৰ অৰ্থনৈতিক মান বৃদ্ধি কৰাৰ ক্ষেত্ৰত লোককলাৰ ভূমিকা লক্ষ্য কৰা যায়।

**২.৫ সংস্কৃতিৰ ধাৰণা আৰু অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ ঃ**

ব্যক্তিৰ সমষ্টি সমাজ হৈছে সংস্কৃতিৰ ধাৰক আৰু বাহক। সামাজিক প্ৰাণী হিচাপে মানুহে কেতবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় বিশ্বাস, পৰম্পৰা, উৎসৱ-পাৰ্বণ আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে। মানুহৰ জীৱন নিৰ্বাহ প্ৰণালীৰ এই সামগ্ৰিক যৌগিক ৰূপেই হ'ল সংস্কৃতি। সংস্কৃতিয়ে এটা জাতি বা এখন সমাজৰ জীৱন নিৰ্বাহ-প্ৰণালীৰ সমগ্ৰতাক সামৰি লয়। এক কথাত মানুহৰ জীৱন নিৰ্বাহৰ অন্তৰ্গত সকলো দিশ, সকলো বিষয়, কৰ্ম, ধ্যান-ধাৰণা প্ৰভৃতিয়েই হ'ল সংস্কৃতি।

'সংস্কৃতি' শব্দটো ইংৰাজী 'Culture' শব্দৰ সমাৰ্থক ৰূপত অসমীয়াত ব্যৱহাৰ কৰা হয়। ইংৰাজীৰ 'Culture' শব্দটো লেটিন ভাষাৰ 'Cultura'ৰ পৰা নিষ্পন্ন হৈছে। যাৰ অৰ্থ কৰ্ষণ কৰা, সংস্কাৰ সাধন কৰা, সংশোধন কৰা। সংস্কৃতি সম্পৰ্কে E. B. Tylorএ কৈছে এনেদৰে —"সমাজৰ অংগীভূত সদস্য ৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।"[৫১] Tylorৰ এই সংজ্ঞাৰ ভিত্তিত Malionowskiএ সংস্কৃতিক বস্তুগত বা ভৌতিক (Material) আৰু অবস্তুগত বা অভৌতিক (Non-material) —এই দুটা ভাগত বিভক্ত কৰিছে। যিবোৰ সাংস্কৃতিক উপাদান স্পৰ্শ কৰিব পাৰি, যাৰ আকাৰ বা আকৃতি আছে তথা যিবোৰ প্ৰত্যক্ষধৰ্মী, সেইবোৰ হৈছে বস্তুগত উপাদান। আনহাতে, যিবোৰ উপাদান দৃশ্যমান, শ্ৰুয়মান তথা অনুভৱক্ষম, যেনে ঃ নৃত্য, গীত, অভিনয়, লোকাচাৰ, লোকনীতি — এইবোৰ অবস্তুগত বা অভৌতিক উপাদান। মানুহে একত্ৰিত ৰূপত দল বান্ধি জীৱন নিৰ্বাহ কৰাৰ লগে লগে সমাজ গঠন হ'ল আৰু সমাজৰ অন্তৰ্গত সদস্য হিচাপে মানুহৰ পাৰস্পৰিক আদান-প্ৰদান আৰু অভ্যাসৰপৰাই সামাজিক জীৱন নিৰ্বাহ প্ৰণালীৰ লগত জড়িত অবস্তুগত উপাদান, যেনে ঃ আচাৰ-আচৰণ, নীতি-নিয়ম, বিশ্বাস আদিৰ উদ্ভৱ আৰু বিকাশ হয়। মানুহে সংস্কৃতিৰ অন্তৰ্গতভাৱে বস্তুগত উপাদানৰ লগতে সেইবোৰক প্ৰতীক বা অবস্তুগত উপকৰণৰ দ্বাৰাও প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। আদিম অৱস্থাৰ পৰাই মানুহে প্ৰতীকক প্ৰতিনিধিত্বমূলকভাৱে প্ৰকাশৰ মাধ্যম হিচাপে গ্ৰহণ কৰি আহিছে। সমাজৰ বিৱৰ্তন-পৰিৱৰ্তনৰ লগে লগে প্ৰতীকৰো ক্ৰমবিৱৰ্তন হয়। নৃতত্ত্ববিদ Leslie A. Whiteএ সংস্কৃতিৰ এই প্ৰতীকধৰ্মিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছে, "সংস্কৃতি পৰিদৃশ্যমান বস্তুৰ সন্মিলন, কাৰ্য (চাল-চলন), ভাৱ (বিশ্বাস, জ্ঞান), আবেগ (মনোভাৱ, মূল্যবোধ) ইত্যাদি আটাইবোৰ প্ৰতীকৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰশীল। মানুহে কথা ক'বলৈ আৰু ইংগিত ব্যৱহাৰ কৰিবলৈ লোৱাৰ সময়ৰপৰাই সংস্কৃতিৰ আৰম্ভ হ'ল। এই প্ৰতীকধৰ্মী আৰু ইংগিতধৰ্মী বৈশিষ্ট্যৰ বাবেই মানুহে সংস্কৃতিক সহজে আৰু নিজ ইচ্ছাৰে এজনৰ পৰা আন এজনলৈ আদান-প্ৰদান কৰিব পাৰে।"[৫২] প্ৰকৃততে, মানুহে আদিম জীৱন-পদ্ধতিৰ পৰা শৃংখলিত জীৱন-পদ্ধতি অৱলম্বন কৰাৰ পৰাই সংস্কৃতিৰ জন্ম আৰু বিকাশ

হ'ল। সেইদৰে মানুহৰ ইতিহাসৰ অধ্যয়নৰ লগে লগে সংস্কৃতিৰ অধ্যয়নো সূচনা হ'ল। প্রত্যেক সমাজ তথা জাতিৰ মাজতে সংস্কৃতি যুগ যুগ ধৰি ক্রমবিকশিত হৈ আহিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰ কেতবোৰ উপাদান এৰা খাই পৰে, কিছুমানৰ ৰূপান্তৰ ঘটিছে আৰু কেতবোৰ নতুন নতুন উপাদান সংযোজিত হৈয়ে থাকে। গতিকে কোৱা হয় —সংস্কৃতি ক্রমবিৱৰ্তিত, ক্রমসঞ্চিত, অবিৰত, প্রতীকধৰ্মী আৰু বিশিষ্ট ধাৰাৰে গতিশীল।

সংস্কৃতি সমাজৰ মাজতে সৃষ্ট তথা বিকশিত হয় যদিও ইয়াক আহৰণ তথা পোষণ কৰা সিমান সহজ নহয়। ইয়াৰ বাবে বৌদ্ধিক প্রক্রিয়া অৱলম্বন কৰিবলগীয়া হয়। সংস্কৃতিৰ এই বৌদ্ধিক প্রক্রিয়াৰ বিষয়ে Bidneyএ কৈছে, "সংস্কৃতি সমাজৰ পৰা আহৃত তথা কৰ্ষিত আচৰণ। সংস্কৃতি সমাজৰ ব্যক্তি তথা সমষ্টিগত চিন্তা। কিয়নো সমাজৰ অন্তৰ্গত সদস্য হিচাপে ব্যক্তি তথা সমষ্টিয়ে সামাজিক, বৌদ্ধিক, শৈল্পিক আদৰ্শ আৰু অনুষ্ঠানৰ লগত ওতপ্রোতভাৱে সম্পৰ্কিত হৈ থাকে আৰু সেইবোৰৰ লগত একীভূত হৈ থাকিবলৈ প্রয়াস কৰে।"[৫৩] অৰ্থাৎ সমাজসৃষ্ট বৌদ্ধিক প্রেক্ষাপটতে শৃংখলিত জীৱন নিৰ্বাহ-প্রণালীৰ পৰিকাঠামো নিৰ্মিত হয় আৰু তাৰ জৰিয়তে সমাজ তথা ব্যক্তি-জীৱন পৰিচালিত হয়। দৰাচলতে সংস্কৃতি হৈছে এটা জাতিৰ জাতীয় জীৱনৰ লগত সম্পৰ্কিত সকলো বিষয়, সকলো দিশৰ সামগ্রিক ৰূপ। ইয়াৰ অবিহনে সামাজিক জীৱন-প্রণালী নিৰৰ্থক। এটা জাতি বা এখন সমাজে জীৱন-নিৰ্বাহৰ তাড়নাত বিভিন্ন কৰ্ম সম্পাদন কৰে। তেনেদৰে সম্পাদিত কৰ্মবোৰকে সংস্কাৰ সাধন কৰি গ্ৰহণ কৰিলে বা সমাজে স্বীকৃতি প্রদান কৰিলে, সিয়ে সাংস্কৃতিক উপাদান ৰূপে সমাজত স্থিতি লাভ কৰে। সংস্কৃতিৰ জৰিয়তে এখন সমাজৰ জীৱন ধাৰণ প্রণালী মান প্রতিফলিত হয়। অৰ্থাৎ এখন সমাজৰ সংস্কৃতি যিমান বিজ্ঞানসন্মত তথা উন্নতমানৰ হয়, সেই সমাজৰ জীৱন নিৰ্বাহ-প্রণালীও সিমানে উন্নত আৰু মানসম্পন্ন হয়। সমাজৰ পৰম্পৰাগত তথা পৰিৱৰ্তনশীল আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, ধ্যান-ধাৰণা, বিশ্বাস, ধৰ্ম, গীত-মাত, নৃত্য, বাদ্য, অভিনয়, স্থাপত্য-ভাস্কৰ্য, খাদ্যাভাস, পিন্ধন-উৰণ আদি সকলো বিষয় সংস্কৃতিৰ অন্তৰ্গত। এক কথাত ক'ব পাৰি যে, ব্যক্তিৰ সমষ্টি হিচাপে সমাজে সৃষ্টি কৰা তথা পালন-পোষণ কৰা সকলো কৰ্ম, বিষয় আদিৰ সমন্বিত ৰূপেই হৈছে সংস্কৃতি। সমাজক আধাৰ হিচাৰে লৈয়ে সংস্কৃতি জীয়াই থাকে। সেয়ে সমাজৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো পৰিৱৰ্তন হয়। সময়ৰ চিৰপৰিৱৰ্তিত সোঁতত ই প্রবাহমান ৰূপেৰে বিৱৰ্তিত হয়, সংমিশ্রিত হয়, সমাহৰণ ঘটে; ইয়াৰ লগে লগে সমাজতো সেই ৰূপবোৰৰ প্রতিফলন দেখা পোৱা যায়।

সংস্কৃতিৰ উল্লিখিত সংজ্ঞাসমূহৰ ভিত্তিত 'অসমীয়া সংস্কৃতি' বুলিলে অসমৰ সামাজিক গাঁথনি, সামাজিক তথা ধৰ্মীয় ৰীতি- নীতি, আচাৰ-আচৰণ, বিশ্বাস, উৎসৱ-অনুষ্ঠান, খাদ্যাভাস, বয়ন-শিল্প তথা সাজপাৰ, আ-অলংকাৰ, পৰম্পৰাগত গৃহ-নিৰ্মাণ পদ্ধতি, কৃষিকৰ্ম, লোকশিল্প, পৰম্পৰাগত খেল-

ধেমালি, পৰিৱেশ্য কলাৰ বিভিন্ন দিশ, যেনে ঃ গীত, নৃত্য, নাট্য, বাদ্য, ওজাপালি, ঢুলীয়া ভাওনা, খুলীয়া ভাওনা, দেওধনী নৃত্য, ভাওনা, নাটক তথা ভ্ৰাম্যমান নাট্য পৰম্পৰা আদি সকলো দিশ পৰিসৰভুক্ত হৈ পৰে। তদুপৰি অসমৰ বসবাস কৰা বিভিন্ন নৃগোষ্ঠী, যেনে ঃ বড়ো, মিচিং, ৰাভা, কাৰ্বি, ডিমাছা, তিৱা, চিংফৌ, দেউৰী, টাই জনগোষ্ঠীয় লোকসকলৰ লগতে অসমৰ সীমামূৰীয়া অঞ্চলসমূহত বসবাস কৰা বিভিন্ন জনগোষ্ঠী আদিসমূহৰ প্ৰত্যেকৰে নিজা নিজা পৰম্পৰাগত জীৱন-শৈলী তথা সাংস্কৃতিক সম্পদ আছে। সেই সকলোবোৰ দিশ তথা বিশেষত্বকো বৃহত্তৰ অসমীয়া সংস্কৃতিৰ একো একোটা দিশ তথা অংগ হিচাপে অভিহিত কৰিব পাৰি।

সংস্কৃতিৰ অন্তৰ্গত বিভিন্ন দিশসমূহ বিচাৰ-বিশ্লেষণ কৰি ৰিচাৰ্ড এম. ডৰ্চনে নিম্নলিখিত চাৰিটা ভাগত সংস্কৃতিৰ ব্যাপক ক্ষেত্ৰখনক সীমাবদ্ধ কৰি দেখুৱাইছে। সেই ভাগসমূহ হ'ল[৫৪] —

(ক) মৌখিক সাহিত্য বা লোকসাহিত্য (Oral Literature),

(খ) সামাজিক লোকাচাৰ বা লোকপ্ৰথা (Folk Custom)

(গ) ভৌতিক সংস্কৃতি (Material Culture) আৰু

(ঘ) পৰিৱেশ্য কলা (Performing Arts)

নবীন চন্দ্ৰ শৰ্মাইও ডৰ্চনৰ উক্ত বিভাজনকে গ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশসমূহ আলোচনা কৰি দেখুৱাইছে। 'অসমৰ সাংস্কৃতিক ইতিহাস' (দ্বিতীয় খণ্ড) গ্ৰন্থত শৰ্মাই অসমৰ সাংস্কৃতিক বিবিধ দিশক এনেদৰে বিভাজন কৰি আলোচনা কৰিছে[৫৫]—

(ক) অসমৰ পৰম্পৰাগত সাহিত্য (গীত-মাত, প্ৰবাদ-প্ৰবচন, কিংবদন্তি, আখ্যান, সাধুকথা, লোককবিতা, সাঁথৰ, মন্ত্ৰসাহিত্য, লোকোক্তি আদি),

(খ) অসমৰ সামাজিক আচাৰ-অনুষ্ঠান (যেনে ঃ উৎসৱ-অনুষ্ঠান, বিশ্বাস, ধৰ্ম, পৰম্পৰাগত খেল-ধেমালি, পৰম্পৰাগত ঔষধ আৰু চিকিৎসা),

(গ) অসমৰ ভৌতিক সংস্কৃতি (যেনে ঃ হস্তশিল্প, চিত্ৰশিল্প, স্থাপত্য, ভাস্কৰ্য, আভৰণ, ৰন্ধন প্ৰণালী আদি),

(ঘ) অসমৰ পৰিৱেশ্য কলা (যেনে ঃ গীত, নৃত্য, নাট্য আদি)।

**২.৫.১ অসমৰ পৰম্পৰাগত সাহিত্য বা লোকসাহিত্য ঃ**

একোখন সমাজত লিখিত সাহিত্য সৃষ্টিৰ পূৰ্বে মৌখিক ৰূপত পৰম্পৰাগতভাৱে কেতবোৰ সাহিত্যৰূপ প্ৰচলন থকা দেখা যায়। আনকি সংশ্লিষ্ট ভাষাত লিখিত পৰম্পৰা প্ৰচলিত হৈ থাকিলেও লোকসমাজত এনেবোৰ সাহিত্যৰূপৰ বিশেষ স্থান থাকে। মৌখিক পৰম্পৰাৰে সমাজত বৰ্তি থকা বিবিধ গীত-মাত, প্ৰবাদ-প্ৰবচন, কিংবদন্তি, আখ্যান, সাধুকথা, লোককবিতা, ফকৰা যোজনা, সাঁথৰ,

পটন্তৰ, মন্ত্ৰসাহিত্য, লোকোক্তি আদিক এই মৌখিক সাহিত্যৰ ভিতৰত ধৰা হয়। তদুপৰি এখন বিশেষ সমাজৰ লৌকিক মাত-কথা অৰ্থাৎ 'লোকভাষা'ও মৌখিক সাহিত্যৰ অন্তৰ্গত বিষয়। এখন সমাজত ভাষাৰ তিনিটা ৰূপ বিদ্যমান — শিষ্টভাষা, উপভাষা আৰু লোকভাষা। অঞ্চল বা সমাজ অনুসৰি লোকভাষাৰ কোনো স্বকীয় অস্তিত্ব নাথাকিলেও পৰম্পৰাৰ মাজেৰে লোকভাষাই সামাজিক-সাংস্কৃতিক অভিজ্ঞতাক বহন কৰি ৰাখে।[৫৬] Richard M. Dorsonএ লোকসাহিত্যৰ সামগ্ৰিক উপাদানসমূহক মূলতঃ ছটা ভাগত বিভক্ত কৰি দেখুৱাইছে[৫৭]—

(ক) লোক-কাহিনী বা লোক-আখ্যান (Folk Narrative)

(খ) বৰ্ণনাত্মক বা আখ্যানধৰ্মী লোক-কবিতা (Narrative Folk poetry)

(গ) লোক মহাকাব্য (Folk epic)

(ঘ) লোকোক্তি আৰু লোকোক্তিমূলক অভিব্যক্তি (Proverb and Proverbial Expressions)

(ঙ) সাঁথৰ (Riddles)

(চ) লোকভাষা (Folk speech)

সংস্কৃতিৰ অন্তৰ্গতভাৱে অসমীয়া লোকসাহিত্যৰো এক সমৃদ্ধিশালী ঐতিহ্য আছে। সাধুকথাৰ ৰূপত প্ৰচলিত আখ্যানসমূহৰ লগতে বিহুগীত, বনগীত, আইনাম, বিয়ানাম, অপেচৰী সবাহৰ গীত, মহোহো গীত আদি অনুষ্ঠানমূলক লোকগীত; বুৰঞ্জী তথা কিংবদন্তিৰ কাহিনীযুক্ত বিবিধ বেলাড বা কাহিনী গীত, নিচুকনি গীত, দেহবিচাৰৰ গীত, টোকাৰী গীত, জুনা গীত, নাওখেলৰ গীত, হাইদাং গীত আদি লোকগীতসমূহে অসমীয়া লোক-কবিতাৰ ক্ষেত্ৰখন চহকী কৰি ৰাখিছে। সেইদৰে অসমীয়া লোকসমাজত প্ৰচলিত ফকৰা যোজনা, সাঁথৰ, প্ৰবাদ-প্ৰবচনসমূহৰো সামাজিক-সাংস্কৃতিক মূল্য অপৰিসীম। অসমীয়া মান্য ৰূপৰ পৰা আঁতৰত সৰ্বসাধাৰণ লোকৰ মাজত প্ৰচলিত লৌকিক অসমীয়া ভাষিক ৰূপৰ মাজতো কেতবোৰ সাঁথৰ, জতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন আদিৰ প্ৰচলন আছে। তদুপৰি অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীয় সমাজৰ মাজত নিজা নিজা মৌখিক সাহিত্যৰ এক সমৃদ্ধ পৰম্পৰা বিৰাজমান। এই সকলো শ্ৰেণীৰ লোকসাহিত্যই প্ৰকৃততে অসমীয়া সংস্কৃতিক বৈচিত্ৰ্য আৰু বৈবিধ্য ৰূপ প্ৰদান কৰিছে।

**২.৫.২ অসমীয়া সামাজিক আচাৰ-অনুষ্ঠান ঃ**

অসমীয়া সমাজত পৰম্পৰাগতভাৱে অনেক সামাজিক আচাৰ-অনুষ্ঠান, ৰীতি-নীতি আদি পালন কৰা হয়। সেইবোৰৰ সৈতে বিভিন্ন বিশ্বাস, লোকবিশ্বাস আদি জড়িত হৈ থাকে। তদুপৰি জন্ম, মৃত্যু, বিবাহ অনুষ্ঠানৰ লগতো অসমীয়া মানুহে অনেক আচাৰ-ৰীতি পালন কৰে। আকৌ কৃষিকেন্দ্ৰিক,

পঞ্জিকাশ্রয়ী আৰু আঞ্চলিক বা স্থানভিত্তিকভাৱেও অসমত বহুবোৰ উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। আনহাতে লোকসমাজত প্ৰাত্যহিক জীৱনত মানুহৰ মাজত দেখা দিয়া কেতবোৰ ৰোগ নিৰাময়ৰ বাবেও অসমৰ লোকে লোক-চিকিৎসা পদ্ধতি অৱলম্বন কৰি আহিছে। একেদৰে দৈনন্দিন জীৱনত অৱসৰ বিনোদন তথা স্বাস্থ্যবিধি অনুসৰিও অসমীয়া মানুহৰ মাজত পৰম্পৰাগত বিভিন্ন খেল-ধেমালিৰ প্ৰচলন আছে। এই সকলোবোৰ দিশ সমন্বিত হৈ অসমীয়া সামাজিক আচাৰ-অনুষ্ঠান সম্পৰ্কীয় দিশটো সমৃদ্ধ হৈছে।

অসমত বিভিন্ন নৃগোষ্ঠীয় লোকে বসবাস কৰে। সেই নৃগোষ্ঠীয় লোকসকলৰ মাজতো কৃষিভূমিৰ উৰ্বৰতা বৃদ্ধি, যাদুমূলক ক্ৰিয়া সম্পাদনৰ উদ্দেশ্যে নৃগোষ্ঠীভেদে সুকীয়া সুকীয়া উৎসৱ-পাৰ্বণ, ৰীতি-নীতি, আচাৰ-বিচাৰ, বিশ্বাস, পৰম্পৰাগত আদিম ধৰ্মীয় ধাৰণা আদিৰ প্ৰচলন আছে। এইসমূহেও বৃহত্তৰ অসমীয়া সংস্কৃতিৰ অংগ হিচাপে অসমীয়া সংস্কৃতিক জীপাল কৰি তুলিছে।

তাৎপৰ্যপূৰ্ণভভাৱে লোকসমাজৰ মাজত পৰম্পৰাগতভাৱে পালিত আচাৰ-অনুষ্ঠানবোৰেই পৰিমাৰ্জিত হৈ শাস্ত্ৰীয় বা আনুষ্ঠানিক আচাৰ-অনুষ্ঠানলৈ উন্নীত হয়। বিপৰীতে বহু শাস্ত্ৰীয় বা আনুষ্ঠানিক আচাৰ-অনুষ্ঠান লোকজীৱনত প্ৰৱেশ লাভ কৰি লোক-আচাৰ-অনুষ্ঠান ৰূপেও সমাদৃত হয়।[৫৮] নবীন চন্দ্ৰ শৰ্মাই অসমীয়া সমাজত প্ৰচলিত উল্লিখিত দিশসমূহৰ লগত সম্পৰ্কিত সামাজিক আচাৰ-অনুষ্ঠানসমূহক চাৰিটা উপভাগত বিভক্ত কৰি দেখুৱাইছে — (ক) বিশ্বাস আৰু ধৰ্ম, (খ) উৎসৱ-অনুষ্ঠান, (গ) অৱসৰ বিনোদন তথা খেল-ধেমালি (ঘ) পৰম্পৰাগত ঔষধ আৰু চিকিৎসা পদ্ধতি।[৫৯]

**২.৫.৩ অসমীয়া ভৌতিক সংস্কৃতি ঃ**

সংস্কৃতিৰ বস্তুগত ৰূপকে ভৌতিক সংস্কৃতি বোলা হয়। বিশেষকৈ লোকজীৱনত মানুহে অন্ন, বস্ত্ৰ আৰু বাসস্থান — এই তিনিটা মৌলিক প্ৰয়োজন পূৰণাৰ্থে বা তাৰ লগত জড়িতভাৱে যিবোৰ বস্তুগত উপাদান সৃজন কৰি লয়, সামগ্ৰিকভাৱে তাকে ভৌতিক সংস্কৃতি বোলে। মানুহৰ দৈনন্দিন ব্যৱহাৰ্য ঘৰৰ বিবিধ আচবাব, সা-সঁজুলি, কৃষি-সঁজুলি, সাজপাৰ, আ-অলংকাৰ, বাদ্যযন্ত্ৰ, ৰন্ধন প্ৰণালী, বিভিন্ন শিল্পসামগ্ৰী আদিবোৰ ভৌতিক সংস্কৃতিৰ উপাদান। ভৌতিক সংস্কৃতিৰ লগত জড়িত উপাদানসমূহ প্ৰাকৃতিক তথা ভৌতিক পৰিৱেশৰ পৰা আহৰিত সমলেৰে নিৰ্মাণ কৰা হয়। উদাহৰণস্বৰূপে, কাঠ, বাঁহ, বেত, বিভিন্ন গছৰ পাত, গছ তথা জীৱ-জন্তুৰ ছাল, মাটি, শিল, বিবিধ ধাতু আদি। ভৌতিক সংস্কৃতি পাঁচোটা উপভাগত বিভক্ত। সেইবোৰ হৈছে [৬০] —

(ক) হস্ত শিল্প বা লোকশিল্প (Handi Craft or Folk Craft)

(খ) লোককলা (Folk Art)

(গ) স্থাপত্য কলা (Architectural Art)

(ঘ) সাজপাৰ বা লোকআভৰণ (Folk Costume) আৰু

(ঙ) লোক ৰন্ধন প্ৰণালী (Folk Cookery) ।

লোকজীৱনত দৈনন্দিন ব্যৱহাৰ্য হস্তনিৰ্মিত শিল্পসামগ্ৰীসমূহেই হৈছে লোকশিল্প। পৰম্পৰাগতভাৱে লোকশিল্পজাত সামগ্ৰীসমূহ প্ৰাকৃতিক পৰিৱেশত উপলব্ধ বিভিন্ন কেঁচা দ্ৰব্য, যেনে ঃ মাটি, শিল, কাঠ, বাঁহ, বেত, পাতিদৈয়া, কুহিলা, বিভিন্ন গছৰ পাত, কপাহ, গছৰ বাকলি, জীৱ-জন্তুৰ শিং, হাড়, ছাল, বিবিধ ধাতু আদিৰে নিৰ্মিত। আধুনিক কৌশল বা আহিলা প্ৰয়োগ নকৰাকৈ পৰম্পৰাগত পদ্ধতিৰ সহায়ত অনুকৰণ আৰু অনুশীলনৰ দ্বাৰা এই শিল্পসামগ্ৰীসমূহ নিৰ্মাণ কৰা হয়। লোকশিল্প পুৰুষানুক্ৰমে হস্তান্তৰিত হৈ বিশেষ শ্ৰেণীৰ লোকৰ বৃত্তিলৈও ৰূপান্তৰিত হয়। এই ক্ষেত্ৰত অসমৰ কাঁহ-পিতল শিল্প, মৃৎশিল্পৰ লগতে ধাতুৰ বিভিন্ন সা-সঁজুলি, আ-অলংকাৰ নিৰ্মাণ কৰা শিল্পীসকল যেনে ঃ কমাৰ, সোণাৰী আদিৰ কথা উল্লেখ কৰিব পাৰি। আনহাতে হস্তনিৰ্মিত যিবোৰ শিল্পসামগ্ৰী দৈনন্দিন জীৱনত হোৱা প্ৰয়োজনীয়তাৰ পৰিৱৰ্তে মানুহৰ মনত সৌন্দৰ্য সৃষ্টি বা আনন্দ প্ৰদানৰ উদ্দেশ্যতহে ব্যৱহাৰ কৰা হয়, সেইবোৰ শিল্পকে লোককলা বোলে। লোককলাৰ জৰিয়তে সংশ্লিষ্ট লোকসমাজৰ নান্দনিক ৰুচিবোধ, শৈল্পিক পাৰদৰ্শিতা আৰু কলাত্মক বিশিষ্টতাৰ উমান পোৱা যায়। নিৰ্দিষ্ট একোটা জনগোটৰ মাজত পৰম্পৰাগতভাৱে প্ৰবাহিত হোৱা সৌন্দৰ্যবোধ, নান্দনিক চেতনা, কলাসুলভ মনোভাৱ আদি লোককলাই বহন কৰি থাকে। অৱশ্যে ইয়াক কেতিয়াও প্ৰশিক্ষণলব্ধ কলা বুলিব নোৱাৰি। পৰম্পৰাগতভাৱে লাভ কৰা অভিজ্ঞতা আৰু কৰ্ষণৰ জৰিয়তে আহৰণ কৰা জ্ঞান তথা সৌন্দৰ্যচেতনাহে ইয়াৰ প্ৰধান উপজীৱ্য। বৃহত্তৰ অসমীয়া সমাজৰ গৃহনিৰ্মাণৰ নিজা বৈশিষ্ট্য থকাৰ দৰে অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীয় লোকৰে গৃহনিৰ্মাণৰ সুকীয়া সুকীয়া পদ্ধতি তথা বৈশিষ্ট্য আছে। প্ৰতিটো জাতি-জনগোষ্ঠীয় লোকৰ সুকীয়া সুকীয়া গৃহনিৰ্মাণৰ কৌশল-পদ্ধতি, ব্যৱহৃত কেঁচা সামগ্ৰী, ঘৰৰ আকাৰ-আকৃতি আদি দিশসমূহ স্থাপত্য কলাৰ অন্তৰ্গত বিষয়। গৃহনিৰ্মাণ সৈতে সংশ্লিষ্ট প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত কেতবোৰ বিশেষ লোকবিশ্বাস, ৰীতি-নাতি আদিও জড়িত হৈ আছে। স্থাপত্য কলাৰ জৰিয়তে সংশ্লিষ্ট জাতি-জনগোষ্ঠীয় লোকৰ জীৱন যাপন পদ্ধতি, বিজ্ঞানসন্মত চিন্তাধাৰা, পৰিৱেশকেন্দ্ৰিক চেতনা তথা পৰিৱেশক অনুধাৱন কৰিব পৰা দক্ষতাৰ পৰিচয় পোৱা যায়। অসমৰ মানুহৰ সাজপাৰৰ ক্ষেত্ৰতো নিজা নিজা বৈশিষ্ট্য বিদ্যমান। জাতি-জনগোষ্ঠী অনুসৰি সাজপাৰৰ ক্ষেত্ৰত বিবিধতা থকাৰ দৰে পুৰুষ-নাৰী, বিবাহিত-অবিবাহিত আদি মৰ্যাদা অনুসৰিও অসমৰ মানুহৰ সাজপাৰৰ বিচিত্ৰতা লক্ষণীয়। তদুপৰি সাজপাৰৰ প্ৰস্তুত-পদ্ধতি তথা বয়ন-শিল্পৰ ক্ষেত্ৰতো জাতি-জনগোষ্ঠী অনুসৰি অসমৰ মানুহৰ মাজত বিবিধতা বিদ্যমান। সেইদৰে আ-অলংকাৰৰ ক্ষেত্ৰতো অসমৰ জাতি-জনগোষ্ঠীৰ মাজত পাৰ্থক্য দেখা যায়। সাজপাৰ, আ-অলংকাৰ, প্ৰশাধন সামগ্ৰী আদি দিশ সামৰি লোৱা ‘লোকআভৰণ’ৰ এই

দিশটোও ভৌতিক সংস্কৃতিৰ এক অন্যতম গুৰুত্বপূৰ্ণ অংশ। লোকআভৰণৰ সৈতে অৰ্থনৈতিক দিশটোও ওতপ্ৰোতভাৱে সম্পৰ্কযুক্ত। একেদৰে অসমীয়া সমাজৰ পৰম্পৰাগত খাদ্যাভাসো অনন্য আৰু স্বকীয় বৈশিষ্ট্যৰে প্ৰোজ্জ্বল। নিত্য-নৈমিত্তিক আহাৰ, আহাৰৰ বাবে কেঁচামাল আহৰণ তথা উৎপাদন, খাদ্য প্ৰস্তুতকৰণ পদ্ধতি, সংৰক্ষণ আৰু পৰিৱেশন, খাদ্যৰ লগত জড়িত লোকবিশ্বাস আদিও ভৌতিক সংস্কৃতিৰ উল্লেখযোগ্য অধ্যয়নীয় দিশ।

**২.৫.৪ অসমীয়া পৰিৱেশ্য কলা ঃ**

মানুহৰ মনৰ অনুভূতি প্ৰকাশৰ ভিন ভিন অভিব্যক্তি আছে। তেনে এটা বিশেষ অভিব্যক্তিয়ে হৈছে পৰিৱেশ্য কলা। বাচিক আৰু লিখিত কলাক পৰিৱেশ্য কলাই এক বিশেষ ৰূপৰ মাজেদি চাক্ষুষ বা দৃশ্য-শ্ৰব্য ৰূপ প্ৰদান কৰে। পৰিৱেশ্য কলাই গীত, নৃত্য আৰু নাট্য— এই আটাইকেইটা দিশ সামৰি লয়। উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠান, বিশ্বাস, ধৰ্ম, পূজা-উপাসনা, বিনোদন আদিৰ সৈতে পৰিৱেশ্য কলাৰ ওতপ্ৰোত সম্পৰ্ক আছে। আন কথাত সংস্কৃতিৰ অন্য তিনিটাও দিশ, অৰ্থাৎ লোকসাহিত্য বা মৌখিক সাহিত্য, সামাজিক আচাৰ অনুষ্ঠান আৰু ভৌতিক সংস্কৃতিৰ লগত পৰিৱেশ্য কলাৰ নিবিড় সম্পৰ্ক বিদ্যমান। পৰম্পৰাগতভাৱে মুখে মুখে প্ৰচলিত লোকসাহিত্যৰ অন্তৰ্গত বিবিধ উপাদানসমূহ পৰিৱেশ্য কলাৰ যোগেদি দৃশ্য-শ্ৰব্য ৰূপ লাভ কৰে। সামাজিক উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন, লোক-চিকিৎসা, খেল-ধেমালি, ধৰ্মীয় বিবিধ অনুষংগৰ সৈতে পৰিৱেশ্য কলা (গীত, নৃত্য, বাদ্য, নাট্য আদি)ৰ বিবিধ শৈলীয়ে মূৰ্ত ৰূপ লাভ কৰে। লোকজীৱনৰ মাজত প্ৰচলিত লোক-পৰিৱেশ্য কলাৰ লগত মাৰ্গীয় বা শাস্ত্ৰীয় পৰিৱেশ্য কলাৰ পাৰ্থক্য আছে। অৱশ্যে এটা কথা ঠিক যে লোক আৰু মাৰ্গীয়— দুয়োবিধ পৰিৱেশ্য কলাই এটাই আনটোক প্ৰভাৱিত নকৰাকৈ থকা নাই।

অসমীয়া সংস্কৃতিৰ অন্তৰ্গতভাৱে ধৰ্মীয় কাম-কাজ বা পূজা-উপাসনা আদি উপলক্ষ্যত ওজাপালি, ঢুলীয়া ভাউৰীয়া, খুলীয়া-ভাউৰীয়া, কুশান গান, ভাৰী গান আদি পৰিৱেশন কৰা হয়। তদুপৰি অসমৰ নামঘৰ, সত্ৰসমূহত পৰিৱেশন কৰা নাট-ভাওনাসমূহৰ মাজতো ধৰ্মীয় তাৎপৰ্য নিহিত আছে। লোকসমাজত ৰোগ-ব্যাধিক প্ৰশমিত কৰাৰ উদ্দেশ্যে গোসাঁনী পূজা, মাৰৈ পূজা, বিষহৰী পূজা, বাথৌ পূজা আদিত নৃত্য-গীত প্ৰদৰ্শন কৰা হয়। অসমৰ কৃষিমূলক বা জীৱন-বৃত্তৰ লগত জড়িত সংস্কাৰমূলক বিবিধ উৎসৱ-অনুষ্ঠানতো গীত-নৃত্য-বাদ্যৰ বহুল প্ৰচলন আছে। সেইদৰে অসমীয়া ভৌতিক সংস্কৃতিৰ অন্তৰ্গতভাৱে বিবিধ বাদ্যযন্ত্ৰ, সাজ-সজ্জা, আ-অলংকাৰ, অস্ত্ৰ-শস্ত্ৰ, মুখাশিল্প আদি শিল্পসামগ্ৰীসমূহেও অসমীয়া পৰিৱেশ্য কলাক লোক-মনোৰঞ্জনধৰ্মী তথা আকৰ্ষণীয় কৰি তোলাত বিশেষ অৰিহণা আগবঢ়াই আহিছে।

**২.৬ লোকশিল্প আৰু অসমীয়া সংস্কৃতি ঃ**

**২.৬.১ অসমীয়া সংস্কৃতিৰ অন্তৰ্গতভাৱে লোকশিল্পৰ বিবিধ সমল ঃ**

অসমৰ লোকশিল্পৰ এক সুকীয়া তথা গৌৰৱময় ইতিহাস আছে। যুগ যুগ ধৰি অসমত বসবাস কৰি থকা ভিন্ ভিন্ জাতি-জনগোষ্ঠীৰ লোকে নিজা নিজা বৈশিষ্ট্যৰে লোকশিল্পৰ নিৰ্মাণ আৰু এইবোৰৰ ব্যৱহাৰ কৰি আহিছে। অসমৰ "মৃৎশিল্প, বাঁহ-বেত, কুঁহিলা, কাঠ আৰু হাতী দাঁতৰ শিল্প, চিত্ৰাঙ্কন আৰু লোকনাট্য, গীত-নৃত্যত অসমৰ লোককলা পৰিব্যাপ্ত হৈ আছে।"[৬১] মধ্যযুগীয় অসমত লোকশিল্পৰ লগত জড়িতভাৱে বিভিন্ন বৃত্তিধাৰী কাৰুশিল্পী বা খনিকৰৰ সৃষ্টি হৈছিল। বিশেষকৈ আহোম ৰাজতন্ত্ৰত কঁহাৰ, কমাৰ, কুমাৰ, সোণাৰী, হীৰা, কাঠ-বাঁহ-বেতৰ কাম কৰা বিভিন্ন লোক, শিপিনী, দৰ্জী আদিয়ে সুনিপুণ শিল্প সৃষ্টিৰে ৰাজকীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। আহোমৰ দিনৰ মঠ-মন্দিৰ, ভাস্কৰ্য আদিতো শিল্পচৰ্চাই বিশেষ প্ৰসাৰতা লাভ কৰিছিল। এই প্ৰসংগত লীলা গগৈয়ে কৈছে, "আহোম যুগৰ সকলো শিল্পকে কুটিৰ শিল্পই বুলিব লাগিব। অৱশ্যে এই শিল্পবিলাক পুৰুষানুক্ৰমে একো ফৈদ মানুহৰ হাতত আছিল। কঁহাৰ, কমাৰ, কুমাৰ, চমাৰ, সোণাৰী, তাঁতী, যোগী, তেলী, দৰ্জি, খনিকৰ, বাঢ়ৈ আদি খেলৰ সেই সেই শিল্পবিলাকৰ বিকাশ সাধনত আত্মনিয়োগ কৰিছিল।...মঙ্গোলীয় সংস্কৃতিৰ নাম দিছে বাঁহ সংস্কৃতি। বাঁহেৰে ঘৰ-দুৱাৰ সজাৰ উপৰিও তাঁতশালৰ সঁজুলি, ঢেঁকীশালৰ সঁজুলি, মাছধৰা সঁজুলি, পেড়া, পেটাৰী, জপা, খাং, টোপা সাজিছিল। বেতৰ জপা, টোনা, খালৈ, তেলপেৰা বেতেৰী তৈয়াৰ কৰিছিল। মাদুৰিবনৰ কঠ, পাটিদৈৰ শীতল পাটি, বাঁহৰ ঢৰা আদি ঘৰতে তৈয়াৰ কৰিছিল। মানুহে তেলীশালত ঘৰতে তেল পেৰিছিল; সেইদৰে কুঁহিয়াৰৰ খেতি কৰি গুৰো পগাইছিল।" এতিয়াও অসমৰ ভিতৰুৱা গ্ৰাম্যাঞ্চলৰ জনজীৱনত এনেবোৰ শিল্পৰ প্ৰচলন আছে।

মৃৎশিল্প অসমৰ অতি প্ৰাচীন লোকশিল্প। পুৰণি কালত বিভিন্ন অনুষ্ঠান, বিয়া, সবাহ, শ্ৰাদ্ধ তথা বিভিন্ন ৰাজহুৱা সকামত মাটিৰ পাত্ৰৰ বহুল ব্যৱহাৰ হৈছিল। কুমাৰ আৰু হীৰাসকল এই বৃত্তিৰ সৈতে তাহানি কালৰ পৰাই জড়িত হৈ আছে। সম্প্ৰতি মৃৎশিল্পই অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত প্ৰবল প্ৰত্যাহ্বানৰ মুখামুখি হৈছে।

বাঁহ-বেত শিল্পয়ো অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনক বিশেষ সমৃদ্ধি প্ৰদান কৰি আহিছে। অসমৰ হাবি-জংঘল, পাহাৰ-ভৈয়াম সকলোতে বিভিন্ন প্ৰকাৰৰ বাঁহ-বেত উভৈনদী ৰূপত পোৱা যায়। সেইদৰে মূল্যবান কাঠেৰেও অসম পৰিপূৰ্ণ। এই বাঁহ-বেত, কাঠ আদিৰ পৰা অসমৰ জনজীৱনৰ বাবে প্ৰয়োজনীয় বিবিধ আচবাব, যেনে ঃ জাপি, বিভিন্ন বাদ্যযন্ত্ৰ, ঘৰুৱা বিবিধ সামগ্ৰী আদি নিৰ্মাণ কৰা হয়। এইবোৰে অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনক বিশেষ সমৃদ্ধি প্ৰদান কৰিছে। সেইদৰে অসমৰ নামঘৰ, সত্ৰ, থান, মঠ-মন্দিৰ, গীৰ্জা আদিত কাঠৰ বহুল প্ৰয়োগ লক্ষ্য কৰা যায়। এই কাঠৰ ওপৰত কটা বিভিন্ন মূৰ্তি, জীৱ-

জন্তুৰ প্ৰতিকৃতি, পাত-ফুল আদিয়ে অসমৰ লোককলাৰ ক্ষেত্ৰখনক চহকী কৰি ৰাখিছে।

মুখা শিল্পই অসমৰ লোকশিল্পক এক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে। ইয়াৰ নিৰ্মাণত বাঁহ-বেতৰে প্ৰয়োগ হয়। নাট-ভাওনাৰ প্ৰদৰ্শনত মুখাশিল্পৰ বিশেষ গুৰুত্ব আছে। ইয়াৰ শিল্পীসকলক যথোচিত সন্মান আৰু সাহাৰ্য প্ৰদানেৰে শিল্পবিধক আৰু অধিক সম্প্ৰসাৰিত ৰূপ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে।

হাতী দাঁত শিল্পও অসমৰ এক প্ৰাচীন লোকশিল্প। অসমৰ অৰণ্যাঞ্চলত যথেষ্ট পৰিমাণে হাতী পোৱা গৈছিল। হাতীৰ দাঁতৰ পৰা নিৰ্মিত শিল্পক যথেষ্ট মূল্যবান বুলি গণ্য কৰা হয়। হাতী-দাঁতৰ ফণী, কাকৈ, মূৰত মৰা শলা, পিঠি খজুৱাবলৈ ব্যৱহাৰ কৰা হাতোৰা, লাঠি, দা-কটাৰীৰ নাল, লাঠিৰ মূৰ, টেমা, সঁফুৰা, গুৰু আসন আদি হাতীৰ দাঁতৰ পৰা নিৰ্মাণ কৰা হৈছিল। বৰ্তমান এই শিল্প প্ৰায় বিলুপ্ত হৈছে। বৰপেটা অঞ্চলত দুগৰাকীমান শিল্পী জীয়াই আছে যদিও কেঁচা মালৰ অভাৱত এই শিল্পই বিকাশ লাভ কৰিব পৰা নাই। বৰ্তমান অসমৰ কিছুমান সত্ৰ তথা সাংস্কৃতিক সংগ্ৰহালয়ত হাতী দাঁতৰ কেতবোৰ শিল্প-সামগ্ৰী সংৰক্ষিত হৈ আছে।

তাঁত শিল্প বা ৰেচম শিল্পৰ ক্ষেত্ৰত অসমৰ এক স্বকীয় ঐতিহ্য আছে। অসমত উৎপাদিত এৰী, মুগা পাট আদি সূতা অসমৰ ৰেচম শিল্পৰ মূল উপজীব্য। অসমৰ পাট আৰু মুগা কাপোৰে সম্প্ৰতি বিশ্ব বাণিজ্য ক্ষেত্ৰত বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান অসমৰ শুৱালকুছিত উৎপাদিত হোৱা পাট, মুগা আৰু এৰী কাপোৰৰ জনপ্ৰিয়তা সৰ্বাধিক। উজনি অসম, বিশেষকৈ শিৱসাগৰ, ধেমাজি, লখিমপুৰ আদি জিলাত মুগা সূতাৰ পৰ্যাপ্ত উৎপাদন হয়। বিয়া-সবাহ, বিহু তথা অন্যান্য পৰম্পৰাগত আৰু মাংগলিক অনুষ্ঠানত অসমীয়া পুৰুষ-মহিলাই পাট আৰু মুগা সূতাৰ কাপোৰ পৰিধান কৰে। এই কাপোৰ অসমীয়া লোকৰ বাবে স্বাভিমানৰ প্ৰতীকস্বৰূপ। সেইদৰে শীতৰ পৰা পৰিত্ৰাণ পাবলৈ অসমীয়া মানুহে এৰী চাদৰ বা এৰী কাপোৰ লয়। এই এৰী কাপোৰ ছালৰ বাবে অতি উপকাৰী হোৱাৰ লগতে পবিত্ৰ বস্ত্ৰ হিচাপেও গণ্য কৰা হয়।

অসমৰ অন্য এক বিশেষ লোকশিল্প হ'ল ধাতুশিল্প। অলংকাৰজাতীয় বিবিধ সামগ্ৰীৰ লগতে দৈনন্দিন ব্যৱহাৰ্য অনেক শিল্পবস্তু ধাতুৰ পৰা নিৰ্মাণ কৰা হয়। সোণ, ৰূপ, তাম, পিতল, কাঁহ, লো আদি ধাতুৰ জৰিয়তে অসমীয়া লোকশিল্পীসকলে বিবিধ শিল্পসামগ্ৰী সৃষ্টি কৰি আহিছে। অসমৰ সৰ্থেবাৰী আৰু হাজোত কঁহাৰ শিল্পীসকলে অতি কষ্টেৰে শিল্পবিধক জীয়াই ৰাখিছে। কাঁহ, পিতল, তাম আদিৰ পৰা নিৰ্মাণ কৰা বিবিধ বাচন-বৰ্তন, যেনে ঃ শৰাই, দুণৰি, বটা, ঘটি, লোটা, হেতা, কাঁহী-বাতি, চৰিয়া আদিৰ অসমীয়া জনজীৱনত বিশেষ মূল্য আছে। অসমৰ সত্ৰ, নামঘৰ, মঠ-মন্দিৰ আদিতো কাঁহ-পিতলৰ ডাঙৰ ডাঙৰ বাচন-বৰ্তন, শৰাই আদি দৈনন্দিন ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। সেইদৰে সোণ,

ৰূপ আৰু তামৰ বিবিধ অলংকাৰ, মূৰ্তি আদিয়ে অসমৰ ধাতুশিল্পৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি ৰাখিছে। সোণ-ৰূপৰ পৰা অসমীয়া পৰম্পৰাগত বিবিধ অলংকাৰ, যেনে ঃ গামখাৰু, মুঠিখাৰু, দুগদুগী, জোনবিৰি, ঢোলবিৰি, গলপতা, কেৰু আদি নিৰ্মাণ কৰা হয়।

শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণীয়া নামধৰ্মৰ পৃষ্ঠপোষক সত্ৰীয়া সংস্কৃতি তথা শংকৰী সংস্কৃতিক কেন্দ্ৰ কৰিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিবিধ লোকশিল্পৰ নিৰ্মাণ আৰু প্ৰচলন মধ্যযুগৰ পৰাই চলি আহিছে। উদাহৰণস্বৰূপে, গুৰু আসন শিল্প, সত্ৰীয়া আচাৰ-অনুষ্ঠানত ব্যৱহৃত বিবিধ মাটিৰ পাত্ৰ, মাটিৰ মলা; লোৰ গছা, কাঁহ-পিতলৰ বিবিধ বাচন-বৰ্তন, যেনে ঃ শৰাই, বৰ চৰিয়া, তাল আদি, বিবিধ বাদ্যযন্ত্ৰ, কাঠত কটা বিবিধ 'ৰিলিফ', মুখা শিল্প আদি সত্ৰীয়া লোকশিল্পসমূহে অসমীয়া সংস্কৃতিক পৰিপুষ্ট কৰি ৰাখিছে।

অসমত বসবাস কৰি থকা জনগোষ্ঠীয় লোকসকলৰ মাজতো নিজা নিজা বৈশিষ্ট্যযুক্ত বিবিধ লোকশিল্প নিৰ্মাণ আৰু প্ৰচলন দেখিবলৈ পোৱা যায়। অসমৰ বড়ো, মিচিং, কাৰ্বি, ৰাভা, ডিমাছা, দেউৰী, হাজং, লালুং, চিংফৌ আৰু টাই জনগোষ্ঠীয় খামতি, খাময়াং, টুৰুং, ফাকে, আইতন আদি জনগোষ্ঠীয় লোকৰ মাজত নিজা নিজা কেতবোৰ লোকশিল্পৰ নিৰ্মাণ আৰু প্ৰচলন আছে। সাজপাৰ তথা বয়ন শিল্পৰ ক্ষেত্ৰত এই জনগোষ্ঠীয় লোকসকলৰ মাজত ভিন্নতা থকাৰ লগতে স্বকীয়তা বিৰাজমান। অসমৰ জনগোষ্ঠীয় লোকশিল্পয়ো অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনক বিশেষ ব্যাপ্তি আৰু সমৃদ্ধি প্ৰদান কৰি আহিছে। গৱেষণামূলক অধ্যয়নে অসমৰ জনগোষ্ঠীয় লোকশিল্পৰ বহুবোৰ দিশ পোহৰলৈ আনিব বুলি ভবাৰ অৱকাশ আছে।

**২.৬.২ লোকশিল্প আৰু পাৰিপাৰ্শ্বিকতা ঃ**

লোকশিল্পই একোখন সমাজ বা একোটা জাতিৰ সৃজনী প্ৰতিভা আৰু জীৱন ধাৰণৰ মান প্ৰতিফলিত কৰাৰ লগতে সংশ্লিষ্ট সমাজ বা জাতিৰ চৌপাশে অৱস্থান কৰি থকা পাৰিপাৰ্শ্বিক অৱস্থাৰো আভাস প্ৰদান কৰে। কিয়নো প্ৰায়বোৰ লোকশিল্পৰ কেঁচা সামগ্ৰী সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিক জগতৰ পৰাই লোকশিল্পীসকলে আহৰণ কৰে। লগতে প্ৰয়োজন অনুসৰি শিল্প-সামগ্ৰীসমূহৰ নিৰ্মাণো পাৰিপাৰ্শ্বিক অৱস্থাৰ অনুকূলে শিল্পীসকলে সৃজন কৰি লয়। সেয়ে প্ৰকৃতি জগতৰ বিভিন্ন বৈশিষ্ট্য, যেনে ঃ প্ৰকৃতিৰ সৰলতা, অকৃত্ৰিমতা; নিভাঁজ, অনাড়ম্বৰ আৰু বিবিধতা আদি গুণ লোকশিল্পত বিদ্যমান। আন কথাত ক'বলৈ গ'লে প্ৰাকৃতিক পৰিৱেশৰ ওপৰতে সাংস্কৃতিক পৰিৱেশ নিৰ্ভৰশীল। কিয়নো প্ৰত্যেক সমাজৰ সাংস্কৃতিক পৰিৱেশ এটা সুনিৰ্দিষ্ট পাৰিপাৰ্শ্বিক অৱস্থাৰ সৈতে সম্পৃক্ত হৈ থাকে তথা সেই পাৰপাৰ্শ্বিকতাৰ ভিত্তিতে সংস্কৃতি বিকশিত হৈ থাকে। অৰ্থাৎ সামাজিক প্ৰাণী হিচাপে মানুহে তাৰ চৌপাশে অৱস্থান কৰি থকা প্ৰাকৃতিক উপাদানসমূহ ব্যৱহাৰৰ জৰিয়তে এক সক্ৰিয় সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰি লয়। কাজেই সংস্কৃতিৰ অন্তৰ্গত এটা দিশ হিচাপে লোকশিল্পত তাৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই প্ৰসংগত

সৈয়দ মাহবুব আলমে কৈছে, "একোটা নির্দিষ্ট প্ৰাকৃতিক পৰিৱেশৰ পৰিসীমাত সুনির্দিষ্ট বৈশিষ্ট্যসম্পন্ন একোটা সাংস্কৃতিক পৰিৱেশ, অৱস্থা নির্মিত হয় তথা পৃথিৱীৰ বিভিন্ন অঞ্চলৰ বৈচিত্র্যময় প্ৰাকৃতিক পৰিৱেশৰ পৰিসীমাত মানুহৰ দ্বাৰা সৃষ্ট সাংস্কৃতিক পৰিৱেশকেন্দ্রিক জীৱনধাৰাৰ ভিন্ন বৈশিষ্ট্য অনুসৰি সাংস্কৃতিক অৱস্থাই ৰূপ লাভ কৰে।"[৬২]

প্ৰাকৃতিক পৰিৱেশৰ পৰা সংগৃহীত উপাদান তথা কেঁচামাল ব্যৱহাৰ কৰি যি সাংস্কৃতিক পৰিৱেশ বা জীৱনধাৰা নির্মাণ কৰা হয়, তাৰ বাহ্যিক প্ৰকাশ সংশ্লিষ্ট সমাজৰ সাংস্কৃতিক নানা শিল্পবস্তু, জীৱন ধাৰণৰ পদ্ধতি বা বস্তুজাত সংস্কৃতিৰ মাজত প্ৰত্যক্ষ কৰা যায়। মূলতঃ গ্ৰাম্য সমাজ তথা অতি সম্প্ৰতি অসমৰ জনগোষ্ঠীয় সামাজিক-সাংস্কৃতিক জীৱন প্ৰবাহো বহু ক্ষেত্ৰত প্ৰাকৃতিক পৰিৱেশকেন্দ্রিক সম্পদ বা উপাদানৰ ওপৰত নির্ভৰশীল। প্ৰাকৃতিক পৰিৱেশসম্ভূত সম্পদ তথা উপাদানক কেন্দ্ৰ কৰিয়ে মানুহে বস্তুজাত সংস্কৃতিৰ জন্ম দিয়ে আৰু তাৰ সৈতে সম্পৃক্ত হৈ থাকে মানুহৰ প্ৰয়োজন, চিন্তা-চেতনা, মূল্যবোধ, আচাৰ-আচৰণ আদি। "বস্তুজাত সংস্কৃতিৰ মাজত মানুহৰ জীৱন যাপনৰ ধাৰা সংক্ৰান্তীয় জ্ঞানৰ অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ অন্তর্ভুক্ত হৈ থাকে তথা সেই জ্ঞানৰ ক্ষুদ্ৰাতি ক্ষুদ্ৰ অংশসমূহে মানুহক বস্তুজাত সংস্কৃতিৰ শিল্পসামগ্ৰীসমূহ নির্মাণৰ ক্ষেত্ৰত পৰিকল্পনা, কৌশল আৰু কাৰণ নির্ধাৰণ কৰি দিয়ে। ...মূলতঃ মানুহৰ দ্বাৰা তৈয়াৰী বস্তুৰ সৈতে সুনির্দিষ্ট প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱ, ব্যক্তি তথা গোষ্ঠীগত স্বভাৱ, আচাৰ-আচৰণ তথা জীৱন ধাৰাৰ-সংস্কৃতিৰ সংযুক্তি সাধনৰ বিশেষ গুণ, বৈশিষ্ট্য আদি বস্তুজাত সংস্কৃতিত বিদ্যমান, সক্ৰিয়।"[৬৩] অর্থাৎ প্ৰকৃতিৰ মাজত উপলব্ধ কেঁচাসামগ্ৰী ব্যৱহাৰৰ জৰিয়তে ঐতিহ্যগত কৌশল তথা নির্মাণ-শৈলীৰ আধাৰত দক্ষ আৰু নিপুণ শিল্পীয়ে বস্তুজাত সংস্কৃতি বা শিল্পসামগ্ৰীসমূহ নির্মাণ কৰে। সেইবাবে প্ৰতিটো শিল্পসামগ্ৰী বা বস্তুৰ মাজত নির্মিত উপাদানসমূহৰ সাধাৰণ গুণ, বৈশিষ্ট্য, আকাৰ, গঢ় আদি প্ৰত্যক্ষ কৰা যায়। এক কথাত ক'বলৈ গ'লে বিভিন্ন শিল্পবস্তুৰ মাজত প্ৰাকৃতিক উপাদানসমূহৰ গুণ, বৈশিষ্ট্য আদি ক্ৰিয়াশীল হৈ থাকে। তদুপৰি লোকশিল্পৰ নির্মাণৰ সৈতে সামাজিক প্ৰয়োজন আৰু লোকসমাজৰ অভিজ্ঞতাও জড়িত হৈ থাকে। আনহাতে প্ৰাকৃতিক উপাদানেৰে নির্মিত হোৱাৰ বাবে লোকশিল্পসমূহ পৰিৱেশতন্ত্ৰৰো উপযোগী।

**২.৬.৩ লোকশিল্পৰ সামাজিক-সাংস্কৃতিক প্ৰয়োজনীয়তা ঃ**

লোকশিল্পসমূহ সামাজিক-সাংস্কৃতিক প্ৰয়োজন অনুসৰি সৃষ্ট তথা নির্মিত। পৰম্পৰাগত জীৱন প্ৰবাহৰ বিভিন্ন উপলক্ষ্যত লোকশিল্পসমূহৰ ব্যাপক ব্যৱহাৰ মন কৰিবলগীয়া। অর্থাৎ সামাজিক-সাংস্কৃতিক প্ৰয়োজন অনুসৰিয়ে লোকশিল্পসমূহ লোকসমাজত বর্তি থাকে। এই সম্পৰ্কত নবীন চন্দ্ৰ শৰ্মাই কৈছে "লোকশিল্প বা হস্তশিল্প জীৱনৰ বাস্তৱিক বা প্ৰাত্যহিক দিশৰ সৈতে সম্পৃক্ত।... অর্থনৈতিক দিশৰ সৈতেও লোকশিল্পসমূহ সম্পৰ্কযুক্ত।"[৬৪] অসমৰ পৰিপ্ৰেক্ষিতত ইয়াৰ সমাজ আৰু সংস্কৃতিত লোকশিল্পসমূহে

বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। অসমৰ বিভিন্ন ধৰ্মীয় তথা সামাজিক আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বণত লোকশিল্পৰ ব্যাপক ব্যৱহাৰ হোৱাৰ লগতে সাধাৰণ জনজীৱনৰ বিভিন্ন উপলক্ষ্যতো লোকশিল্পৰ প্ৰয়োজন অনস্বীকাৰ্য। সেইদৰে জীৱনবৃত্তৰ লগত জড়িত অনুষ্ঠান, যেনে ঃ জন্ম-মৃত্যু-বিবাহৰ লগত জড়িতভাৱে উদ্‌যাপিত বিভিন্ন অনুষ্ঠানতো লোকশিল্পৰ ব্যৱহাৰ দেখা পোৱা যায়। অসমৰ কৃষিমূলক প্ৰধান উৎসৱ বিহুত বিবিধ লোকবাদ্য, যেনে ঃ ঢোল, পেঁপা, বাঁহী, গগণা তথা কাঁহেৰে নিৰ্মিত তাল; কাঁহৰ বাচন-বৰ্তন আদিৰ প্ৰয়োগ মন কৰিবলগীয়া। সেইদৰে অসমৰ জনগোষ্ঠীয় সমাজ অনুসৰিও সংশ্লিষ্টসকলৰ সামাজিক উৎসৱ-অনুষ্ঠানসমূহত জনগোষ্ঠীয় লোকশিল্পসমূহ ব্যৱহাৰ হয়। অসমৰ ধৰ্মীয় কেতবোৰ আচাৰ-অনুষ্ঠান, যেনে ঃ জন্মাষ্টমী, দোল যাত্ৰা অথবা হোলী বা ফাকুৱা, ৰাসযাত্ৰা, দেৱী পূজা, দুজনা গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি আদি আচাৰ-অনুষ্ঠানসমূহত কাঁহ-পিতলৰ বিবিধ শিল্প, যেনে ঃ শৰাই, ঘণ্টা, তাল, মঞ্জিৰা; সত্ৰীয়া বিবিধ লোকশিল্প তথা লোকবাদ্যৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা তাৎপৰ্যপূৰ্ণ।

প্ৰাত্যহিক সাধাৰণ জনজীৱনতো লোকশিল্পসমূহৰ ব্যাৱহাৰিক উপযোগিতা নুই কৰিব নোৱাৰি। মান্যজনক কাঁহৰ বাচন-বৰ্তনত খাদ্য পৰিৱেশন কৰোৱাতো অসমীয়া সমাজৰ এক পৰম্পৰা। সেইদৰে অসমৰ বয়নশিল্পৰ ক্ষেত্ৰখনেও অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখনক স্বকীয়তা প্ৰদান কৰাৰ লগতে বিশেষ বিশেষ উপলক্ষ্যত জাতীয় সাজপাৰ পৰিধান কৰাটোও অসমীয়া সমাজৰ এক ৰীতি। এই ক্ষেত্ৰত জনগোষ্ঠীয় সাজপাৰসমূহেও ব্যাপক জনসাধাৰণৰ মাজত সমাদৃত হোৱাৰ লগতে অতি সম্প্ৰতি সেইবোৰৰ চাহিদা আৰু ব্যৱহাৰ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। ই অসমীয়া সংস্কৃতিৰ বাবে এক শুভ লক্ষণ। একেদৰে ভিন্ন উপলক্ষ্যত পৰম্পৰাগত অসমীয়া আ-অলংকাৰসমূহৰো ব্যৱহাৰ তথা প্ৰয়োজনীয়তা মানুহৰ মাজত দেখা পোৱা যায়। তদুপৰি বাঁহ-বেত-পাটীদৈ শিল্প, ধাতুশিল্প, মৃৎশিল্প, কাঠশিল্প আদি শিল্পজাত বিবিধ সামগ্ৰীসমূহৰো ব্যাৱহাৰিক প্ৰয়োজনীয়তা দৈনন্দিন জনজীৱনত অপৰিসীম। এই ক্ষেত্ৰত বিচনী, ডলা, কোলা, চালনী, ঢাৰি, পাটী, বাঁহৰ জপা, বিৰিয়া, বাঁহ-বেতেৰে নিৰ্মিত বিভিন্ন আচবাব; কটাৰী, দা, মৈদা, কাঁচি, ৰাঁচ ভৰোৱা; মাটিৰে নিৰ্মিত বিভিন্ন শিল্প সামগ্ৰী, যেনে ঃ চাকি, মলা, ঘট, টেকেলি, কলহ, মাটিৰ চৰু তথা শিশুৰ খেলাৰ বিবিধ সামগ্ৰী আদি শিল্পজাত সামগ্ৰীসমূহৰ নাম বিশেষ উল্লেখযোগ্য। সেইদৰে কাঠেৰে নিৰ্মিত গৃহ-নিৰ্মাণৰ লগত জড়িত দুৱাৰ, খিৰিকী আদিৰ লগতে দৈনন্দিন ব্যৱহাৰযোগ্য বিবিধ আচবাবসমূহ মানুহৰ প্ৰাত্যহিক জীৱনত এৰাব নোৱাৰা শিল্পবস্তু। এনেদৰে ব্যাৱহাৰিক উপযোগিতাৰে অসমীয়া লোকশিল্পসমূহে অসমীয়া সমাজ-সংস্কৃতিত বিশেষ তাৎপৰ্য বহন কৰি আহিছে। গৱেষণামূলক বিশদ অধ্যয়নে এনে বহুবোৰ দিশ পোহৰলৈ অনাত সহায় কৰিব বুলি আশা কৰিব পাৰি।

## ২.৭ সামগ্ৰিক আলোচনা ঃ

মানুহৰ চিৰন্তন সৃজন ক্ষমতা আৰু আত্মপ্ৰকাশৰ অদম্য বাসনাৰ পৰিপ্ৰেক্ষিতত মানুহে মানসিকভাৱে পৰিতৃপ্ত হোৱাৰ স্বাৰ্থত তথা জীৱনপ্ৰবাহৰ ভিন্ন উপলক্ষ্যত ব্যৱহাৰযোগ্য সুসংবদ্ধভাৱে নিৰ্মিত নান্দনিক বস্তুবিশেষক শিল্প হিচাপে অভিহিত কৰা হয়। শিল্পৰ বিশাল পৰিসৰে ভৌতিক (চাৰুশিল্প, কাৰুশিল্প) বস্তুসমূহৰ লগতে অভৌতিক বিষয়সমূহ, যেনে — সংগীত, নৃত্য, অভিনয়, সাহিত্য আদি দিশসমূহকো সামৰি লয়।

শিল্প সৃষ্টিৰ প্ৰেৰণাৰ মূল উৎস ৰূপ-ৰচনা আৰু সৌন্দৰ্য সৃষ্টি কৰা। মানুহৰ মন-মগজুত নিহিত হৈ থকা বুদ্ধি, কৰ্ষণশক্তি, সৌন্দৰ্যবোধ, কল্পনা আৰু সৃজনীপ্ৰতিভাৰ ই মূৰ্ত প্ৰকাশ। শিল্পৰ জৰিয়তে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিক অৱস্থা, সমকালীন বাস্তৱতা, ৰুচিবোধ আৰু চিন্তা-নৈপুণ্যৰ আভাস পাব পাৰি।

গ্ৰাম্য লোকজীৱনৰ ভিত্তিত চহা লোকৰ দ্বাৰা সৃষ্ট শিল্পসমূহকে লোকশিল্প আখ্যা দিয়া হয়। গ্ৰাম্য, অনাখৰী বা অল্পশিক্ষিত লোকৰ জীৱন, কৰ্ম, ধৰ্ম, পূজা-পাতল, বিশ্বাস আদিৰ আধাৰত সম্পূৰ্ণ ভৌগোলিক-প্ৰাকৃতিক পৰিৱেশত লোকশিল্পৰ সৃষ্টি আৰু বিকাশ হয়।

গাঁৱৰ চহা শিল্পীপ্ৰাণ লোকে চৌপাশে অৱস্থান কৰি প্ৰাকৃতিক উপকৰণৰ সহায়ত বা প্ৰভাৱত বৈচিত্ৰ্য-বৈবিধ্য লোকশিল্পজাত সামগ্ৰীসমূহ সৃষ্টি কৰে। সেয়ে ইয়াৰ আবেদন ইমান সৰল, অকৃত্ৰিম, নিভাঁজ, পোনপটীয়া আৰু অনাড়ম্বৰ। তদুপৰি লোকশিল্প সাৰ্বজনীন, ৰূপান্তৰধৰ্মী, পৰম্পৰাগত, অনামী, স্থিতিশীল, অপ্ৰতিনিধিত্বমূলক, ঐতিহ্য নিৰ্ভৰ আদি বিচিত্ৰ বৈশিষ্ট্যৰে প্ৰোজ্জ্বল।

লোকশিল্পৰ মাজত বিবিধ ৰূপাঙ্গৰ প্ৰয়োগ লক্ষ্য কৰা যায়। প্ৰকৃতিৰ অন্তৰ্গতভাৱে উদ্ভিদজগত, জীৱজগত আৰু সৌৰজগতৰ বিবিধ উপাদানৰ লগতে মানৱ-সৃষ্ট বস্তুজগতৰ বিবিধ উপাদান তথা কৌণিক, ৰৈখিক, বৃত্তাকাৰ আদি জ্যামিতিক ৰূপৰ কেতবোৰ ৰূপাঙ্গও লোকশিল্পত প্ৰয়োগ হৈ আহিছে। তদুপৰি উল্লিখিত সকলোবোৰ ৰূপাঙ্গ কেতিয়াবা ভাৱগত ৰূপলৈ ৰূপান্তৰিত হৈ বিমূৰ্ত বা ভাৱধৰ্মী হিচাপেও ব্যৱহাৰ হোৱা দেখা যায়।

লোকশিল্প মূলতঃ লোক-সমাজৰ সৰল জীৱন-পদ্ধতি পৰিচালনাৰ বাবে নিৰ্মাণ কৰা হয় যদিও সম্প্ৰতি গঢ় লৈ উঠা ইয়াৰ বিপণন-ব্যৱস্থাই গ্ৰাম্য অৰ্থনীতিলৈ পৰিৱৰ্তন আনিছে। লোকশিল্পৰ বিপণৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰা কেন্দ্ৰসমূহ হ'ল — মেলা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, শিল্পীৰ নিজা ঘৰ বা প্ৰতিষ্ঠান, দোকান, ফেৰি আদি।■■

**প্ৰসংগ টীকা ঃ**

১. নবীন চন্দ্ৰ শৰ্মা, *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় খণ্ড), পৃ. ৩৪৮

২. নীলমণি ফুকন, *লোক কল্পদৃষ্টি*, পৃ. ১৯

৩ "art, also called (to distinguish it from other art forms) visual art, a visual object or experience consciously created through an expression of skill or imagination. The term art encompasses diverse media such as painting, sculpture, printmaking, drawing, decorative arts, photography, and installation.", https://www.britannica.com/art/visual-art, retrieved: 17-09-2023

৪ "the making or doing of something whose purpose is to bring pleasure to people through their enjoyment of what is beautiful and interesting, or things often made for this purpose, such as painting, drawing or sculpture.", https://dictionary.cambridge.org/dictionary/english/art, retrieved: 17-09-2023

৫ "the use of the imagination to express ideas or feelings, particularly in painting, drawing or sculpture or an ability or a skill that you can develop training and practice.", https://www.oxfordlearnersdictionaries.com/definition/english/art_1, retrieved: 17-09-2023

৬ হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃ. ২৮৮-২৮৯

৭ হেমচন্দ্ৰ বৰুৱা, উল্লিখিত, পৃ. ১২২৪

৮ দীনেশ চন্দ্ৰ গোস্বামী (সম্পা.), *শৰাইঘাট অভিধান*, পৃ. ৮৮৭

৯ হেমচন্দ্ৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৩৩১

১০ "লোকসমাজের মানুষ রূপসৃষ্টির জন্য শব্দ, সুর, রেখা, রঙ ইত্যাদি অবলম্বন করে। এসব মাধ্যমে যে রূপ ফুটে ওঠে তা মানুষে মানুষে মনের যোগ গড়ে তোলে। রূপ তথা সৌন্দর্য রচনার আবেগই সব শিল্প প্রেরণাৰ মূল কথা। শব্দ-রূপের বৈচিত্র্য সম্পাদনের চেষ্টায় গীত, বাদ্য, কাব্য জন্ম নিয়েছে। আর রঙ ও আকার গড়তে গিয়ে এসেছে চিত্র, ভাস্কর্য, স্থাপত্য ও কারুকর্ম। এই চেষ্টার সুফলেই শিল্প সৃষ্টি।", কল্যাণ কুমার গঙ্গোপাধ্যায়, বাংলার ভাস্কর্য, উদ্ধৃত, জীবেশ নায়ক, লোকসংস্কৃতিবিদ্যা ও লোকসাহিত্য, পৃ. ৩৮০

১১ "শিল্পিত রূপসৃষ্টি চিত্রানুকরণ ছাড়া অন্য কিছু নয়। ছবি বা চিত্র, বস্তু ও ভাবের অনুকৃতি। এই অনুকৃত রূপই মানবসমাজে শিল্পকলা নামে খ্যাত।", জীবেশ নায়ক, উল্লিখিত, পৃ. ৩৮০

১২ নিৰ্মাল্য নাগ, শিল্পচেতনা, উদ্ধৃত, বিজয়কৃষ্ণ দলে, *মিচিং লোকশিল্প ঃ এক অধ্যয়ন*, পৃ. ২৪

১৩ নীলমণি ফুকন, পূৰ্বোল্লিখিত, পৃ. ১৯

১৪ নীলমণি ফুকন, উল্লিখিত, পৃ. ১৯

১৫ প্ৰদীপ নাথ, *শিল্পভাষা*, পৃ. ৯

১৬ “Abstract art, also called nonobjective art or nonrepresentational art, painting, sculpture, or graphic artin which the portrayal of things from the visible world plays little or no part. All art consists largely of elements that can be called abstract - elements of form, colour, line, tone and texture.”, https://www.britannica.com/art/abstract-art, Retrieved: 17-09-2023

১৭ প্ৰদীপ নাথ, পূৰ্বোল্লিখিত, পৃ. ১০

১৮ প্ৰদীপ নাথ, উল্লিখিত, পৃ. ১১

১৯ জীবেশ নায়ক, পূৰ্বোল্লিখিত , পৃ. ৩৮০

২০ জ্যোতিষ কুমাৰ ডেকা, *চিত্ৰকোষ*, পৃ. ১১

২১ নবীনচন্দ্ৰ শৰ্মা, পূৰ্বোল্লিখিত , পৃ. ৩৪৮

২২ জ্যোতিষ কুমাৰ ডেকা, পূৰ্বোল্লিখিত, পৃ. ১১

২৩ প্ৰদীপ নাথ, পূৰ্বোল্লিখিত, পৃ. ১১

২৪ জীবেশ নায়ক, পূৰ্বোল্লিখিত, পৃ. ৩৮০

২৫ হেমচন্দ্ৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৩১১

২৬ সৈয়দ মাহমুদুল হাসান (সম্পাঃ), *বাংলাদেশের লোকশিল্প*, পৃ. ৬

২৭ ধ্ৰুৱকুমাৰ তালুকদাৰ, “পাতনি ”, *অসমৰ লোক-শিল্পকলা*

২৮ নীলমণি ফুকন, পূৰ্বোল্লিখিত, পৃ. ২৪

২৯ ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পাতনি

৩০ “In the expression 'folk art' is not only the word 'art' that is difficult to understand : the word 'folk' is equally problematic.”, August Panyella, Folk Art of the Americas, N. Y. 1981 উদ্ধৃত, সৈয়দ মাহমুদুল হাসান (সম্পাঃ), বাংলাদেশের লোকশিল্প, পৃ. ১

৩১ “folk art, predominantly functional or utilitarian visual art created by hand (or with limited mechanical facilities) for use by the maker or a small circumscribed group and containing an element of retention- the prolonged survival of tradition. folk art is the creative expression of the human struggle towards civilization within a particular environment through the production of useful but aesthetic buildings and objects... folk art refers to the art of the people, as distinguished from the elite or professional product that constitutes the mainstream of art in highly developed societies.”, https://www.britannica.com/art/folk-art-visual-arts, Retrived: 09-05-2023

৩২ “What are folk crafts? Here the elements of tradition is of primary importance, one can say generally that folk crafts are traditional crafts. It is, indeed, in the crafts that are can

observe with special clarity the operation of tradition. Until relatively recent times, craft techniques and designs were passed down within one family for many generations.", Richard M. Dorson (Ed.), Folklore and Folklife an Introduction, P. 233

৩৩ সৈয়দ মাহমুদুল হাসান (সম্পাঃ), পূর্বোল্লিখিত, পৃ. ৬

৩৪ "আবহমান কাল ধরে লোক সমাজের সাধাৰণ মানুষের দৈনন্দিন জীবন, ধর্ম বিশ্বাস, লৌকিক আচার-আচরণ এবং উৎসবকে কেন্দ্র করে যে চারু ও কারুশিল্প সৃষ্টি হয়েছে তাই লোকশিল্প।", সৈয়দ মাহবুব আলম, লোক ও কারুশিল্পের সংজ্ঞা, উদ্ধৃত, সৈয়দ মাহবুব আলম, লোকশিল্প, পৃ. ১১৬

৩৫ তুষাৰ চট্টোপাধ্যায়, ১৯৮৫

৩৬ "লোকশিল্পে একটা শান্ত স্নিগ্ধ চেহারার ছাপ থাকে। লোকশিল্পের উপস্থিতি পরিবেশে একটা পবিত্রতার ছাপ বিদ্যমান রাখে। ... মানুষ মনের মাধুরী মিশিয়ে আপন হাতে তৈরি করে এ শিল্প।", সৈয়দ মাহবুব আলম (সম্পাঃ), লোকশিল্প প্রবন্ধ, পৃ. ২৩

৩৭ Ajit Coomer Mookerjee, Encyclopedia of World Art, Vol. V, উদ্ধৃত, সৈয়দ মাহমুদুল হাসান (সম্পাঃ), পূর্বোল্লিখিত, পৃ. ৫

৩৮ নীলমণি ফুকন, পূর্বোল্লিখিত, পৃ. ২৪

৩৯ প্রদীপ নাথ, পূর্বোল্লিখিত, পৃ. ১১

৪০ সৈয়দ মাহমুদুল আলম, *লোকশিল্প*, পৃ. ১২৬

৪১ নীলমণি ফুকন, পূর্বোল্লিখিত, পৃ. ২৪

৪২ সৈয়দ মাহমুদুল আলম, *লোকশিল্প*, পৃ. ১২৮

৪৩ নীলমণি ফুকন, পূর্বোল্লিখিত, পৃ. ২৫

৪৪ নীলমণি ফুকন, উল্লিখিত, পৃ. ২৬

৪৫ ধ্রুৱকুমাৰ তালুকদাৰ, পূর্বোল্লিখিত, 'পাতনি'

৪৬ নীলমণি ফুকন, পূর্বোল্লিখিত, পৃ. ২৬

৪৭ ধ্রুৱকুমাৰ তালুকদাৰ, পূর্বোল্লিখিত, 'পাতনি'

৪৮ নীলমণি ফুকন, পূর্বোল্লিখিত, পৃ. ২৭

৪৯ সুজয়কুমার মণ্ডল, *লোকশিল্প তাত্ত্বিক প্রেক্ষিত*, পৃ. ৩৩

৫০ নবীনচন্দ্র শর্মা, পূর্বোল্লিখিত, পৃ. ৩৫১

৫১ "...that complex whole which includes knowledge, belief, art, moral law, custom, and any other capabilities and habits acquired by man as a member of society." (E. B. Tylor, *Primitive Culture: Researches into the Development of Mythology, Philosophy, Religion, Language, Art and Custom*, 2nd Ed. Vol.-I, New York, 1874, p. 1

৫২ Leslie A. White, *Culturological Vs Psychological Interpretation of Human Behaviour*, American Sociological Review 12, 686-689, Dec. 1947, p. 693

৫৩ Bidney, *Theoritical Anthropology*, New York, Colombia University Press, 1933, p. 30

৫৪ Richard M. Dorson, 'Introduction', *Folklore and Folklife*, Chicago: Chicago University, 1982, p.2-4

৫৫ নবীন চন্দ্র শৰ্মা, 'সূচীপত্ৰ' *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় খণ্ড), পৃ. ৮

৫৬ জীবেশ নায়ক, *লোকসংস্কৃতিবিদ্যা ও লোকসাহিত্য*, পৃ. ১৭৬

৫৭ Richard M. Dorson, 'Contents', পূৰ্বোল্লিখিত।

৫৮ নবীন চন্দ্র শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৩৩

৫৯ নবীন চন্দ্র শৰ্মা, উল্লিখিত, পৃ. ২৩৫

৬০ Richard M. Dorson, 'Contents', পূৰ্বোল্লিখিত

৬১ নিৰ্মলপ্ৰভা বৰদলৈ, *অসমৰ লোকসংস্কৃতি*, পৃ. ২০৮

৬২ সৈয়দ মাহবুব আলম, *লোকশিল্প*, পৃ. ৯১

৬৩ সৈয়দ মাহবুব আলম, উল্লিখিত, পৃ. ৯২

৬৪ নবীন চন্দ্র শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ৩৪৮-৩৪৯